# দুধনৈ মহাবিদ্যালয় আলোচনী

● বছেৰেকীয়া প্ৰকাশ ॥ প্ৰথম সংখ্যা ॥ ১৯৭৬-৭৭ চন ॥ ১৮৯৮-৯৯ শক ●


॥ তত্ত্বাবধায়ক ॥
অধ্যাপক বসন্ত কুমাৰ শৰ্মা

●

॥ সম্পাদক ॥
যশোবন্ত ৰাভা

DUDHNOI COLLEGE MAGAZINE : Annual Publication, 1st Issue (1976-77) : Edited and published by Jashabanta Rabha for and on behalf of the Dudhnoi College Students' Union, Dudhnoi College.

---

**সম্পাদনা সমিতি :**

উপদেষ্টা—অধ্যক্ষ করুণা কান্ত ৰাভা

তত্ত্বাবধায়ক—অধ্যাপক বসন্ত কুমাৰ শৰ্মা

সম্পাদক—যশোবন্ত ৰাভা

সদস্য—অধ্যাপক গোপাল চন্দ্ৰ ৰায়

অধ্যাপক দশৰথ কাকতি

অধ্যাপক হেৰম্ব কুমাৰ ৰাভা।

অধ্যাপিকা চন্দ্ৰলেখা দাস।

**বেটুপাত অঙ্কন :** যশোবন্ত ৰাভা

**কৃতজ্ঞতা জ্ঞাপন :** অধ্যাপক আব্দুল মজিদ মণ্ডল, অধ্যাপিকা মিনতি শৰ্মা, অধ্যাপক দীনেশ দাস, ৰঞ্জিত দত্ত, শেৱালি কলিতা, দীপক দাস, অমিয় ৰাভা, ৰতন বসুমতাৰী, কনমাই ৰাভা, দীপামণি কলিতা, বিষ্ণুপ্ৰিয়া ৰায়, দময়ন্তী খাখলাৰী আৰু এই সংখ্যা আলোচনীৰ সমূহ লিখক-লিখিকালৈ।

**মুদ্ৰণ :** পূৰ্বদেশ মুদ্ৰণ, ৰিহাবাৰী
গুৱাহাটী—৮।

শ্ৰদ্ধাঞ্জলি—



অসমৰ কৃতী সন্তান, ভাৰতৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমদ


জন্ম : ১৩ মে’, ১৯০৫ চন

মৃত্যু : ১১ ফেব্ৰুৱাৰী, ১৯৭৭ চন

একনিষ্ঠ দেশপ্ৰেমিক, স্বাধীনতা যুঁজাৰু, প্ৰশাসক, জাতীয়তাবাদী নেতা, ক্ৰীড়াবিদ, মানৱ-চেতনা সমৃদ্ধ সংস্কৃতিবান আৰু বিনম্ৰ পুৰুষ ভাৰতৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমদৰ আকস্মিক মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰিছোঁ আৰু তেখেতৰ পবিত্ৰ স্মৃতিত অনাবিল শ্ৰদ্ধাঞ্জলি আগবঢ়াইছোঁ।

## শ্ৰদ্ধাঞ্জলি—

....‘অস্থায়ী মানৱদেহা ৰোগ দুখ চিৰ লগৰীয়া
তথাপিও জিৰণি নল’লা
দীন দুখিতৰ বন্ধু তুমি জনতাৰ
মৃত্যুৱে নোৱাৰে ঢাকিব প্ৰতিভা তোমাৰ,
তোমাৰ অমৰ স্মৃতি চিৰ গৰৱী হৈ ৰ’ব
জনতাৰ হৃদয়ৰ মণিকূটত।
সৰ্বজন প্ৰিয় পৰিচিত—‘হেম’।’....
—( নলিনীবালা দেৱী )



‘অসম গৌৰৱ’ হেম বৰুৱা
জন্ম : ২২ এপ্ৰিল, ১৯১৫ চন
মৃত্যু : ৯ এপ্ৰিল, ১৯৭৭ চন

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, আধুনিক অসমীয়া কবিতাৰ একনিষ্ঠ পূজাৰী, সাহিত্য-সমালোচনাৰ নতুন ধাৰাৰ প্ৰৱৰ্ত্তনকাৰী, বিশিষ্ট শিক্ষাবিদ, সাংবাদিক, ওজস্বী বক্তা, নিৰ্ভীক আৰু নিস্বাৰ্থ সমাজসেৱী, প্ৰাক্তন সংসদী সদস্য হেম বৰুৱাৰ অকাল আৰু আকস্মিক বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰিছোঁ। তেখেতৰ আত্মাই চিৰ শান্তি লাভ কৰক। তেখেতৰ মহান আদৰ্শ, বিশাল ব্যক্তিত্বই আমাক প্ৰেৰণা দিয়ক,—এয়ে কামনা।

ৰোমন্থন……

● …দুধনৈ মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত উপস্থিত থকাৰ সুযোগ ঘটিছিল। কলেজখনে বিভিন্ন দিশত আগবঢ়াৰ কথা মহাবিদ্যালয়ৰ কর্তৃপক্ষৰ পৰা জানি সুখী হলোঁ। কলেজখনৰ সর্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।……

হিতেশ্বৰ শইকীয়া
৬।১০।৭২
( গৃহমন্ত্রী, অসম )

● দুধনৈ মহাবিদ্যালয় বাইজৰ মৰমৰ অনুষ্ঠান। মৰমৰ পলসতে গজি উঠিছে। ভাবে জীপ্ লৈ মহামহীৰুহ হৈ উঠিব। ইয়াৰ ছাত্র-ছাত্রীসকলক লৈ এটি কবিতা দিলোঁ।

নীল আকাশত লক্ষ্য ৰাখি
জুৰিব যি বীৰে ধনুত কাঁড়
মহান সি লক্ষ্য হ'লেও ব্যর্থ
তুষ্টভো হ'ব আত্মা তাৰ।

মহেন্দ্ৰ বৰা
১৩. ২. ৭৩
( অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয় )

● ....to pay a visit to the Dudhnoi College which is being started in the tribal area.... The College will meet the need of the people of this area. I wish success of the College.

Uttam Chandra Brahma
4. 8. 73
(Minister of Social Welfare & Tribal Affairs, Assam)

● হুধৈন কলেজ পৰিদৰ্শন কৰি অতিশয় আনন্দিত হলোঁ। এইখন কলেজৰ ভৱিষ্যত প্ৰচুৰ সম্ভাৱনাপূৰ্ণ। এই কলেজে এই অঞ্চলত শৈক্ষিক আৰু সাংস্কৃতিক দিশত নেতৃত্ব দি আৱশ্যকীয় বৰঙণি যোগাব বুলি নিঃসন্দেহে ক'ব পাৰি। মোৰ ক্ষন্তেকীয়া জিৰণিৰ কালত ভালদৰে উপলব্ধি কৰিব পাৰিলোঁ যে এই কলেজৰ অধ্যক্ষ, অধ্যাপক, ছাত্ৰ-ছাত্ৰী, পৰিচালনা সমিতিৰ সদস্য, স্থানীয় ৰাইজ—সকলোৰে আন্তৰিকতাৰে এইখন মহান অনুষ্ঠান অনতিপলমে গঢ়ি তুলিবলৈ দৃঢ় সঙ্কল্প।

হুধৈন কলেজৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ।

—ভগবান চন্দ্ৰ লহকৰ

২৩।৮।৭৩

( অধ্যক্ষ, গুৱাহাটী কমাৰ্চ কলেজ )

● ....The college has sufficient fund at its disposal and I think with the co-operation and zeal of all concerned the institution will grow up remarkably.

I wish the institution a bright future.

A. Jalil

20. 12. 74

(Inspector of Colleges, Gauhati University)

# সূচীপত্ৰ

## ॥ প্ৰবন্ধ ॥


জ্যোতিপ্ৰসাদ আৰু ভাৰতৰ প্ৰগতিশীল সাংস্কৃতিক আন্দোলনৰ ধাৰা ॥ ১ ॥ অধ্যাপিকা চন্দ্ৰলেখা দাস

বৰ্ত্তমান স্কুলীয়া শিক্ষা আৰু প্ৰাথমিক স্তৰত ইয়াৰ বিকাশ ॥ ১৬ ॥ অধ্যাপক হেৰম্ব কুমাৰ ৰাভা

ভাষাৰ জন্মকথা ॥ ২৭ ॥ অধ্যাপক দশৰথ কাকতি

শঙ্কৰদেৱ আৰু অসমীয়া সংস্কৃতি ॥ ৪২ ॥ যতীন থাথলাৰী

On Cultural Problem ॥ 49 ॥ Abdul Mozid Mandal


## ॥ গল্প ॥


॥ ১১ ॥ ভয় / কৰুণা কান্ত ৰায়

॥ ২৪ ॥ মণিকাৰ প্ৰশ্ন / মিচ্ শেৱালি কলিতা

॥ ৩২ ॥ হেৰোৱা জীৱনৰ চকুলো / মিচ্ নীলিমা ৰাভা

॥ ৩৭ ॥ উপায় / মিচ্ দীপামণি কলিতা

॥ ৩৯ ॥ ভেদাভেদ / কুমাৰী ফুল ৰয়


## ॥ কবিতা ॥


চেতনা ॥ ২৩ ॥ দীপক কুমাৰ দাস

উন্মেষ ॥ ২৩ ॥ পূণ্য ৰায়

কোনোবা এটা গ্ৰীষ্মৰ গধূলি ॥ ২২ ॥ অমিয় কুমাৰ ৰাভা

দুটা স্কেচ্ ॥ ১৫ ॥ অনিলেশ্বৰ মজুমদাৰ

চিত্ৰাঙ্কনৰ ভাষা ॥ ৪১ ॥ কেশৱ বসুমতাৰী

অনামিকা ॥ ৪১ ॥ সৌৰভ কুমাৰ পাঠক

It's Time ॥ 48 ॥ Sahadev Das

॥ জীৱনী ॥

॥ ৩৪ ॥ মহাত্মা কবীৰ / মিচ্ ৰঞ্জিতা দাস

- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / ৰঞ্জিত কুমাৰ দত্ত……৫৪
- সঙ্গীত শাখাৰ সম্পাদকৰ প্ৰতিবেদন / দীনেশ দাস……৫৬
- তৰ্ক শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন / মিচ্ শেৱালি কলিতা……৫৭
- খেল শাখাৰ সম্পাদকৰ প্ৰতিবেদন / হৰেকৃষ্ণ খাথলাৰী……৫৮
- Annual Report of Sports Athletic Secretary / Arabinda Hazowary……৬০
- সমাজসেৱা শাখাৰ সম্পাদকৰ প্ৰতিবেদন / অমৰ নাথ……৬১
- ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন / ডালিম নাথ……৬৩

॥ ৬৫ ॥ Results of the Annual College Week—1976-77

॥ ৬৮ ॥ 'জেউতি'ৰ বিষয়-সূচী

॥ ৭২ ॥ সম্পাদকীয়

# ঃ জ্যোতিপ্ৰসাদ আৰু ভাৰতৰ প্ৰগতিশীল সাংস্কৃতিক আন্দোলনৰ ধাৰা ঃ

অধ্যাপিকা চন্দ্ৰলেখা দাস এম. এ., বি. টি.
বুৰঞ্জী বিভাগ।

ভাৰতবৰ্ষৰ সামাজিক-সাংস্কৃতিক আন্দোলনৰ পৰি-প্ৰেক্ষিতত জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক প্ৰতিভাৰ এটা মূল্যায়নৰ প্ৰয়াস কৰাৰ আগতেই মই ইয়াৰ লগত সম্পৰ্কযুক্ত অইন এটা বিষয় সম্পৰ্কে আলোচনা কৰি লব খোজোঁ। সেইটো হ'ল,—কোনো এজন ব্যক্তিৰ প্ৰতিভাৰ সঠিক মূল্যায়নৰ মাপকাঠি কি? কাৰোবাৰ ব্যক্তিগত উপলব্ধি আৰু বিচাৰেই চূড়ান্ত কথা, নে এই ক্ষেত্ৰত ব্যক্তিৰ প্ৰতিভাৰ মূল্যায়নৰ কোনো সাধাৰণ মাপকাঠি আছে? স্থান, কাল আৰু পৰিবেশৰ পৰা বিচ্ছিন্ন কৰি যদি কোনো মানুহৰ প্ৰতিভাৰ মূল্যায়ন কৰিবলৈ যত্ন কৰা হয়, তেন্তে তেনে মূল্যায়ন অনৈতিহাসিক, অসত্য, যুক্তিবৰ্জিত আৰু 'subjective' হৈ পৰাৰ সম্ভাৱনা থাকে। কাৰণ বাস্তৱত কোনো মনিষীৰ চিন্তাই স্থান-কাল-পৰিবেশৰ উৰ্দ্ধত হ'ব নোৱাৰে। গতিকে কোনো ব্যক্তিৰ প্ৰতিভাৰ মূল্যায়নৰ ক্ষেত্ৰত এটা ইতিহাসসন্মত, যুক্তিগ্ৰাহ্য, বিজ্ঞানসন্মত আৰু সাধাৰণীকৃত (Generalised) ধাৰণা থকা উচিত। অৱশ্যে এই ক্ষেত্ৰত এটা কথা মনত ৰাখিব লাগিব যে এনে ধাৰণা এটা বিশেষ সময়ত বিশেষভাৱে আৰু আপেক্ষিকভাৱেহে সত্য। কাৰণ সকলো সত্যই আপেক্ষিক সত্য আৰু বিশেষ সত্য। গতিকে জ্যোতি-প্ৰসাদৰ সাংস্কৃতিক প্ৰতিভাৰ মূল্যায়নৰ ক্ষেত্ৰতো কাৰোবাৰ ব্যক্তিগত উপলব্ধিয়ে মাথোন চূড়ান্ত কথা হ'ব নোৱাৰে। তেওঁৰ সমসাময়িক ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক পৰিৱেশৰ পটভূমিত যুক্তি বিজ্ঞানৰ কষ্টি-পাথৰত প্ৰমাণিত সাধাৰণীকৃত বিশ্লেষণহে গ্ৰহণযোগ্য বুলি বিবেচিত হোৱা উচিত।

প্ৰগতিশীল সংস্কৃতি কি? আকৌ ভাৰতবৰ্ষৰ প্ৰগতিশীল সাংস্কৃতিক আন্দোলনৰ পটভূমিৰ বিষয়ে আভাষ দিয়াৰ আগতেই সাংস্কৃতিক আন্দোলনৰ পৰিপ্ৰেক্ষিতত 'প্ৰগতিশীল', 'প্ৰতিক্ৰিয়াশীল' চিন্তাৰ স্বৰূপ সম্পৰ্কে এটা আলোচনাৰ প্ৰয়োজন। সাধাৰণ-ভাৱে আমি সকলোৱে জানো যে গতিৰ দুটা ধাৰা—এটা প্ৰগতিৰ আৰু আনটো প্ৰতিক্ৰিয়াৰ। যি গতিয়ে আমাক, আমাৰ সমাজক, সাহিত্য, সংস্কৃতি আৰু সমগ্ৰ জীৱনক আগলৈ ঠেলি নিয়ে সেয়ে হ'ল প্ৰগতিৰ

ধাৰা। ইয়াৰ বিপৰীতে যি শক্তিয়ে আমাক পিছলৈ টানে আৰু আমাৰ সামগ্ৰিক অগ্ৰগতিৰ বাটত বাধা হিচাপে থিয় হয় সেয়ে হ'ল প্ৰতিক্ৰিয়াৰ ধাৰা। অৱশ্যে বিজ্ঞানৰ ভাষাত এই প্ৰগতি বা প্ৰতিক্ৰিয়া শব্দ দুটা সদায় আপেক্ষিক। কাৰণ এই সদা-পৰিবৰ্ত্তনশীল সংসাৰত কোনো বস্তুৱে এটা বিশেষ ঠাইত অপৰিবৰ্ত্তনীয় অৱস্থান লৈ থাকিব নোৱাৰে। মানুহৰ চিন্তা-চেতনা, শিল্প-সংস্কৃতিৰ ক্ষেত্ৰতো এই কথাষাৰ সমানেই সঁচা। কাৰণ মানুহৰ ভাৱগত সৃষ্টি, বস্তুজগতৰ সাধাৰণ নিয়মৰ ব্যতিক্ৰম নহয়। সেয়ে ইতিহাসৰ এক বিশেষ স্তৰত যি চিন্তা-চেতনা প্ৰগতিশীল আৰু উচ্চমানবিশিষ্ট বুলি বিবেচনা কৰা হয়, সেই একেটা চিন্তা-চেতনাই ইতিহাসৰ অইন এটা স্তৰত আহি অত্যন্ত হেয় মনৰ আৰু প্ৰতিক্ৰিয়াশীল হৈ যায়। গতিকে কোনো মানুহৰ চিন্তা-চেতনা প্ৰগতিশীল নে প্ৰতিক্ৰিয়াশীল এই কথা বিচাৰ কৰিব লাগিলে এটা বিশেষ সময়ৰ পৰিপ্ৰেক্ষিতহে বিচাৰ কৰিব লাগিব আৰু এই বিচাৰ হ'ব লাগিব আপেক্ষিক। এটা বিশেষ স্থান, কাল, পৰিৱেশত যি সাংস্কৃতিক ধ্যান-ধাৰণাই আমাৰ সমাজক সামগ্ৰিকভাৱে আগুৱাই লৈ যায় সেই সংস্কৃতিয়েই হ'ব প্ৰগতিশীল সংস্কৃতি আৰু সেই একেটা পৰিবেশতেই যি সাংস্কৃতিক ধাৰাই আমাৰ সমাজৰ সামগ্ৰিক বিকাশৰ বাধা হিচাপে থিয় হয় সেই ধাৰাই হ'ব সংস্কৃতিৰ প্ৰতিক্ৰিয়াশীল ধাৰা। গতিকে জ্যোতিপ্ৰসাদৰ চিন্তা-ভাৱনাৰ মাজত আমি যি সাংস্কৃতিক ধাৰাৰ প্ৰতিফলন দেখিবলৈ পাওঁ সেই ধাৰা প্ৰগতিশীল নে প্ৰতিক্ৰিয়াশীল এই কথাৰ বিচাৰ কৰিব লাগিব জ্যোতিপ্ৰসাদৰ সমকালীন সাংস্কৃতিক আন্দোলনৰ বিশেষ আৰু বাস্তৱ অৱস্থাৰ পৰিপ্ৰেক্ষিতেতহে। তাকে নকৰি যদি আজিৰ প্ৰগতিশীল সাংস্কৃতিক আন্দোলনৰ মানৰ লগত জ্যোতিপ্ৰসাদৰ শিল্পকৰ্ম্মৰ তুলনা কৰি কোনো মন্তব্য কৰা হয়, তেন্তে তেনে মন্তব্য হ'ব সম্পূৰ্ণ অনৈতিহাসিক, অবাস্তৱ আৰু অবৈজ্ঞানিক।

**জ্যোতিপ্ৰসাদৰ সমসাময়িক ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক পটভূমিঃ** জ্যোতিপ্ৰসাদৰ প্ৰতিভা বিকাশৰ সময়ছোৱাত আমাৰ দেশৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক পৰিৱেশটো নো কেনে ধৰণৰ আছিল ? জ্যোতিপ্ৰসাদৰ সময়ছোৱা আছিল ভাৰতবৰ্ষত বৃটিছ সাম্ৰাজ্যবাদ-বিৰোধী স্বাধীনতা আন্দোলনৰ উত্তাল জোৱাৰৰ সময়, ভাৰতীয় নৱজাগৰণৰ আন্দোলনৰ সময়। এতিয়া, ভাৰতৰ এই জাতীয় স্বাধীনতা আন্দোলন আৰু ৰেনেছাঁ বা নৱজাগৰণৰ আন্দোলনৰ কিছু বৈশিষ্ট্য আছিল। বিশ্বপ্ৰকৃতিৰ প্ৰতিটো ঘটনা বা বস্তুসত্বাৰ মাজতে আমি পৰস্পৰ বিৰোধী দুটা দিশ দেখিবলৈ পাওঁ। মানব সভ্যতাৰ অগ্ৰগতিৰ ইতিহাসত কোনো এখন দেশৰ জাতীয় মুক্তি আন্দোলনৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। আমাৰ দেশৰ জাতীয় মুক্তি আন্দোলনৰ সমসাময়িক ৰেনেছাঁ বা সাংস্কৃতিক আন্দোলনৰ মাজতো আমি পৰস্পৰ বিৰোধী দুটা ধাৰা দেখিবলৈ পাওঁ। ৰাজা ৰামমোহন ৰায়ৰ পৰাই আমাৰ দেশৰ ৰেনেছাঁ আন্দোলনৰ আৰম্ভণি বুলি কব পাৰি। ৰামমোহন ৰায়ৰ পৰা আৰম্ভ কৰি স্তৰে স্তৰে বিদ্যাসাগৰ, বিবেকানন্দ, অৰবিন্দ, ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ, নজৰুল, প্ৰেমচাঁদ, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ পৰ্য্যন্ত যি সাংস্কৃতিক আন্দোলন আমাৰ দেশত গঢ়ি উঠিছিল তাৰ মাজত দুটা সুস্পষ্ট পৰস্পৰ বিৰোধী ধাৰা লক্ষ্য কৰিবলৈ পোৱা যায়। এটা ধাৰাই সামাজিক কুসংস্কাৰ দূৰীকৰণৰ বাবে চেষ্টা কৰিছিল যদিও এই ধাৰাটো মূলতঃ সাম্ৰাজ্যবাদ, ধৰ্ম্মীয় চিন্তা আৰু সামন্ততান্ত্ৰিক সংস্কাৰৰ লগত আপোচমুখী আছিল। এইটো ধাৰাই কুসংস্কাৰৰ উৰ্দ্ধত উঠি সামাজিক অনাচাৰ, বৈষম্য, অস্পৃশ্যতা আদি উঠাই দিব খুজিলেও বৈপ্লৱিক সংগ্ৰামৰ মাজেদি সমাজৰ আমূল পৰিবৰ্তনৰ চিন্তা কৰা নাছিল। ৰাজনৈতিক ক্ষেত্ৰত এই ধাৰাৰ প্ৰধান

পথপ্ৰদৰ্শক আছিল মহাত্মা গান্ধী আৰু সাংস্কৃতিক দিশত ইয়াৰ প্ৰতিফলন কৰিছিল প্ৰধানতঃ ৰবীন্দ্ৰনাথ প্ৰমুখ্যে শিল্পী-সাহিত্যিকসকলৰ চিন্তাধাৰাত; যিটো ধাৰা বিবেকানন্দ, অৰবিন্দৰ পৰা পৰম্পৰাগত ভাৱে শক্তিশালী হৈ আছিল। আনটো ধাৰাত প্ৰতিফলিত হৈছিল বলিষ্ঠ, বিপ্লৱাত্মক, আপোচহীন, পাৰ্থিৱ মানৱতাবাদী চিন্তা। ৰাজনৈতিক ক্ষেত্ৰত এই ধাৰাৰ গুৰি ধৰোঁতা আছিল সুভাষচন্দ্ৰ বসু প্ৰমুখ্যে বৃটিছ সাম্ৰাজ্যবাদ-বিৰোধী ব্যক্তিসকল আৰু সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে ইয়াৰ প্ৰতিফলন ঘটিছিল বিদ্যাসাগৰকে আদি কৰি শৰৎচন্দ্ৰ, নজৰুল, জ্যোতিপ্ৰসাদ আৰু প্ৰেমচাঁন্দৰ চিন্তাধাৰাত। যদিও মূলতঃ এই ধাৰাটোৱেও বুৰ্জোৱা মানৱতাবাদৰ গণ্ডীক চেৰাই যাব পৰা নাছিল তথাপিও সাম্ৰাজ্যবাদ, সামন্ততান্ত্ৰিক শোষণ, ধৰ্মীয় কুসংস্কাৰ, সামাজিক বৈষম্য আদিৰ বিৰুদ্ধে এই ধাৰাটো তুলনামূলকভাৱে বলিষ্ঠতৰ আৰু আপোচহীন আছিল। কিন্তু এই দুটা ধাৰাৰ ভিতৰত গান্ধী-ৰবীন্দ্ৰনাথ চিন্তাৰ দ্বাৰা প্ৰভাৱিত আপোচমুখী মানৱতাবাদী ধাৰাটোৰ প্ৰভাৱেই ভাৰতীয় গণমানসত মুখ্য (Dominant) আছিল আৰু আপোচ-হীন বলিষ্ঠ মানৱতাবাদী ধাৰাটোৰ প্ৰভাৱ তুলনামূলক-ভাৱে আছিল।

বুৰ্জোৱা মানৱতাবাদী চিন্তাৰ এই দুটা পৰস্পৰ বিৰোধী ধাৰাৰ ভিতৰত কোনো কোনো ক্ষেত্ৰত আপোচহীন বলিষ্ঠ ধাৰাটোৰ প্ৰতি জ্যোতিপ্ৰসাদৰ আকৰ্ষণ তত্বগত ফালৰপৰা স্পষ্ট যেন লাগিলেও বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী জাতীয় মুক্তি আন্দোলনৰ বাস্তৱ ক্ষেত্ৰত মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত আপোচ-মুখী ধাৰাটোৱে তৎকালীন ভাৰতীয় ৰাজনৈতিক আকাশ ছানি পেলোৱা কাৰণে জ্যোতিপ্ৰসাদৰ পক্ষে মহাত্মা গান্ধীৰ ৰাজনৈতিক নেতৃত্বৰ প্ৰভাৱক অস্বীকাৰ কৰা সম্পূৰ্ণভাৱে সম্ভৱ হোৱা নাছিল। সেই কাৰণে সাংস্কৃতিক ক্ষেত্ৰত তেওঁৰ মতাদৰ্শগত বিশ্বাস আৰু ৰাজনৈতিক জীৱনত তেওঁ গ্ৰহণ কৰা ভূমিকা—এই দুটাৰ মাজত আমি এটা অদ্ভুত অসামঞ্জস্যপূৰ্ণ টনা আজোৰা লক্ষ্য কৰিব পাৰো। (এই থিনিতে প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে জ্যোতিপ্ৰসাদ আগৰৱলাই পৰিণত বয়সত ক্ৰমবৰ্দ্ধমানভাৱে, সাম্যবাদী আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। কিন্তু বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী জাতীয় স্বাধীনতা আন্দোলনত ভাৰতৰ তৎকালীন সাম্যবাদীসকলৰ কোনো উল্লেখযোগ্য ভূমিকা নাছিল। বৰং কোনো কোনো ক্ষেত্ৰত এওঁ-লোকে বৃটিছৰ লগত সহযোগিতাহে কৰিছিল।) গান্ধী, ৰবীন্দ্ৰনাথ, অৰবিন্দৰ ধাৰা সম্পৰ্কে জ্যোতিপ্ৰসাদে নিজেই এইদৰে কৈছে,—"শ্ৰীঅৰবিন্দ আৰু গান্ধী-প্ৰতিভাইহে ভাৰতীয় মহামনটোৰ সমাধি ভগাৰ বাতৰি দিছে আৰু এক অভিনৱ সভ্যতা আৰু কৃষ্টিৰ সূচনা কৰিছে।·······যোৱা শতাব্দীৰ পৰা ভাৰতীয় মহামনৰ পুনৰুভ্যুদয় হয়। আমি তাৰ জাননী পাইছিলো স্বামী-বিবেকান্দৰ প্ৰতিভাৰ পৰা আৰু দেখাকৈয়ে চিন ওলাল ৰবীন্দ্ৰ-প্ৰতিভা বিকাশৰ পৰা।" (জ্যোতিধাৰা) বৃটিছ সাম্ৰাজ্যবাদ বিৰোধী আশা-আকাঙ্ক্ষাৰ ফলত দেশত যি এটা ৰাজনৈতিক জাগৰণ পৰিলক্ষিত হৈছিল তাৰ গুৰি হিচাপে গান্ধী, অৰবিন্দ, ৰবীন্দ্ৰনাথৰ ওপৰত বিশ্বাস ৰাখি তেওঁ আশা কৰিছিল।

মহাত্মা গান্ধীৰ নেতৃত্বত স্বাধীনতাকামী বুৰ্জোৱা শ্ৰেণীয়ে বৃটিছ সাম্ৰাজ্যবাদৰ লগত আপোচৰ জৰিয়তে স্বাধীনতা অহাটো বিচাৰিছিল; কিন্তু ৰাষ্ট্ৰযন্ত্ৰৰ আমূল পৰিবৰ্তনৰ আহিত যি বিপ্লৱ, তেনে বিপ্লৱৰ মাজেৰে নহয়। বৃটিছ ৰাষ্ট্ৰযন্ত্ৰৰ কাঠামোৰ ওপৰতেই তেওঁলোকে ভাৰতীয় শাসনযন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। বিপ্লৱৰ আহিৰে আন্দোলন কৰিবলৈ গলে সেই ৰাষ্ট্ৰযন্ত্ৰ ভাঙি যাব পাৰে বুলিয়ে তেওঁলোকে বৃটিছৰ লগত আপোচৰ যোগেদি স্বাধীনতা আনিব খুজিছিল আৰু

ইয়াৰ পৰাই উদ্ভৱ হৈছিল মহাত্মা গান্ধীৰ অহিংসা নীতি। এই প্ৰসঙ্গতে গান্ধীবাদ সম্পৰ্কে ভাৰতৰ এজন বিশিষ্ট মাৰ্কসবাদী দাৰ্শনিক শিৱদাস ঘোষৰ উক্তি উল্লেখযোগ্য—"Gandhism is a sublimatic transformation of bourgeois class-instinct originated through the process of fusion between the senses of bourgeois moral values and anti-working class fear-complex of revolution of Gandhi." ভাৰতীয় জাতীয় বুৰ্জোৱা শ্ৰেণীৰ কাৰণে স্বাধীনতাৰ প্ৰয়োজন, কিন্তু সৰ্ব্বহাৰা বিপ্লৱৰ প্ৰতি ভয়ৰ চিনস্বৰূপে মহাত্মা গান্ধীৰ যি অহিংসা নীতিৰ উদ্ভৱ হৈছিল তাৰ সুস্পষ্ট প্ৰভাৱ সমগ্ৰ জাতীয় মুক্তি আন্দোলনৰ ধাৰাতে পৰিলক্ষিত হৈছিল। জাতীয় মুক্তি আন্দোলনত যদিও দেশৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণে অংশ গ্ৰহণ কৰিছিল তথাপিও এই আন্দোলনত অংশ গ্ৰহণকাৰী ভিন ভিন শ্ৰেণীৰ ভিন ভিন দৃষ্টিভঙ্গী আছিল। জাতীয় বুৰ্জোৱা শ্ৰেণীয়ে তেওঁলোকৰ শ্ৰেণী স্বাৰ্থতে দেশৰ ৰাষ্ট্ৰযন্ত্ৰটোক অক্ষত অৱস্থাত আয়ত্ব কৰিব খুজিছিল আৰু সেই কাৰণে তেওঁলোকৰ ভূমিকা আছিল সংস্কাৰপন্থী, বিকল্পবাদী (Reformist appositional)। আনহাতে, দেশৰ সাধাৰণ ৰাইজে জাতীয় বুৰ্জোৱা শ্ৰেণীৰ এই বিশেষ শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ প্ৰতি সচেতন নোহোৱাকৈয়ে বৃটিছ সাম্ৰাজ্যবাদী শোষণৰ বিৰুদ্ধে জাতীয় মুক্তি আন্দোলনত যোগদান কৰি পূৰ্ণ স্বাধীনতা লাভ কৰিব বিচাৰিছিল। জ্যোতিপ্ৰসাদেও স্বদেশ প্ৰেমৰ আদৰ্শ আৰু স্বাধীনতাৰ আকাঙ্খাৰ দ্বাৰা উদ্বুদ্ধ হৈ এই জাতীয় মুক্তি আন্দোলনত জঁপিয়াই পৰে। জাতীয় মুক্তি আন্দোলনৰ এই ধাৰাটো মূলতঃ আপোচ-মুখী সংস্কাৰবাদী বিকল্পপন্থী হোৱা সত্বেও আন্দোলনৰ কোনো কৰ্ম্মসূচী ৰূপায়ণৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদৰ স্বকীয় বলিষ্ঠ দৃষ্টিভঙ্গী ফুটি উঠিছিল। "জ্যোতিপ্ৰসাদে ......বঙ্গদেশৰ আন্দোলনৰ গুৰি ধৰোঁতা অন্নদা চৌধুৰীৰৰ সৈতে আৰু ডাঃ ৰামমনোহৰ লোহিয়াৰ সৈতে লগ লাগে গৈ। সেই সময়ত অল্ ইণ্ডিয়া কংগ্ৰেছ কমিটীৰ বাহিৰত থকা মেম্বাৰৰ ভিতৰত অন্নদা চৌধুৰী, ৰামমনোহৰ লোহিয়া, সুচেতা কৃপালনী, অৰুণা আছফ আলি, অচ্যুত পটপৰ্দ্ধন আৰু পিছত জয়প্ৰকাশ (জেলৰ পৰা ওলাই আহে) এই কেইজনেই আন্দোলনৰ কাৰ্য্যসূচী কৰি—গোটেই ভাৰততেই আকৌ এক আন্দোলনৰ নৱ পৰ্য্যায় আৰম্ভ কৰিব লাগে বুলি টানকৈ ধৰে। আৰু সেই সূত্ৰেই তেওঁ এখন নতুন কাৰ্য্যসূচী তেওঁলোকৰ আগত দাঙি ধৰে। অন্নদা চৌধুৰী, সুচেতা কৃপালনী ওলায়, কিন্তু আন কেইজনে এই কাৰ্য্যসূচী সম্ভৱপৰ নহব বুলি আপত্তি কৰে। পিছত এই কাৰ্য্যসূচী অন্নদা চৌধুৰীয়ে বিভিন্ন প্ৰদেশৰ অনুমোদনৰ কাৰণে পঠাই দিয়ে—আৰু বিহাৰ, বঙ্গ, উৰিষ্যা, মাদ্ৰাজ, মহাৰাষ্ট্ৰৰ পৰা এই কাৰ্য্যসূচীৰ অনুমোদন পায়। এই কাৰ্য্যসূচী সম্পূৰ্ণকৈ কাৰ্য্যত পৰিণত কৰিবলৈ সম্ভৱ নোহোৱাত তাৰ শেষৰ দফা 'গান্ধীযাত্ৰা কাৰ্য্যত পৰিণত হয়।" (বনমালী কাকতি, লভিতাৰ পৰিশিষ্ট)

গতিকে জ্যোতিপ্ৰসাদৰ কাৰ্য্যসূচীৰ মাজত তেওঁৰ নিজস্ব বৈশিষ্ট্যৰ প্ৰতিফলন ঘটা বুলি আমি কব পাৰোঁ। কিন্তু তেওঁৰ স্বকীয় বৈশিষ্ট্যই পূৰ্ণ বিকাশ তেতিয়াৰ স্বাধীনতা আন্দোলনৰ পটভূমিত পাব পৰা নাছিল। তেওঁ সাম্যবাদী আদৰ্শৰ প্ৰতি যি আকৰ্ষিত হৈছিল সেয়া মহাত্মা গান্ধীৰ Non-violence আৰু Non-secrecy নীতিৰ লগত আপোচ কৰিবলৈ বাধ্য হৈছিল। "শ্ৰীৰাজ্য গোপালাচাৰীয়ে অনশনৰ সময়ত মহাত্মাক দেখা কৰোঁতে মহাত্মাই তেওঁক জানিবলৈ দিয়ে যে মহাত্মাই কংগ্ৰেছ কৰ্ম্মীৰ পৰা দুটা কথা বিচাৰে। এটা হৈছে Non-violence আৰু আনটো হৈছে Non-secrecy। গোপনভাৱে কোনো কাৰ্য্যকে

নকৰা, আনকি মহাত্মাই গোপনভাৱে কংগ্ৰেছ বুলেটিন উলিয়াৰো বিৰোধী। মহাত্মাই জানিবলৈ দিয়ে যে যিবোৰ কংগ্ৰেছ কৰ্ম্মীয়ে আত্মগোপনকৈ ফুৰিছে তেওঁলোকে মহাত্মাৰ আৰু কংগ্ৰেছৰ আদৰ্শ খৰ্ব্ব কৰিছে, তেওঁলোকে তৎক্ষণাৎ আত্মসমৰ্পণ কৰা উচিত। জ্যোতি প্ৰসাদ আৰু আন আন আত্মগোপনকৈ থকা কংগ্ৰেছ কৰ্ম্মীসকল বৰ দোধৰ-মোধৰত পৰিল। এই অৱস্থাতে তেওঁ প্ৰায় আৰু তিনি মাহ থকাৰ পিছত— আত্মসমৰ্পন কৰি জেলত সোমাই থকা স্থিৰ কৰি ১৯৪৩ৰ আগষ্ট মাহত তেজপুৰত গৈ আত্মসমৰ্পণ কৰে।" ( লভিতাৰ পৰিশিষ্ট, বনমালী কাকতি )

এহাতে মহাত্মা গান্ধীৰ আপোচমুখী আন্দোলনৰ প্ৰভাৱ আনহাতে তেওঁৰ নিজৰ আপোচহীন সংগ্ৰামী মনৰ মাজত যি দ্বন্দ্ব-সংঘাত চলিছিল তাৰ প্ৰকাশ কিছুমান কবিতাতো দেখিবলৈ পোৱা যায়। যেনে—

বুকুৰ ভিতৰত হিংসা বাঘে
যেন পিঞ্জৰাত বনাই :
গুজৰি-গুমৰি বাৰে বাৰে
আহিৰ খোজে ওলাই
অহিংস বাণীৰে তাক খুচি খুচি
থওঁ ভিতৰলৈ সুমাই
তথাপিও সি মাটিত কামুৰি
আছে গোৰগোৰাই।"

( ভলন্টিয়াৰৰ দুখ )

সমাজ আৰু সংস্কৃতিৰ বৈপ্লৱিক ৰূপান্তৰৰ ধাৰণা—

"ৰূপান্তৰেহে মাথো
জগৎ ধুনীয়া কৰে
এয়ে মোৰ গায়ত্ৰী মন্ত্ৰ"

বুলি ভবা জ্যোতিপ্ৰসাদৰ পৰিণত চিন্তাত ঐতিহাসিক বস্তুবাদ আৰু সামগ্ৰিকভাৱে প্ৰগতিশীল চিন্তাৰ প্ৰভাৱ লক্ষ্য কৰা যায়।

বিপ্লৱৰ মহাচক্ৰ ঘুৰে
নতুন সৃষ্টিৰ অগ্নিবীজ দিশে দিশে উৰে
নতুন পৃথিৱীখন উজ্বলি উঠিছে দূৰে দূৰে"

বুলি তেওঁ দূৰৰ দেশ ৰাচিয়াৰ ওপৰত বিপ্লৱৰ মহাচক্ৰ ঘুৰাৰ ফলত কিদৰে নতুন পৃথিৱীখন জিলিকি উঠিছে তাক দেখি মাৰ্কচবাদী-লেনিনবাদী আদৰ্শৰ প্ৰতি প্ৰবলভাৱে আকৃষ্ট হৈছিল। তেওঁ অনুভৱ কৰিছিল যে "বিনা সংঘাতৰে দুষ্কৃতিৰ দমন নহয়। আজি আমাৰ সংস্কৃতিসেৱীৰ প্ৰধান কৰ্ত্তব্য হৈছে আমাৰ দেশত যি ক্ষেত্ৰতেই দুষ্কৃতিৰ প্ৰদুৰ্ভাব হৈছে সেই ক্ষেত্ৰতেই তাক সমূলঞ্চে নিৰ্মূ্ল কৰাটো। দুষ্কৃতিক বিনাশ কৰি সংস্কৃতি প্ৰতিষ্ঠা কৰাৰ সংহত উপায় হৈছে বিপ্লৱ। সংস্কৃতি-সৃষ্টিৰ বিপ্লৱেই হৈছে সমূৰ্ত্ত অভিযান। সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ বিপ্লৱ সদায় সৃষ্টিমূলক আৰু সাংস্কৃতিক হ'ব লাগিব। সিহে আচল বিপ্লৱ। যি বিপ্লৱৰ কণ্ঠত অভিনৱ সৃষ্টিৰ ওঙ্কাৰ নাই, গান নাই, সি বিপ্লৱ নহয়। যি সামাজিক, নৈতিক অৰ্থনৈতিক বা ৰাষ্ট্ৰীক মুঠতে সাংস্কৃতিক, এক অভিনৱ পৰিৱৰ্ত্তনলৈ সমাজ যাবলৈ ভূমিকম্প কৰে সেয়েই বিপ্লৱ? ( জ্যোতিধাৰা ) "এক অভিনৱ পৰিৱৰ্ত্তনলৈ সমাজ যাবলৈ" হ'লে যি প্ৰলয়কাণ্ডৰ সৃষ্টি কৰে তাক উপলব্ধি কৰিও তেওঁ কেৱল নতুন নিকা সমাজ এখন প্ৰতিষ্ঠাৰ কাৰণেই বিপ্লৱক স্বাগতম্ জনাইছে। প্ৰলয় হ'ব হওঁক—প্ৰলয়ৰ, প্ৰয়োজন হৈছে। শতাব্দী জুৰি স্তুপীকৃত হৈ থকা আবৰ্জনাবোৰ ধুই পখালি সমাজক নিৰ্ম্মল আৰু পবিত্ৰ কৰিবলৈ এক প্ৰলয়ৰ অতি আৱশ্যক হৈছে" ( কাৰেঙৰ লিগিৰি) পুৰণিৰ ধ্বংস আৰু নতুনৰ সৃষ্টিৰ এনে বৈপ্লৱিক আদৰ্শৰ প্ৰতি বিশ্বাস থকা সত্বেও মহাত্মা গান্ধীৰ ৰাজনৈতিক আন্দোলনৰ আপোচমুখী চিন্তাধাৰা আৰু কৰ্ম্মধাৰাৰ লগত এই আদৰ্শৰ যি দ্বন্দ্ব-সংঘাত আছিল তাৰ প্ৰভাৱ তেওঁৰ শিল্প কৰ্ম্মতো নকৰাকৈ থকা নাছিল। তাৰেই ফলস্বৰূপে উদ্ভৱ হোৱা হতাশাৰ প্ৰতিফলন

জ্যোতিপ্ৰসাদৰ শিল্প-কৰ্ম্মত লক্ষ্য কৰিবলৈ পোৱা যায়। এই হতাশাৰ চিনস্বৰূপেই সৃষ্টি হৈছিল "কাৰেঙৰ লিগিৰী" নাটকৰ "কাঞ্চনমতী" আৰু "শেৱালীৰ" দৰে দুটি নিষ্পাপ চৰিত্ৰ—যি চৰিত্ৰই শেষত আত্মহত্যাৰ জৰিয়তে নিজক ৰক্ষা কৰিব লগা হয়। এইয়া হয়তো জ্যোতিপ্ৰসাদৰ হতাশাগ্ৰস্থ বিপ্লৱী মনৰ দ্বিধাগ্ৰস্থ প্ৰকাশ। সেই বাবেই তেওঁৰ "কাৰেঙৰ লিগিৰীৰ" বলিষ্ঠ চৰিত্ৰ সুন্দৰ কোঁৱৰে সমাজৰ সকলো বাধা-নিষেধ অতিক্ৰম কৰি সমাজখন ভাঙি পেলাবলৈ ওলাইছে যদিও শেষত তেওঁ সমাজৰ বন্ধনৰ ওচৰত হাৰ মানিবলগা হয় শেৱালীৰ আত্মহত্যাৰ পিছত। সুন্দৰে বিপ্লৱৰ প্ৰয়োজন অনুভৱ কৰিছে, কিন্তু কোন পথেদি গলে প্ৰকৃত বিপ্লৱৰ পথ ওলাব বিচাৰি উলিয়াব পৰা নাই। আকৌ "লভিতা" নাটকতো লভিতাই নেতাজীৰ আজাদ-হিন্দ-ফৌজৰ সশস্ত্ৰ আন্দোলনৰ লগত যুক্ত হৈ শেষত মৃত্যু বৰণ কৰে। মহাত্মা গান্ধীৰ অহিংসা আন্দোলনত জড়িত জ্যোতিপ্ৰসাদে তেওঁৰ মানস প্ৰতিমা লভিতাক সুভাষচন্দ্ৰ বসুৰ আন্দোলনৰ ধাৰাৰ লগত সাঙুৰি দিয়াৰ মাজতো তেওঁৰ মতাদৰ্শ আৰু বাস্তৱ জীৱনৰ কৰ্ম্মপন্থাৰ মাজত মানসিক দ্বন্দ্ব সংঘাতৰ প্ৰতিফলন হোৱা দেখা যায়।

কিন্তু তেওঁ যদি ভাৰতৰ জাতীয় স্বাধীনতাৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত প্ৰকৃত সৰ্ব্বহাৰা নেতৃত্বৰ বাস্তৱ সংস্পৰ্শত আহিব পৰিলেহেঁতেন, তেনেহ'লে আমাৰ দেশত তেওঁৰ ভাবাত "দুস্কৃতিমুক্ত সংস্কৃতিবান" সমাজপ্ৰতিষ্ঠাৰ সপোন বাস্তৱলৈ ৰূপান্তৰিত হ'ল-হেঁতেন। মেক্সিম গৰ্কীৰ সাংস্কৃতিক ধ্যান ধাৰণা যেনেকৈ লেনিনৰ সৰ্ব্বহাৰা নেতৃত্বৰ সংস্পৰ্শত এক বিজ্ঞান-সন্মত সৰ্ব্বহৰাৰ সংস্কৃতিৰ ৰূপ পাইছিল, বেৰটোল্ট ব্ৰেখ্‌টে যেনেকৈ জাৰ্ম্মান কমিউনিষ্ট পাৰ্টিৰ ঘনিষ্ঠ সংস্পৰ্শত নিজৰ সাংস্কৃতিক ভাবাদৰ্শক এটা পৰিণত ৰূপ দিব পাৰিছিল, জ্যোতিপ্ৰসাদৰ ক্ষেত্ৰতো সেইটো সম্ভৱ হ'লহেঁতেন যদি তৎকালীন ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আগভাগত যথাৰ্থ সৰ্ব্বহাৰা বিপ্লৱী নেতৃত্ব থাকিলেহেঁতেন আৰু যদি এই ৰাজনৈতিক আন্দোলনে সঠিক সাম্যবাদী দলৰ নেতৃত্বত পৰিচালিত সুস্থ সাংস্কৃতিক আন্দোলনৰ কৰ্ম্মসূচীক সাঙুৰি ল'ব পাৰিলেহেঁতেন। যদিও তেওঁ অনুভৱ কৰিছিল "মানুহৰ মাজত যি অৰ্থনৈতিক অসামঞ্জতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপচুকৈ থৈছে, অসুন্দৰ কৰি থৈছে, সেই ভাগতো সৌন্দৰ্য্য নমাবলৈ মানুহৰ নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য্য প্ৰয়াস হৈছে সাম্যবাদ।" (জ্যোতিধাৰা) তথাপিও তেওঁ তাৰ পূৰ্ণ ৰূপ বাস্তৱ জগতত দিব নোৱাৰিলে তেতিয়াৰ সমাজ পৰিস্থিতিৰ পটভূমিত। ব্ৰেখ্‌টে যিদৰে ভাবিছিল "শিল্পক যদি ৰাজনীতি বিচ্ছিন্ন কৰাৰ চেষ্টা কৰা হয়, তেতিয়াহলে সেই শাসক শ্ৰেণীৰ হাতিয়াৰত পৰিণত হয়," সেইদৰে জ্যোতিপ্ৰসাদাও কৈছিল, গভৰ্ণমেণ্টৰ শাসননীতিৰ তেজৰ টোপাল আনি, তাক শিল্পীৰ সূক্ষ্ম বিশ্লেষণৰ অণুবীক্ষণৰ তলত থৈ তাত দুষ্কৃতিৰ বীজাণু আছে নে নাই তাক চোৱাটো দেশত সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ ওলোৱা শিল্পীৰ অপৰিহাৰ্য্য কৰ্ত্তব্য" (জ্যোতিধাৰা)

জ্যোতিপ্ৰসাদৰ লিখনিৰ ওপৰত এজন ব্যক্তিৰ প্ৰভাৱ পৰিছিল, যিজনে উদাত্ত কণ্ঠেৰে ঘোষণা কৰিছিল —Art for the people, the people for the art. বিশ্বজনতাক সাৱটি ধৰি যি নতুন সংস্কৃতিৰ সৃষ্টি হব সেয়ে প্ৰকৃত সংস্কৃতি বুলি বিশ্বাস কৰা এইজন ব্যক্তি আছিল ৰমাঁ ৰ'লাঁ। ৰ'লাঁৰ এই দৃষ্টিভঙ্গীৰ যথেষ্ট সাদৃশ্য আছে—"যি যিমান উচ্চ সংস্কৃতি সি সিমান বহল হৈ জনতাক সামৰিব লাগিব। যি সংস্কৃতি বিশ্ব-শৃঙ্গলৈ উঠিব তাৰ ভেটি বান্ধিব লাগিব বিশ্ব-জনতাৰ ওপৰত, বিশ্বজনতাৰ হৃদয়ত, মনত, দুখত, আনন্দত।"

বিপ্লৱ সম্পৰ্কেও দুয়োজন মনিষীৰ দৃষ্টিভঙ্গীৰ মাজত যথেষ্ট সামঞ্জস্য দেখিবলৈ পোৱা যায়—"বিপ্লৱে যদিও

আমাৰ মাজত এটা ভয়াবহতাৰ সৃষ্টি কৰি ধ্বংসাত্মক মনোভাৱ জগাই নানা বিপৰ্যয় সংঘটিত কৰে এটা কদাকাৰ দৈত্য ৰূপেৰে, কিন্তু তথাপি সি তাৰ মৃৰত ভাৰ বৈ আনে এক নব-সংস্কৃতিৰ নতুন সৃষ্টিৰ মণি সম্ভাৰ।"

ৰূপান্তৰ সম্পৰ্কে জ্যোতিপ্ৰসাদৰ সুন্দৰ সমুন্নত চিন্তাৰ প্ৰকাশ পাওঁ তেওঁৰ কবিতাত—

"মানুহক মই ন' ৰূপ দিম
পৃথিবীখনক পুনৰ গঢ়িম
মোৰ ই দৃষ্টিৰ নতুন সৃষ্টি অৱশ্য অব্যৰ্থ।

**সত্যৰ সংজ্ঞা আৰু সংস্কৃতিৰ স্বৰূপ:**

সদা পৰিবৰ্তনশীল পৃথিৱীত সত্য সম্পৰ্কে তেওঁৰ ধাৰণা আছিল বিজ্ঞানসন্মত সেয়ে তেওঁ উপলব্ধি কৰিছিল যে "চিৰন্তন সত্য বা সনাতন সত্য নাই। বেলেগ বেলেগ অৱস্থাত সত্যৰ বেলেগ বেলেগ প্ৰকাশ।" জীৱনৰ আগছোৱাত জনতাৰ মুক্তিৰ কাৰণে ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰি তেওঁ যেনেকুৱা এখন শোষণমুক্ত সুস্থ সাংস্কৃতিক সমাজৰ সপোন দেখিছিল যেতিয়া স্বাধীনতাৰ পিছত তেওঁৰ কল্পিত সমাজখন বাস্তৱত ৰূপ নললে তেতিয়াই 'আজীৱন কংগ্ৰেছকৰ্মী কোনো ত্যাগলৈ কুণ্ঠা নকৰি কংগ্ৰেছৰ নিৰ্দেশ পালন কৰি অহা' জ্যোতিপ্ৰসাদে তেওঁৰ সপোনৰ বাস্তৱ ৰূপায়ণ সম্পৰ্কে মনোভাৱ প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। "আজি মহাত্মাক গুৰু মানি বৃটিছ শাসনৰূপী দুস্কৃতিৰে যুঁজি জয়যুক্ত হোৱা কংগ্ৰেছ গান্ধী সংস্কৃতিৰ পৰা ভ্ৰষ্ট হব ধৰিছে বুলি দেশময় এটা হাহাকাৰ উঠিছে। আছি ৰাষ্ট্ৰ-ক্ষমতাৰ বাৰুণী সুৰাই কংগ্ৰেছৰ মূৰ আচন্নাই কৰিছে নেকি? দেশলৈ স্বাধীনতা অহাৰ পিছতো স্বাধীনতাক সন্দেহ কৰিবলগীয়া হৈছে কিয়? জনতাক ভালপোৱা, দেশক ভালপোৱা, সংস্কৃতিৰ সেৱকসকল আমাৰ নিজৰ স্বাধীন গৱৰ্ণমেণ্টৰ দ্বাৰাই ধৰ্ষিত হবলগীয়া হৈছে কিয়? সিদিনালৈকে দেৱতা যেন দেখা আমাৰ দেশৰ নেতাসকলক আজি জনতাই কিয় সন্দেহ কৰিবলৈ ধৰিছে? ......আজি আমাৰ শিল্পীৰ মনত ঘোৰ সন্দেহ উপস্থিতি হৈছে। ......আজীৱন কংগ্ৰেছকৰ্মী কোনো ত্যাগলৈ কুণ্ঠা নকৰি কংগ্ৰেছৰ নিৰ্দেশ পালন কৰি অহা শিল্পীৰ মই আজি অন্তৰে অন্ততে অনুভৱ কৰিছোঁ যে There is something wrong in the state of Denmark"

সত্যোপলব্ধিৰ ধাৰণাৰ লগত সঙ্গতি ৰাখি জ্যোতি-প্ৰসাদে 'সংস্কৃতি' শব্দটো এক বহল-ব্যাপক অৰ্থত গ্ৰহণ কৰিছিল আৰু ইয়াক তেওঁ 'দুস্কৃতি' শব্দটোৰ বিপৰীত অৰ্থেহে ব্যৱহাৰ কৰিছিল, সেইটো বিশ্লেষণ কৰিলে ধাৰণা হয় যে দ্বন্দ্বমূলক বস্তুবাদৰ আদৰ্শই তেওঁৰ চেতনা-প্ৰবাহৰ ওপৰত অতি গভীৰভাৱে ৰেখাপাত কৰিছিল। সেয়ে 'সংস্কৃতি' শব্দটোক তেওঁ সমগ্ৰ মানৱ সভ্যতাৰ অগ্ৰগতিৰ পৰিপূৰক অৰ্থতহে ব্যৱহাৰ কৰিছিল আৰু যিয়ে এই অগ্ৰগতিৰ ধাৰাক ব্যাহত কৰিছিল তাকে তেওঁ 'দুস্কৃতি' বুলি আখ্যা দিছিল। মুঠ কথাত সংস্কৃতি বোলোতে তেওঁ এই পৰিবৰ্তনশীল বিশ্বপ্ৰকৃতিৰ সত্যৰ স্বৰূপ উপলব্ধিৰ কাৰণে মানৱ জাতিৰ যি নিৰৱছিন্ন প্ৰয়াস চলি আহিছে তাকে বুজাইছিল। তেওঁৰ নিজৰ ভাষাতে কব পাৰি, "দুস্কৃতি আৰু বিকৃতি বিজয়ৰ কাৰণে মানুহৰ অমোঘ অস্ত্ৰ হৈছে পূৰ্ণ জ্ঞান। জ্ঞান সত্যৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণেই সংস্কৃতিৰ সোণৰ মন্দিৰৰ বৰভেটি সত্য। মানৱৰ গোটেই বিকাশেই যেতিয়া মই সাংস্কৃতিক অভিযান বুলিছোঁ— তেতিয়া বোধকৰো মই কিয় শিল্পী হৈ সংস্কৃতি প্ৰসঙ্গত ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি, অৰ্থনীতি, দৰ্শন, বিজ্ঞান আৰু সুকুমাৰ কলাৰ কথা একেলগে সামৰি কওঁ বুজিব পাৰিছে। আচলতে মানুহৰ জীৱনটো এটা অবিভাজ্য গোট" (জ্যোতিধাৰা)। আকৌ এই

প্ৰসঙ্গতে তেওঁ কৈছে—"যি কথাই, যি কামে, যি চিন্তাই, যি প্ৰয়াসে, যি প্ৰচেষ্টাই মানুহক আৰু মানুহৰ বাস্তৱ জীৱনক সুন্দৰ আৰু মহান কৰে, মানুহক বৰ্ব্বৰ প্ৰকৃতিৰ পৰা, মানুহক তাৰ আদিম পৰিবেশৰ পৰা ওপৰলৈ তুলি নি দিব্য প্ৰকৃতি দিয়ে, এই পৃথিবীৰ বাস্তৱ-জীৱন ধুনীয়া কৰি, মনোময় কৰি, মানুহক মানুহ-জীৱনৰ সুখ, শান্তি আৰু আনন্দ পাবলৈ লৈ যায় সিয়েই হৈছে সংস্কৃতি। মানুহৰ সেই কথাই, সেই কামেই চিন্তা, সেই জীৱনৰ সকলো বিভাগৰ প্ৰচেষ্টা আৰু প্ৰয়াসেই হৈছে সংস্কৃতি। মানৱ জীৱনৰ সংঘাত-বিঘাতৰ সাৰথি হৈছে সংস্কৃতি। আনফালে যিবোৰ কথাই, কামে, চিন্তাই, প্ৰয়াসে আৰু প্ৰচেষ্টাই মানুহক তলৰ খাপলৈ নমাই নি মানুহৰ জীৱনক দুঃখময়, ব্যাধিময়, দুৰ্নীতিময় কৰি নিৰানন্দময় কৰি তোলে, মানুহক মানুহ গুছাই পিশাচ কৰে, অসুৰ কৰে—সিয়েই দুস্কৃতি।"

ভবিষ্যত অসম আৰু অসমীয়া সংস্কৃতি :

জ্যোতিপ্ৰসাদ এহাতে যেনেকৈ বলিষ্ঠতাৰে বিপ্লৱৰ অভ্যুদয় কামনা কৰিছিল আনহাতে তেওঁ আছিল এজন হাড়ে-হিমজুৱে অসমীয়া। অসম আৰু অসমীয়া সংস্কৃতিক লৈ তেওঁ যথেষ্ট গৌৰৱ অনুভৱ কৰিছিল। অৱশ্যে ভৱিষ্যত অসম আৰু অসমীয়া সংস্কৃতি সম্পৰ্কে জ্যোতিপ্ৰসাদৰ এটা সুসমন্বিত দৃষ্টিভঙ্গী আছিল, সেই কথা আমি তেওঁৰ লিখনিৰ পৰাই ধৰিব পাৰোঁ। অসমীয়া দুজন ব্যক্তিক তেওঁ অতি শ্ৰদ্ধাৰে সৈতে সুঁৱৰিছিল আৰু তেওঁলোকৰ প্ৰতিভাৰ যথাৰ্থ মূল্যায়ণ কৰিবলৈ প্ৰয়াস কৰিছিল। এজন হৈছে অসমীয়াৰ জাতীয় গুৰু শঙ্কৰদেৱ আৰু আনজন হৈছে লক্ষ্মীনাথ বেজবৰুৱা। বৈপ্লৱিক মনোবৃত্তিৰ মহাকলাকাৰ শঙ্কৰদেৱে যিদৰে পুৰণিক আঁতৰাই পুৰণিৰ ভিতৰত যিখিনি নতুনৰ লগত খাপখোৱা তাক ৰাখি নতুন সংস্কৃতি সৃষ্টি কৰিছিল, সেইদৰে আজিৰ অসমীয়াই সকলো জাতি-উপজাতিৰ সংমিশ্ৰণত এটা নতুন অসমীয়া সংস্কৃতি সৃষ্টি কৰিব লাগিব বুলি জ্যোতিপ্ৰসাদে অনুভৱ কৰিছিল। অসমৰ থলুৱা মানুহৰ নানা জাতি-উপজাতিৰ লগত নানা ভাৰতবাসীৰ সংমিশ্ৰণৰ ফলত অসমীয়া জাতিটোৰ সৃষ্টি হৈছে। গতিকে তেওঁ ভাৰতৰ নানা ঠাইৰ পৰা অহা আৰু অসমৰ পৰ্বতীয়া জাতি-উপজাতিৰ সংমিশ্ৰণত এটা নতুন সংস্কৃতি সৃষ্টি কৰিবলৈ ইচ্ছা কৰিছিল। এই সংস্কৃতিটো তেওঁ এনেদৰে গঢ়িব খুজিছিল, যিটোত অসমলৈ অহা সকলো জাতি-উপজাতিয়ে তেওঁলোকৰ নিজস্ব বৈশিষ্ট্যৰ অৱদান যোগাই কিছু কিছু ত্যাগ কৰিব, থলুৱা অসমীয়াইও কিছু কিছু ত্যাগ কৰাৰ ফলত যি এটা নতুন সংস্কৃতি গঢ়ি উঠিব; সিয়েই হ'ব অসমীয়া সংস্কৃতি। এই বিষয়ে তেওঁ গাইছে—

"মই
লালুং চুতীয়া
লুচাই মিকিৰ গাৰো,
মিছিমি-খামতি
নগা-আঙ্গামী বীৰ,
পৰ্ব্বতে পাহাৰে
জ্বলিছে উচ্চ শিৰ।
সাম্য মৈত্ৰীৰ ময়েই ৰণুৱা
চাহ-বাগিছাৰ ময়েই বনুৱা
ন-অসমীয়া মৈমনছীঙীয়া
থলুৱা নেপালী
নৃত্য-কুশলী মণিপুৰীয়া মই।"

এই সংস্কৃতিক তেওঁ আখ্যা দিছিল "পূৰ্ব্বভাৰতীয় সমন্বয়" বুলি।

"নতুন সংস্কৃতি আজি অসমৰ পৰ্ব্বতীয়া, ভৈয়ামীয়া আৰু অসমলৈ অহা নবাগতসকলৰ মাজত ৰূপ লৈ এদিন ফুলেপাতে জাতিষ্কাৰ হৈ মহাভাৰতীয় ভৱিষ্যতৰ মহাসংস্কৃতিক এক নৱতম সুন্দৰ কৰি


তুলিবলৈ বুলি আশা" যদিও জ্যোতিপ্ৰসাদে কৰিছিল, তথাপিও তাৰ পৰা সংস্কৃতি আৰু সাংস্কৃতিক আন্দোলনৰ কৰ্ম্মীসকলে আজি ফালৰি কাটি অহা দেখিবলৈ পাওঁ আৰু জ্যোতিপ্ৰসাদৰ নতুন সাংস্কৃতিক সপোন বাস্তৱত পৰিণত হোৱা নাই। জ্যোতিপ্ৰসাদে যিটো সমন্বয়ৰ যোগেদি নতুন সংস্কৃতিৰ সপোন দেখিছিল সেইটো বাস্তৱত পৰিণত নোহোৱাৰ ফলত আজি অকল অসমৰ সাংস্কৃতিক জীৱনেই নহয়, ভৌগলিক অস্তিত্বও বিপন্ন হৈ পৰিছে। জ্যোতিপ্ৰসাদে যিদৰে নতুন অসমীয়া সংস্কৃতি গঢ়ি তুলিবলৈ আমন্ত্ৰণ জনাইছিল সেইদৰে যদি আজি আমি সংস্কৃতি গঢ়ি তুলিলোহেঁতেন, তেনেহলে হয়তো আজি অসমৰ বুকুতে নগালেণ্ড, মেঘালয়, অৰুণাচল, মিজোৰামৰ দৰে স্বকীয়া ৰাজ্য সৃষ্টি নহ'লহেঁতেন।

অসমৰ ক্ষেত্ৰত তেওঁ যিদৰে সকলো জাতিৰ সমন্বয়ৰ সপোন দেখিছিল ঠিক তেনেকৈ ভাৰতৰ সকলো মানুহকে তেওঁ প্ৰকৃত ভাৰতীয় বুলি চিনাকী দিবলৈ উদগনি যোগাইছিল। তেওঁ অনুভৱ কৰিছিল যে প্ৰত্যেক ভাৰতীয়ই এজন প্ৰকৃত ভাৰতীয় হিচাবে থিয় হবলৈ শিকিব লাগিব। 'আজি আমি অসমীয়া বা বঙালী যদিও একে উলাহতে ভাৰতীয়ও। মোৰ এতিয়া ভাৰতমাতৃৰ সন্তান হিচাবে অসমীয়া, বঙলা, মাৰাঠী, তামিল আটাইবোৰেই মাতৃভাষা। আমাৰ ভাৰতমাতৃ বহুভাষিণী। এতিয়া আমি প্ৰত্যেক প্ৰাদেশিক গোটেই আন প্ৰাদেশিক গোটৰ ভাষা-সংস্কৃতিক আগৰ চকুৰে চালে নহব। ভাৰতীয় মহাশক্তিৰ ই মাথোন বৈচিত্ৰ্য আৰু এই ভাষাগত, সংস্কৃতিগত বৈশিষ্ট্য থাকিলেহে ভাৰতীয় মহাসংস্কৃতি ধুনীয়া হ'ব তাক আমি বুজিব লাগিব।"

কিন্তু জ্যোতিপ্ৰসাদে ভাৰতমাতৃক বহুভাষিণী বুলি কৈ গলেও আজিৰ যুবসমাজে তাৰ প্ৰতি কৰ্ণপাত নকৰে। আজি ভাৰতৰ প্ৰত্যেকটো কোণতে সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হৈছে। অসমৰ বুকুতে ভাৰতমাতৃক বহুভাষিণী বুলি জ্যোতিপ্ৰসাদে কৈ গৈছিল যদিও অসম আজি ভাষাগত সংঘৰ্ষৰ পীঠস্থানত পৰিণত হৈছে। আমি দেখাদেখিকৈয়ে জ্যোতিপ্ৰসাদৰ সুস্থ, বিজ্ঞানসম্মত, সাংস্কৃতিক সমন্বয়ৰ ভাবধাৰাৰ পৰা ফালৰি কাটি আহিছোঁ। ইয়াৰ অন্যতম কাৰণ হৈছে বৰ্ত্তমান যুব সমাজত দেখা দিয়া সাংস্কৃতিক অবক্ষয়। আজিৰ যুবসমাজ সাংস্কৃতিক জীৱনৰ পৰা বিচ্ছিন্ন হৈ আহি এটা উপকৰা সংস্কৃতিৰ প্ৰতি, এটা তৰল সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ পৰিছে। অৱশ্যে যুব সমাজৰ এই সাংস্কৃতিক অধঃপতনৰ বাবে প্ৰধানতঃ দায়ী বৰ্ত্তমানৰ সামাজিক,-ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱস্থা। আজি সাংস্কৃতিক জীৱনৰ সকলো দিশতে ফুটি উঠিছে বাস্তৱ-জীৱনৰ লগত কোনো মিলনথকা বাবে-বৰণীয়া কৃষ্টি আৰু সেয়ে বৰ্ত্তমান শিল্পী-সাহিত্যিকসকলে জ্যোতিপ্ৰসাদে ভবাৰ দৰে তেওঁলোকৰ সামাজিক দায়িত্ব পালনত ব্যৰ্থ হৈ পৰিছে। এই মনোভাৱৰ কাৰণ খুচৰিবলৈ গলে হয়তো আমাৰ তথাকথিত "বিশুদ্ধ শিল্প" সম্পৰ্কীয় যিটো Puritan মনোভাব আছে তাকে দায়ী কৰিব পাৰি। শিল্প বুলিলেই বাস্তৱ জীৱনৰ লগত সম্পৰ্ক নথকা ৰূপ-ৰস-গন্ধেৰে ভৰা এখন জগতৰ কল্পনাত উদ্বাউল হৈ যি সৃষ্টি কৰা হয় সেয়ে প্ৰকৃত শিল্প-সাহিত্য হব নোৱাৰে। সংস্কৃতিক মাথোন কবিৰ কৱিতা, ছান্দিকৰ লীলায়িত ৰঞ্জনজনাই যোৱা ঝঙ্কৃত ছন্দ, কবি-সাহিত্যিকৰ কাব্য-সাহিত্য, শিল্পীৰ মনোমোহা আলেখ্য, কালবিজয়ী স্থাপত্য, ভাস্কৰ্য্য, সঙ্গীত বিশাৰদৰ সুৰ, লয়, তাল, মান, নৃত্য-কুশলীৰ অভিনব অঙ্গ-ভঙ্গ —ৰূপ, ৰস, গন্ধ, বৰ্ণ আৰু গানৰ মনভুলোৱা জোনাকী মেলাই নিশ্চয় নহয়" (জ্যোতিধাৰা)।

**আজিৰ সাংস্কৃতিক কৰ্মীসকলৰ কৰ্তব্য:** আজিৰ অসমৰ সাংস্কৃতিক আন্দোলনৰ লগত জড়িত থকা কৰ্মীসকলে তেওঁলোকৰ এই সামাজিক দায়িত্ব পালনত

আগবাঢ়ি আহিব লাগিব। এই প্ৰসঙ্গত জ্যোতিপ্ৰসাদৰ নিজৰ কথাকে সুঁৱৰিব পাৰি। "অসমীয়া ডেকা আজি দৃঢ় প্ৰতিজ্ঞ হৈ ৰাজনৈতিক সংগ্ৰামৰ সমান প্ৰাবল্যৰেই এই কৃষ্টিমূলক বিষয়বোৰৰ সাধনাৰ তপস্যাত বহি যাওক।" আকৌ তেওঁ কৈছে—"আজি এই স্বাধীন ভাৰত, এই স্বাধীন অসমত এক নতুন সংস্কৃতি-সভ্যতা যদি গঢ়িব খুজিছে তেন্তে দেশৰ কবি, শিল্পী, সাহিত্যিক সকলক তেওঁলোকৰ যি স্থান, যি মান, তাক দি দেশৰ সৃষ্টি-প্ৰতিভাৰ উদ্বোধন কৰক।" আজিৰ সাংস্কৃতিক কৰ্মীসকলে অকল জ্যোতিপ্ৰসাদৰ কল্পনাৰ নতুন আৰু উন্নততৰ অসমীয়া সমন্বয়ৰ সংস্কৃতি গঢ়ি তুলিলেই নহব বৰং বাস্তৱ অৱস্থাৰ যিবোৰ সীমাবদ্ধতাৰ কাৰণে জ্যোতিপ্ৰসাদে তেওঁৰ বৈপ্লৱিক সাংস্কৃতিক ধ্যান-ধাৰণাক বিজ্ঞান-সম্মত সৰ্ব্বহাৰাৰ সংস্কৃতিলৈ ৰূপান্তৰিত কৰিব নোৱাৰিলে সেই সীমাবদ্ধতা দূৰ কৰি আমাৰ সাংস্কৃতিক আন্দোলনক বৃহত্তৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক আন্দোলনৰ পৰিপূৰক হিচাবে গঢ়ি তুলিব লাগিব আৰু গুণগত ছেদৰ মাধ্যমেৰে ইয়াক এক প্ৰকৃত বিজ্ঞানসম্মত সৰ্ব্বহাৰা সংস্কৃতিলৈ ৰূপান্তৰিত কৰিব লাগিব। তেতিয়াহে জ্যোতিপ্ৰসাদৰ সাংস্কৃতিক প্ৰতিভাক প্ৰকৃতাৰ্থত সন্মান জনোৱা হব।



# ভয়

কৰুণাকান্ত ৰায়
প্ৰথম বাৰ্ষিক বি, এ

আদৰণীয়া পিয়ন ৰমাই লৰালৰিকৈ অফিচৰ কামখিনি কৰি কেইখনমান বাতৰিকাকত আৰু এজাপ চিঠি লৈ অফিচৰ পৰা ওলাই ৰাস্তাত খোজ লৈছে। সি দেখিলে এজাক ল'ৰাই এখন দোকানৰ সম্মুখত বৰ উদ্বিগ্নতাৰে বাতৰিকাকত এখন চাই চাই কিবা ক'ব ধৰিছে। সি কাষলৈ গৈ সুধিলে,—"কিবা নতুন খবৰ আহিছে নেকি?"

"আজি ৰিজাল্ট দিছে নহয়।" —এজন ল'ৰাই ক'লে।

"কাৰ?"

"আমাৰে। এখন বাতৰিকাকত দেচোন।" ল'ৰাজনে এখন বাতৰিকাগজ লোৱাৰ লগে লগে আন কেইজন ল'ৰা আহি তাৰ চাৰিওফালে থিয় দিলে। বাতৰিকাকতখন বহলকৈ মেলাৰ পাচত ৰোল নম্বৰবোৰ চাই যাবলৈ ধৰিলে।

"তোৰ ৰোল নম্বৰ কিমান আছিল?" —এজনে আনজনক সুধিলে।

"পাঁচশ তিনি।"

"পাঁচশ তিনি? আচ্ছা, পাঁচশ তিনি ফাৰ্ষ্ট ডিভিজনত—পাঁচশ তিনি—পাঁচশ তিনি—পাঁচশ তিনি—নাই। আচ্ছা, চেকেণ্ড ডিভিজনত—পাঁচশ তিনি—পাঁচশ তিনি—নাই। বাৰু থাৰ্ড ডিভিজনত—পাঁচশ তিনি—তি—পাইছোঁ, পাইছোঁ। বচ্, মিঠাইৰ অৰ্ডাৰ দে।" এইদৰে এজনৰ পাচত এজনে ৰোল নম্বৰবোৰ চাই গ'ল। কিছুমানৰ ভাল হ'ল আৰু কিছুমানে হতাশ হৈ তলমূৰ কৰি তাৰপৰা গুচি গ'ল। তাৰ পিছত কিছুমান চাহৰ দোকানত সোমাল।

ৰমাই বাতৰিকাকত কেইখন আৰু চিঠিখন সামৰিলৈ পুনৰ আগবাঢ়িল। যাওঁতে সি ভাবিব ধৰিলে, এদিন সিহঁতৰো এইদৰে ৰিজাল্ট ওলাইছিল। কাৰোবাৰ মনত আশাৰ ৰেঙনি ফুটি উঠিছিল আৰু কাৰোবাৰ মন হতাশাৰে পূৰ্ণ হৈছিল। সি হতাশ হ'ব লগা হোৱা নাছিল। সি নতুন উদ্যমেৰে উচ্চশিক্ষা প্ৰাপ্তিৰ বাবে চেষ্টা চলাইছিল। কিন্তু মাত্ৰ এবছৰ পঢ়াৰ পাছত সকলো পৰিত্যাগ কৰি এই বৃত্তি লব লগা হ'ল। সেয়ে ৰিজাল্টৰ সৈতে তাৰ কোনো সম্পৰ্ক নাই। কিন্তু তথাপি যেন তাৰ অন্তৰখনে কোনোবা এজনৰ ৰিজাল্ট জানিবলৈ উৎসুক। কিন্তু সি সেই কথা কাকো সুধিবলৈ সাহস কৰা নাই।

পিচদিনা সি হাতত চিঠি আৰু কেইখন মান বাতৰিকাগজ লৈ ঘূৰি ফুৰিছে। এনেতে বাটৰ কাষত গছৰ ছাঁত বৈ থকা তিনিজনী ছোৱালীৰ এজনীয়ে তাক মাতিব ধৰা দেখি ঘূৰি চালে।

"এই পিয়ন; এই পিনে আহাচোন।"

"কি, আইহঁত?"

"কালিৰ বাতৰিকাকত আছেনে?"

"এখন আছে।"

"চাওঁ চাওঁ, অলপ দিয়াচোন।"

"ৰিজাল্ট লাগে তাৰমানে?"—"উঁ"—বুলি কোৱাত সি আগ্ৰহেৰে নিজেই বাতৰিকাকতখন মেলি ৰোল নম্বৰবোৰ খুঁজি চাই গ'ল। এজনীৰ ৰোল নম্বৰ বিচাৰি নাপালে। আন এজনীৰ তৃতীয় শ্ৰেণীত ৰোল নম্বৰটো বিচাৰি পালে। তাই ঘপৰাই মাত লগালে—"এই বেণু, তোৰ কিমান আছিল?"

"সাতাৰন"—কিছুসময় চোৱৰে পাচত ৰমাই অতি আনন্দিত হৈ ক'লে—"পাইছোঁ, আইজনী, পাইছোঁ। চেকেণ্ড ডিভিজন।" —এইখিনি কোৱাৰ লগে লগে আনন্দত তাৰ চকুযোৰ সেমেকি উঠিল। "বাক, মধে তইঁতক আজি ৰসগোল্লা খুৱাম, ব'ল।"

"নহয় খুড়া; আমিয়ে খুৱাম।" বেণুৱে বাধা দি ক'লে। তাক প্ৰায় সকলোৱে খুড়া বুলি মাতে।

"তইঁত ছোৱালী মানুহ; তইঁতৰ পৰা মই কিয় খাম?"

এইদৰে কথা কটা-কটি কৰি অৱশেষত তিনিও চহৰৰ ফালে অগুৱালে।

এইকেইটান দিন ৰমাক অতি উদ্যমেৰে অফিচত কাম কৰা দেখা গৈছে। সদায় তাক আনন্দত থকা দেখা গৈছে। সি এই পোষ্ট অফিচত কাম কৰা প্ৰায় পাঁচ বছৰ হ'ল। কিন্তু যোৱা দিনবোৰত কেতিয়াও সি এই কেইদিনৰ দৰে উৎফুল্লতাৰে কাম কৰা নাছিল। সি গহীন-গম্ভীৰ। দেখিলে ভাব হয় যেন সদায় কিবা এটা চিন্তা কৰি থাকে। কিহবাৰ বেদনাই যেন তাক খুলি খুলি খাইছিল। কিন্তু সেই বেদনা সি কাকো ক'বলৈ সক্ষম হোৱা নাছিল। সি যেন কিবা এটা মূল্যবান বস্তু হেৰুৱাইছিল, এতিয়া যেন বস্তুটো ঘূৰাই পাইছে। কিন্তু সি সেই পোৱা কথাটোও কাৰো আগত প্ৰকাশ কৰিব নোৱাৰে। সেয়ে তাৰ আনন্দও অনামী। এই অপ্ৰকাশ্য আনন্দৰ উৎস ক'ত?

সেয়া আজি প্ৰায় সোতৰ বছৰ আগৰ কথা। তেতিয়া ৰমাকান্ত কলিতা এজন চফল ডেকা। দেহত অফুৰন্ত জোৱাৰৰ উন্মত্ততাৰে এজন কলেজীয়া ল'ৰা। ভৱিষ্যতৰ ৰঙীন কল্পনাক বাস্তৱত ৰূপায়িত কৰিবলৈ আগুৱাই যোৱা এক নজোৱান। নিত্য নতুনক বিচাৰি জীৱন সাৰ্থক কৰাত ব্যস্ত। এনেতে তাৰ জীৱনলৈ আহিল এক অনাহুত জোৱাৰ। স্থানীয় স্কুলৰে নৱমমান শ্ৰেণীত পঢ়া বিমলা নামৰ এজনী ছোৱালীক সি ভাল পাবলৈ আৰম্ভ কৰিলে। সম্পৰ্ক ক্ৰমে ঘনিষ্ঠ হ'বলৈ ধৰিলে। দুয়ো ক্ৰমে কাষ চাপি গ'ল। কিন্তু সেই সম্বন্ধক বিমলাৰ মাক-দেউতাক কোনেও স্বীকৃতি দিবলৈ সন্মত নহ'ল। ফলত সংঘাতৰ সৃষ্টি হ'ল। দুয়ো পঢ়া বাদ দিয়াৰ কথা চিন্তা কৰিলে। কোনো এক অনিৰ্দিষ্ট স্থানলৈ পলাই যোৱাৰ কথা ভাবিলে। ইপিনে বিমলাৰ মাক-দেউতাকে বিমলাৰ বিয়াৰ কাৰণে অন্য এঠাইত দৰা ঠিক কৰিলে। বিমলাক নজৰবন্দী কৰি ৰাখিলে।

ৰমাকান্তৰ মাক-দেউতকেও ৰমাকান্তৰ সিদ্ধান্তত সন্মতি জনোৱা নাছিল। বিমলাৰ সৈতে সেই সম্বন্ধ অব্যাহত থাকিলে ঘৰৰ পৰা বাহিৰ কৰি দিয়াটো নিশ্চিত। সি এক উজ্জ্বল ভৱিষ্যতৰ কথা চিন্তা কৰিছিল। সেইবোৰ এতিয়া ধূলিস্যাৎ হোৱাৰ উপক্ৰম হৈছে। সি আৰু একো ভাবিব নোৱাৰা হৈছে। কোনো উপায়ৰ কথা চিন্তা কৰিব নোৱাৰি সি এদিন গভীৰ নিশা বিমলাক ঘৰত লগ ধৰিলে। মনৰ সকলো কথা তাইৰ আগত ক'লে। বিমলাই তাইৰ সমাগত বিপদৰ কথা বিৱৰি কলে। "তুমি মোক লৈ ব'লা— ৰমাদা, মই এই বিয়াত সন্মতি দিব নোৱাৰোঁ।"

"কিন্তু……।"

"কোনো কিন্তু নাই। তুমি মোক গ্ৰহণ কৰিব লাগিব।"

"বিমলা… মই তোমাৰ ওচৰত ক্ষমা খুজিবলৈহে

আহিছোঁ। মই সমাজক ভয় কৰোঁ, নিজৰ ভৱিষ্যতৰ বিষয়ে চিন্তা কৰোঁ।"

"তেনেহলে তুমি এই কাম কিয় কৰিলা? কিয় মোক প্ৰতাৰণা কৰিলা? ইয়াকে জানো মই বিচাৰিছিলোঁ?"

"সেইটো মযো বাঞ্ছা কৰা নাছিলোঁ। কিন্তু মই ভুল কৰিছোঁ।"

"এতিয়া জানো সময় আছে?"

"আছে। তুমি এই বিয়াত মত দিয়া। পিতামাতাৰ কথাৰ অবাধ্য নহবা। মোক তুমি পাহৰি পেলোৱা। তুমি মুক্তি দিয়া বিমলা, তুমি মোক মুক্তি দিয়া।" তেতিয়া বিমলাই ফেকুৰি ফেকুৰি কান্দিব ধৰিলে। তাইৰ পিঠিত হাত বুলাই ৰমাই বুজাবলৈ চেষ্টা কৰিলে। কিন্তু তাইৰ কান্দোন বেছিহে হোৱা দেখি মাকে সাৰ পাই বৰঘৰৰ পৰা মাতিব ধৰিলে। ৰমাই একেচাটে এন্ধাৰৰ লগত মিলি গ'ল।........

সিদিনাৰ পৰা ৰমাই এটা পৰাজিত মন লৈ ঘূৰি ফুৰিছে। শান্তি পোৱা নাই। জীৱনত যি কালিমা নিজে সানি ল'লে তাৰ প্ৰতিকাৰ কৰিব নোৱাৰিলে। কেইদিনমানৰ পিচতে বীৰেন চৌধুৰী নামৰ এজন হাইস্কুলৰ শিক্ষকৰ সৈতে বিমলাৰ বিয়া হৈ গ'ল। কি ভীষণ প্ৰতাৰণা! তাৰ হাঁহি উঠিল। কিন্তু সি হাঁহিব নোৱাৰিলে। তাৰ কণ্ঠ ৰুদ্ধ হৈ গ'ল। মুখ শেঁতা পৰি গ'ল। তাক তাৰ বিবেকে যেন তীব্ৰ গৰিহণা দিব ধৰিলে—তই ঠগ, প্ৰবঞ্চক, ভীৰু, কাপুৰুষ বুলি। যেন কিহবাই তাৰ ডিঙি চেপি শ্বাস ৰুদ্ধ কৰিব ধৰিছে। সি আৰু বৈ থাকিব নোৱাৰিলে। সমাজৰ আগত মুখ দেখুৱাবলৈ তাৰ ভয় লাগিল। সিদিনাই সি ঘৰ পৰিত্যাগ কৰিলে। বহুদিন তাৰ খবৰ কোনেও পোৱা নাই। এনেতে হঠাৎ এই অফিচত কাম পালে।

এই অফিচত কাম কৰিবলৈ লোৱা প্ৰায় এবছৰমান হৈছে। পোষ্ট মাষ্টৰে এদিন হাইস্কুলৰ হেডমাষ্টাৰৰ ঘৰত এখন টেলিগ্ৰাম দিবলৈ কৈছে। ঘৰটো চিনি নেপায়। উলিয়াবতো লাগিব। এজনী তিৰোতা মানুহে ওৰণি লৈ শাকনিত কিবা চিঙি থকা দেখিলে। চুচুক চামাককৈ ওচৰলৈ গ'ল—"হেৰি, হেড্‌মাষ্টৰৰ ঘৰ কোনটো?" তিৰোতাগৰাকীয়ে তাৰ ফালে ঘূৰি চোৱাত আশ্চৰ্য্যত তাৰ মাত হেৰাল। তাৰ মাটিত লুকাবৰ মন গ'ল, তথাপি অলপ হাঁহিবৰ চেষ্টা কৰি বিস্ময় মিশ্ৰিত কণ্ঠেৰে কলে,—"বিমলা! তোমালোক ইয়াত?"

"তুমি ক'ৰ পৰা? এতিয়া ভালনে?"

"ভাল। হেড্‌মাষ্টৰৰ ঘৰটো বিচাৰিছোঁ।"

"সৌটো"—আঙুলিৰে দেখুৱাই দি আকৌ ক'লে, "যাওতে সোমাই যাবা।" এই বুলি সি যোৱাৰ ফালে একেথৰে চাই থাকিল। বিমলাৰ দেমেকা চকুযুৰিলৈ তাৰ ভয় লাগিল।

সিদিনাৰ পৰা ৰমা সেইমুৱা হোৱা নাই, তাৰ সাহস নহয় এই কলঙ্কিত মুখ তাইক পুনৰ দেখুৱাবলৈ। অতীতৰ স্মৃতি পুনৰ জাগ্ৰত হোৱাত সি আৰু বেছি কষ্ট পালে। বাৰে বাৰে বিমলাক এবাৰ চাই আহিবলৈ তাৰ হেপাহ জন্মে। কিন্তু যি যাব নোৱাৰে। কিয় যাব নোৱাৰে সেই কথা সি কাকো খুলি ক'ব নোৱাৰে।

এদিন ৰেণুৱে ৰমাক বাটত লগ পাই ক'লে,—"মায়ে আপোনাক এবাৰ আমাৰ ঘৰলৈ যাব কৈছে। মায়ে হেনো আপোনাক চিনি পায়।"

—মায়ে? কোন তোমাৰ মা??" কি নাম তোমাৰ মাৰ???"—তাৰ মাতত বিস্ময় প্ৰকাশ পালে।

—"বিমলা চৌধুৰী, যাব দেই এদিন।"

—"বিমলা চৌধুৰী? —ওঁ, চিনি পাওঁ —বাৰু কেতিয়াবা যাম।" —এই বুলি সি ল'ৰা-লৰিকৈ তাৰ পৰা আতৰি গ'ল। কিন্তু কিয় জানো এই ছোৱালীজনীক তাৰ মৰম কৰিবলৈ, চেনেহ কৰিবলৈ মন গ'ল। কিন্তু নোৱাৰে। তাৰ যেন অধিকাৰ হেৰাই গৈছে।

মৰম কৰিবলৈ সি যেন অপাৰগ। তাৰ চকুযোৰ সেমেকি উঠিল।

"এইখন দোকানতে থাওঁ"—বুলি কোবাত সি সম্বিত ঘূৰাই পালে। —"বাক আহ।" এই বুলি কৈ দোকানৰ ভিতৰত সোমাল। তাৰ পিচত ইটো-সিটো কথা আৰম্ভ হ'ল। এনেতে ৰেণুৰে সুধিলে—"খুড়া, আপোনাৰ ঘৰ কোনখিনিত ?

"মোৰ ঘৰ ?" —তেনে এটা প্ৰশ্নৰ কাৰণে সি মুঠেই প্ৰস্তুত হোৱা নাছিল। অলপ চিন্তা কৰি ক'লে "তোমাৰ মাৰাৰ গাওঁতেই।"

"মায়ে কিন্তু আপোনাক চিনি পায়। বাৰে বাৰে যাবলৈ কৈয়ে আছে। আজি যাব লাগিব কিন্তু।"

"আজি নাযাওঁ, আইজনী। কেতিয়াবা ; যাম আজি মোৰ কাম বহুত আছে।" —এই বুলি কৈ সিহঁতৰ পৰা বিদায় লৈ সি আনফালে মুখ ঘূৰালে। সি ক'ব নোৱাৰিলে কেতিয়া বিমলাক দেখা কৰিবলৈ যাব। সেইটো সি কেতিয়াও ক'ব নোৱাৰে। সি কেনেকৈ বুজাব যে সেই পথ সি নিজেই বন্ধ কৰি লৈছে। সেই কথা এই ছোৱালীজনীয়ে কেনেকৈ জানিব ? সি কব নোৱাৰিলে। তথাপি কিয় জানো ছোৱালীজনীলৈ তাৰ মৰম উপজিল। সি চকুদুটা মুদি নীৰৱে ভগবানলৈ প্ৰাৰ্থনা জনালে—"প্ৰভু ! এই নিৰ্বোধ ছোৱালীজনীক ভবিষ্যতৰ উজ্জ্বল পথত আগবঢ়াই নিবা।"



# দুটা স্কেচ্

অনিলেশ্বৰ মজুমদাৰ
প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক ( কলা )

( ১ )

এটি চেতনাহীন দেহ—
সাদিনৰ অনাহাৰ
ভিতৰত ক্ষুধাৰ্ত্ত শিশুৰ গেঙনি
বাহিৰত প্ৰকৃতিৰ তাণ্ডব নৃত্য
আসুৰিক প্ৰলয় ধ্বনি
মেঘৰ ভীষণ গৰ্জন ···
উৰলি যোৱা ঘৰৰ ছাল
বৰ্ষাৰ উত্তাল ধল
ঘৰ-বাহিৰ বৰ্ষাময়···
পেটৰ অসহ্য তাড়না
ৰৰঘুণত লুতুৰি পুতুৰি
হাড় কপোৱা শীতল বতাহ
এক নৰক যন্ত্ৰনা।

( ২ )

এটুকুৰা কটি—
এটি অস্থিচৰ্মসাৰ শিশুৰ
লোলুপ দৃষ্টি—
দুটা চেৰেলা খঙাল কুকুৰ
লক্ষ্য কটি টুকুৰা
বিকট চিঞৰ আৰু
ক্ৰুদ্ধ গৰ্জন মাৰি
কামুৰিছে ইটিয়ে সিটিক ···
শিশুটি নিৰৱ-স্তব্ধ-বাকহীন
সম্মুখত কটি টুকুৰা
পেটত ক্ষুধাৰ পোৰণি
কুকুৰৰ গৰ্জন।

# বৰ্তমান স্কুলীয়া শিক্ষা আৰু প্ৰাথমিক স্তৰত ইয়াৰ বিকাশ

অধ্যাপক হেৰম্ব কুমাৰ ৰাভা এম্-এ
অৰ্থনীতি বিভাগ

অসম মাধ্যমিক শিক্ষা পৰিষদে ১৯৬৯ চনৰ শেষাৰ্দ্ধত শিক্ষাব্যৱস্থাৰ সংস্কাৰ কৰিবলৈ যি সংকল্প গ্ৰহণ কৰিলে তাৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য সুৰেশ চন্দ্ৰ ৰাজখোৱাৰ নেতৃত্বত নতুন পাঠ্যক্ৰম সমন্বয় সমিতি গঠিত হয়। এই সমিতিয়ে যথা সময়ত পাঠ্যক্ৰমৰ খচৰা তৈয়াৰ কৰি দিয়াৰ পাচতে অসম মাধ্যমিক শিক্ষা পৰিষদে উক্ত পাঠ্যক্ৰমৰ যথাৰ্থতা বিচাৰ কৰি অনুমোদন জনায় আৰু ১৯৭৩ চনৰ পৰা অসমৰ স্কুল সমূহত ১২ বছৰীয়া স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰম প্ৰচলন কৰায়। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যিক শিক্ষা ব্যৱস্থাৰ সমন্বয় আৰু সহসম্বন্ধ লগতে পৃথিবীৰ অন্যান্য প্ৰগতিশীল দেশৰ শিক্ষা ব্যৱস্থাৰ অনুৰূপ উন্নত—এই উদ্দেশ্য আগত ৰাখিয়েই তথাকথিত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন বিচৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তিত ৰূপৰ পৰম্পৰা বিচাৰি গলে ইতিহাস দীঘলীয়া হৈ পৰে। মুঠতে ইয়াকে ক'ব পাৰি দীৰ্ঘদিন ধৰি শিক্ষা পদ্ধতিৰ ওপৰত যি পৰীক্ষা-নিৰীক্ষা চলি আহিছে বৰ্তমানৰ ১২ বছৰীয়া স্কুলীয়া পাঠ্যক্ৰম হ'ল তাৰেই শেহতীয়া ফলশ্ৰুতি।

ৰাষ্ট্ৰ পৰ্য্যায়ত প্ৰাক্ স্বাধীনতা কালত ভাৰতীয় আধুনিক শিক্ষাপদ্ধতি সম্পৰ্কে সঘনাইনিকৈ আলোচনা চলে ১৮৫৪ চনৰ চাৰ্লছ উডৰ ঘোষণাৰ দিন ধৰি। ১৮৮২ চনত চাৰ উইলিয়ম হাণ্টাৰৰ নেতৃত্বত ভাৰতৰ প্ৰথম 'শিক্ষা আয়োগ' গঠিত হয়। এই ব্যৱস্থাৰ পৰা দেশখনৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ স্তৰৰ শিক্ষা ক্ষেত্ৰত কিছু উন্নতি সাধিত হ'ল। অৱশ্যে এই পৰ্য্যায়লৈকে দেশীয় ভাষাবোৰে শিক্ষাৰ মাধ্যম হ'ব পৰা নাছিল। ১৯৩৭ চনতহে এই ব্যৱস্থাৰ কিছু সালসলনি ঘটিল। একে বছৰতে মহাত্মা গান্ধীয়ে 'নঈ-তালিম' বা বুনিয়াদী শিক্ষাৰ আচঁনিখন সম্পূৰ্ণ কৰি কাৰ্য্যত পৰিণত কৰাৰ দিহা দিয়ে। স্বাধীনোত্তৰ কালত শিক্ষাৰ সংস্কাৰ কৰিবলৈ চৰকাৰ অধিক তৎপৰ হ'ল আৰু স্বাধীন দেশৰ মুক্ত নাগৰিক গঢ়ি তুলিবলৈ কেনে শিক্ষাৰ গঢ় দিয়া উচিত সেই বিষয়ে পৰামৰ্শ দিবলৈ ৰাষ্ট্ৰীয় চৰকাৰে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ নেতৃত্বত 'বিশ্ববিদ্যালয়-আয়োগ' গঠিত কৰি দিয়ে। এহ আয়োগে বিশেষকৈ উচ্চ শিক্ষাৰ ক্ষেত্ৰত, সমস্যা, মান আৰু সমাধানৰ বিষয় সমূহ তদাৰক কৰিছিল। মাধ্যমিক

পৰ্য্যায়তো চৰকাৰে ড° মুডালিয়াৰৰ নেতৃত্বত 'মাধ্যমিক শিক্ষা আয়োগ' গঠন কৰিছিল। মাধ্যমিক শিক্ষাৰ সময় থিনি কিশোৰ-কিশোৰীৰ বাবে এক অনন্য সময়। শিক্ষা আয়োগে অন্যান্য বহুবিলাক পৰামৰ্শ আগবঢ়োৱাৰ লগতে সহশিক্ষাৰ ক্ষেত্ৰত তেওঁলোকৰ সুচিন্তিত মনোভাৱ প্ৰকাশ কৰিছিল। উল্লেখযোগ্য যে, ভাৰতীয় শিক্ষাত প্ৰাক্ মোগল আৰু মোগলোত্তৰ যুগত সহশিক্ষাই প্ৰাধান্য পাই আহিছে। কেৱল দীঘলীয়া মোগল যুগত শিক্ষাবিস্তাৰৰ ক্ষেত্ৰত গতিশীলতা থকা স্বত্বেও সহশিক্ষা সম্ভৱ হোৱা নাছিল। আধুনিক যুগত মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথে সহশিক্ষাৰ ওপৰত পুৰামাত্ৰাই আস্থা ৰাখি গৈছে।

বৰ্তমান শিক্ষা ব্যৱস্থাৰ সাম্প্ৰতিক মূল্যায়ন আৰম্ভ হয় সপ্তম দশকৰ প্ৰথম ভাগতে। হঠাতে ৰাষ্ট্ৰীয় চৰকাৰে অনুভৱ কৰিলে যে, প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আকৌ সংস্কাৰ কৰি সুসংবদ্ধ কৰাৰ প্ৰয়োজন সমাগত। সেই কাৰণে চৰকাৰে ড° ডি. এচ, কোঠাৰিৰ নেতৃত্বত এটা আয়োগ বহুৱায়। এই আয়োগে দুবছৰ ধৰি সমীক্ষা চলাই ১৯৬৬ চনত তেওঁলোকৰ চূড়ান্ত প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনত প্ৰাক্ প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয়ৰ শেষ পৰ্য্যায়লৈকে প্ৰচলিত শিক্ষা ব্যৱস্থা পৰীক্ষা কৰি আধুনিক বিজ্ঞান, কাৰিকৰী বিদ্যা আৰু কলাবিদ্যাৰ সমন্বয় সাধনৰ অৰ্থে সুসংবদ্ধ পৰিকল্পনা আগবঢ়ায়। উক্ত আয়োগৰ সকলোবোৰ পৰামৰ্শ কামত ৰূপায়িত কৰিবলৈ ৰাজ্যিক চৰকাৰ সমূহলৈ নিৰ্দেশ দিয়া হয় আনকি ৰাষ্ট্ৰপৰ্য্যায়ত 'ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ' গঠিত হয়—ভাৰতৰ প্ৰাক্তন শিক্ষামন্ত্ৰী অধ্যাপক নুৰুল হাচানৰ নেতৃত্বত। এই পৰিষদে অনতিপলমে ভাৰতবৰ্ষৰ স্কুল সমূহৰ কাৰণে ৰাজ্যিক চৰকাৰে গ্ৰহণ কৰিব পৰা বিস্তৃত পাঠ্যক্ৰমৰ আঁচনি তৈয়াৰ কৰি উলিয়ায়। ব্যাপক হাৰত যাতে বৰ্তমানৰ শিক্ষাই বিস্তৃতি লাভ কৰিব পাৰে তাৰ বাবে ৰাষ্ট্ৰৰ একোটা অঞ্চলত আঞ্চলিক কলেজ প্ৰতিস্থাপিত হৈছে। এই কলেজ সমূহত ৰাষ্ট্ৰৰ শিক্ষকসকলৰ কাৰণে উমৈহতীয়া শিক্ষা আৰু প্ৰশিক্ষনৰ ব্যৱস্থা কৰা হৈছে। এই ক্ষেত্ৰত তেওঁলোকৰ 'Correspondence-cum-contact course'ৰ কথা উল্লেখ কৰিব পাৰি।

শিক্ষা আয়োগে এক সাধাৰণীকৰণ ব্যৱস্থাৰে প্ৰচলিত শিক্ষাব্যৱস্থাৰ ভিত্তিতে স্কুলীয়া শিক্ষাৰ সংগঠন প্ৰনালী প্ৰনয়ণ কৰি তুলিছে। ইয়াৰ মুখ্য বিভাগ হ'ল তিনিটা যেনে, প্ৰাক্ প্ৰাথমিক, প্ৰাথমিক আৰু মাধ্যমিক। প্ৰাক্ প্ৰাথমিক স্কুলসমূহৰ আদৰ্শ হ'ল প্ৰচলিত মণ্টেচৰী, কিণ্ডাৰগাৰটেন, নাৰ্চাৰী আদি পাশ্চাত্য ব্যৱস্থাৰ শিশু বিদ্যালয় সমূহ। ই আপাৰ কিণ্ডাৰগাৰটেন আৰু লোৱাৰ কিণ্ডাৰগাৰটেন—অৰ্থাৎ দুবছৰত বিভক্ত। প্ৰাথমিক স্তৰৰ প্ৰথম, দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ শ্ৰেণীক নিম্ন প্ৰাইমেৰী আৰু পঞ্চম, ষষ্ঠ আৰু সপ্তম শ্ৰেণীক উচ্চ প্ৰাইমেৰী স্তৰ বোলে। সেইদৰে মাধ্যমিক পৰ্য্যায়তো অষ্টম, নৱম আৰু দশম শ্ৰেণীক নিম্ন মাধ্যমিক আৰু একাদশ, দ্বাদশ শ্ৰেণীক উচ্চ বা উচ্চতৰ মাধ্যমিক স্তৰ বুলি কোৱা হৈছে। ইয়াৰে মাজলীয়া আৰু মাধ্যমিক থাপত পাঠ্যক্ৰম বিস্তাৰিত আৰু বহুমুখী কৰা হৈছে আৰু অত্যধিক পুথিগত শিক্ষাৰ পৰা যাতে শিক্ষাৰ্থীসকলক মুক্ত কৰিব পাৰি তাৰে চেষ্টা চলোৱা হৈছে।

অসম মাধ্যমিক শিক্ষা পৰিষদে স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰম আশানুৰূপ কৰিবলৈ কিছুমান ক্ষেত্ৰত পৰিবৰ্তন সাধিছে। বিগত শিক্ষা ব্যৱস্থাৰ মূল কেৰোণ আছিল বিভিন্ন স্তৰৰ শিক্ষাৰ সম্পৰ্কহীনতা। বৰ্তমান শিক্ষা পদ্ধতিত এনে কেৰোণ মষিমুৰ কৰা হৈছে। অসম হ'ল 'নানা জাতি নানা ভাষাৰ' অঞ্চল। এই ক্ষেত্ৰত পৰিষদে ত্ৰিভাষী সূত্ৰক ৰাষ্ট্ৰীয় নীতি হিচাবে সন্মান দেখুৱাৰ উপৰিও আৰ্য্য ভাষা গোষ্ঠীৰ লগতে

সহবৰ্তী অষ্ট্ৰিক, নৰ্দিক আৰু বৃহৎ বড়োগোষ্ঠীৰ ভাষা সমূহৰ পৃষ্ঠপোষকতা কৰিছে। সেয়েহে এতিয়া অসমীয়া, বঙালী, হিন্দী, উৰ্দু, মনিপুৰী, খাচী, গাৰো, নেপালী, মিজো, বড়ো-কছাৰী, আও, আঙ্গামী, সাওঁতালী, আদি ভাষা স্বীকাৰ কৰি লোৱা হৈছে। মাধ্যমিক পৰ্য্যায়ত ইংৰাজী ভাষা আন্তৰ্জাতিক ভাষা হিচাবে এতিয়াও বাধ্যতামূলক। ইয়াৰ উপৰিও নিম্ন মাধ্যমিক স্তৰৰ পৰাই বৰ্তমানে কলা, বিজ্ঞান আৰু বাণিজ্য বিভাগৰ স্বতন্ত্ৰ বিষয় সমূহ অধ্যয়নৰ ব্যৱস্থা কৰা হৈছে। এই ব্যৱস্থাৰ ফলত স্কুলীয়া আৰু কলেজীয়া শিক্ষাৰ মাজত বিশেষ 'ফাৰাক' নেথাকিব। বৰ্তমান শিক্ষা ব্যৱস্থাৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল বিভিন্ন কলাবিদ্যাৰ সংযোজন। এই ক্ষেত্ৰত শিক্ষাৰ্থীয়ে নৃত্যকলা, সংগীতকলা, চাৰু-কাৰু-কলা, ৰেচম শিল্প আদি নিজৰ 'নিচাবিষয়' হিচাবে নিৰ্বাচিত কৰি লব পৰা কচিকৰ ব্যৱস্থা আছে। শৰীৰধৰ্মসাধনম্ সৰ্বযুগে সমাদৃতম্। বৰ্তমান শিক্ষাত শৰীৰ চৰ্চাৰ পৰা তলত দিয়া লক্ষ্য পূৰনৰ আশ্বাস আছে—যেনে,—স্বাস্থ্য সংবৰ্দ্ধন কৰা, অৱসৰ সময়ত শাৰীৰিক শ্ৰমৰ যোগেদি উৎপাদন মূলক কাম কৰা, শিক্ষাৰ্থীৰ উদ্ভাৱনী আৰু সৃজনীমূলক ক্ষমতাৰ মূৰ্তবিকাশ সাধন কৰা, পাঠ্যপুথিৰ বাহিৰেও আন কামত তেওঁলোকৰ মনাকৃষ্ট কৰা, সৰ্বোপৰি ব্যক্তিক আৰু সামাজিক গুনৰাজিৰ আহি মান আঁচনি তৈয়াৰ কৰা। পুৰাতন গ্ৰীচত এথেনিয়ান শিক্ষা প্ৰণালীৰ পোষকতা কৰি গ্ৰীক দাৰ্শনিক চক্ৰেটিছ, প্লেটো আৰু এৰিষ্টটলেও শৰীৰ অকে মনৰ উৎকৰ্ষ সাধন কৰাত অধিক গুৰুত্ব দি সংগীত, সুকুমাৰ বিদ্যা, শিল্পকলা, তত্বজ্ঞান আদিক শিক্ষাৰ প্ৰধান অংগ কৰি থৈ গৈছে। সেইকালৰ শিক্ষাত শাৰীৰিক ব্যায়াম আছিল অপৰিহাৰ্য্য।

বৰ্তমান স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰমযে বিশেষ আশাপ্ৰদ তাক নুই কৰাৰ উপায় নাই। মাধ্যমিক পৰ্য্যায়ৰ শিক্ষাত নানা বিষয়ৰ সংযোগীকৰনৰ লগে লগে তাৰ প্ৰতিফলন প্ৰাথমিক পৰ্য্যায়ত বাৰুকৈয়ে পৰিস্ফুত হ'ল। যি কোনো শিক্ষাব্যৱস্থাৰ পৰিপক্কতা আৰু সাৰ্থকতা নিৰ্ভৰ কৰে প্ৰথমিক স্তৰৰ ওপৰত। প্ৰাথমিক স্তৰত শিক্ষাৰ ভালদৰে গঢ় দিব নোৱাৰিলে সেই শিক্ষাৰ পৰা ভৱিষ্যতে সুফল আশা কৰা মিছা। বৰ্তমানৰ সমস্ত শিক্ষাপদ্ধতিৰ সমস্যা বুজিবলৈ আমি অৱশ্যে প্ৰাথমিক স্তৰলৈকে পোনতে দৃষ্টি নিক্ষেপ কৰিব লাগিব।

বৰ্তমানে প্ৰাথমিক স্তৰত অধ্যয়ন ক্ৰম হ'ল চাৰি বছৰীয়া। এই শিক্ষা চাৰি বছৰীয়া হোৱাৰ কিছুমান কাৰণ উল্লেখ কৰিব পাৰি ; যেনে আগতে স্নাতক পৰ্য্যায়লৈ অধ্যয়নৰ মুঠ বছৰ আছিল ষোল্ল। বৰ্তমানে দুবছৰ কমাই চৈধ্য বছৰ কৰা হৈছে। উল্লেখযোগ্য যে, বেদিক যুগত শিষ্যই বাৰ বছৰ অধ্যয়ন কৰি বিদ্যাস্নাতক, বিদ্যাব্ৰতস্নাতক আৰু ব্ৰতস্নাতক হ'ব পাৰিছিল। অৰ্থাৎ স্নাতকলৈ মুঠ বছৰৰ সংখ্যা কমাই অনা হৈছে। দ্বিতীয়তে, প্ৰাথমিক স্তৰত ক আৰু খ মান মিলাই এটা শ্ৰেণী কৰিবৰ কাৰণে জনমত গঢ়ি উঠিছিল। বিশেষকৈ চহৰাঞ্চলত প্ৰাথমিক স্তৰতে পাঁচ বছৰ কটোৱা ৰীতিমত সময়ৰ অপচয় বুলি বিবেচিত হৈছিল। গতিকে এতিয়া অকলযে বছৰৰ সংখ্যা কমিল সিটো নহয় প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমৰো ব্যাপক প্ৰসাৰ ঘটিল। এই চাৰি চছৰীয়া পাঠ্যক্ৰমত মাতৃভাষা বা প্ৰথমভাষাৰ বাহিৰেও গণিত, ভূগোল, বিজ্ঞান, পৰিবেশ বিজ্ঞান, শিল্প-কলা আদিৰ স্বয়ংসম্পূৰ্ণ পাঠ্যৰ শিক্ষাদান কৰিব লাগে। স্বয়ং সম্পূৰ্ণ পাঠ্য এই কাৰণেই কৰিব লাগে যিহেতু অসমত নিম্ন প্ৰাইমেৰী আৰু উচ্চ প্ৰাইমেৰী স্তৰ একেলগে নহয় ; প্ৰথম চাৰি বছৰীয়া শিক্ষাৰ চতুৰ্থ শ্ৰেণী হ'ল শেষান্ত শ্ৰেণী।

এই চাৰি বছৰীয়া প্ৰাথমিক শিক্ষাত অধ্যয়নৰ ক্ষেত্ৰ ঠেক নহয়। ছাত্ৰ-ছাত্ৰীয়ে মৌখিক আৰু লিখিত ভাৱে মাতৃভাষা বা প্ৰথম ভাষাৰে বিভিন্ন বিষয়ত ভাৱ

প্ৰকাশ কৰিব পাৰিব লাগিব। শুদ্ধ উচ্চাৰণেৰে সৰৱ পাঠ, আৰু নীৰৱ পঠনৰ জৰিয়তে অৰ্থ-উপলব্ধি-মাতৃভাষা শিক্ষাৰ এই দুটা মূল লক্ষ্য হোৱাৰ লগতে ভাষাৰ গঠন প্ৰণালী, ৰচনা-ভঙ্গী আৰু ব্যাকৰণ প্ৰনালী সম্পৰ্কে সম্যক জ্ঞান দানো অন্যতম লক্ষ্য। সংখ্যাজ্ঞান প্ৰাথমিক শিক্ষাৰ 'তিনি-আৰ' ফলমুলাৰ এটা। সংখ্যাৰ মৌলিক চাৰি নিয়ম, জোখমাখৰ একক, লগতে দৈৰ্ঘ্য, সময়, আয়তন আদিৰ ধাৰণা দিব লাগে। শিক্ষা জীৱনৰ প্ৰথম চাৰি বছৰত শিশুৰ মানস দিগন্ত, ঘৰখন, স্কুল, আৰু স্থানীয় সমাজখনৰ পৰা বহল পৃথিৱীখনলৈ প্ৰসাৰিত হয়—এই জ্ঞান ভূগোল, বুৰঞ্জী, বিজ্ঞান আৰু পৰিবেশ বিজ্ঞান আদিৰ যোগেদি দিব লাগিব। বৰ্তমান সময়ত বিজ্ঞানে যিদৰে উন্নতি লাভ কৰিছে তালৈ লক্ষ্যৰাখি ছাত্ৰ-ছাত্ৰী সকলক বিজ্ঞানৰ বিভিন্ন দিশৰ প্ৰতি ভাৱাবেশ জগাই তুলিব লাগিব। মূলতঃ এইখিনি বিষয় সামৰি ললে প্ৰাথমিক শিক্ষাৰ পাঠ্য হৈ পৰে বিস্তৃত। এই বিস্তৃত পাঠ্যক্ৰম সীমিত সময়ৰ ভিতৰত ফলপ্ৰসুভাৱে ৰূপায়ন কৰিবলৈ যাওঁতে বৰ্তমানে নানান সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। সমস্যাৰ প্ৰকৃত স্বৰূপ অনুধাবন কৰিবলৈ তাৰে মাত্ৰ কেইটামান সমস্যা আলোচনা কৰিম।

(১) বৰ্তমান শিক্ষা ব্যৱস্থা ও পাঠ্যক্ৰম অনুযায়ী শিক্ষা প্ৰদান কৰিবলৈ উপযুক্ত অৰ্হতা প্ৰাপ্ত ও প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ। পুৰণি শিক্ষা পদ্ধতিত অভ্যস্ত শিক্ষক সকলৰ বাবে এতিয়া আৰো "Refresher's course" নতুনকৈ খুলিবলৈ প্ৰয়োজন হৈছে।

(২) বৰ্তমানৰ পাঠ্যক্ৰম এফালে আগতকৈ ব্যাপক কৰা হৈছে, আনফালে মুঠ বছৰৰ সংখ্যা কমাই অনা হৈছে। এই বিপৰীতমুখী ব্যৱস্থাত অনভ্যস্ত শিক্ষক আৰু শিক্ষাৰ্থী সকলৰ শিক্ষণ কাৰ্য্য দ্ৰুততৰ কৰাৰ অভিনৱ ব্যৱস্থা কিন্তু আবিষ্কাৰ হ'বলৈ এতিয়াও বাকী।

(৩) শিক্ষা আয়োগে প্ৰাথমিক স্তৰৰ অপৰিহাৰ্য্য অংগ স্বৰূপে প্ৰাক্‌প্ৰাথমিক বিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ কথা দঢ়াই দঢ়াই কৈ গৈছে ; কিন্তু অসমত এই স্কুল-সমূহৰ অবিহনে চাৰিবছৰীয়া পাঠ্যক্ৰম আৰম্ভ কৰাত শিক্ষাৰ ভবিষ্যত অনিশ্চয়তাৰ ক'লা ডাৱঁৰে আবৰি ধৰিছে।

(৪) শিক্ষা আয়োগে অথবা ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে—কোনোৱে প্ৰাথমিক শিক্ষা চাৰিবছৰীয়া হ'ব লাগে বুলি পৰামৰ্শ দিয়া নাই বৰং স্থান-কাল আৰু পৰিবেশ ভেদে চাৰিবছৰীয়া বা পাঁচ-বছৰীয়া কৰিব পৰাৰহে ব্যৱস্থা দিছে। বৰ্তমান পৰিস্থিতিত পাঁচবছৰীয়া প্ৰাথমিক শিক্ষাইহে অধিক কাৰ্য্যকৰী হ'ল হেঁতেন বুলি অনেকে মত পোষণ কৰিছে। এই বিষয় এতিয়াও শিক্ষাবিভাগ আৰু চৰকাৰৰ বিবেচনাধীন হৈয়ে আছে।

(৫) শিক্ষা আয়োগৰ পৰামৰ্শমতে প্ৰাথমিক স্কুলত প্ৰথম ভাষাটো মাতৃভাষা হোৱা বাঞ্ছনীয় অৰ্থাৎ প্ৰতিটো শিশুই মাতৃভাষাৰে শিক্ষাৰম্ভ কৰিব পাৰিব লাগে। কিন্তু অসমৰ বহুতো অঞ্চলত শিক্ষাৰ্থীৰ প্ৰথম ভাষাটো অৰ্থাৎ অসমীয়া ভাষাটো মাৰ্তৃভাষা নহয় ধাতৃভাষাহে। উদাহৰণ স্বৰূপে ধুবুৰীমহকুমাৰ কিছুমান অঞ্চলত কোচ সকলে বিশেষকৈ মাইকী মানুহে নিজৰ ভাষাটোৰ বাহিৰে অসমীয়া, বঙালী কোনো ভাষাই নুবুজে। এইসকল শিক্ষাৰ্থীয়ে মাতৃভাষাৰ পৰা প্ৰথমে প্ৰথম ভাষাটো শিকি লৈহে সেই ভাষাৰ জৰিয়তে স্কুলীয়া শিক্ষা লাভ কৰে, এই ক্ষেত্ৰত তেওঁলোকৰ স্বাভাৱিকতে সময়ৰ প্ৰয়োজন হয় বেছি।

(৬) এই কথা পাহৰিলে নচলিব যে, অসমৰ নিচিনা পিচপৰি থকা এখন প্ৰদেশত বহুসংখ্যক লোকে শিক্ষা বুলিবলৈ অকল প্ৰাথমিক শিক্ষাহে পায়। শিক্ষালাভৰ সময়খিনিয়ে শিক্ষাৰ্থীৰ গোটেই জীৱনতে এটা গভীৰ প্ৰভাৱ পেলায়। কিন্তু মাত্ৰ চাৰিবছৰীয়া শিক্ষাজীৱনে দীঘলীয়া জীৱনটোত কিমানখিনি প্ৰভাৱ পেলাব পাৰিব

সিটো সন্দেহৰ বিষয়। মানৱ জীৱনত নূন্যতম পাঁচ বছৰৰ পৰা আঠ বছৰলৈ শিক্ষা অপৰিহাৰ্য্য। এখন স্বাধীন দেশৰ নাগৰিকৰ কাৰণে আঠবছৰৰ শিক্ষাই একো নহয়। শিক্ষা আয়োগে সেই কাৰণেই নিম্ন আৰু উচ্চ প্ৰাইমেৰী শিক্ষাক "এলিমেণ্টাৰী এডুকেচন" আখ্যা দি বাধ্যতামূলক কৰাৰ দিহা হৈছে।

(৭) বৰ্তমান শিক্ষা ব্যৱস্থাত ছয় বছৰীয়া শিশুকহে প্ৰাথমিক স্কুলত প্ৰৱেশাধিকাৰ দিয়া হৈছে। আমি জানো যে কৃষিজীৱি সমাজত ল'ৰাছোৱালীয়ে অতি কম বয়সৰ পৰাই "working force" ত যোগদান কৰি পৰিয়ালৰ সহায়ক হৈ পৰে। সেই ল'ৰাছোৱালী বিলাক হ'ল পৰিয়ালৰ মূলধন। বিদেশত যিবিলাক শিশুৰ শিক্ষা-দীক্ষাৰ কাৰণে পৰিয়ালে মূলধন বিনিয়োগ কৰে, ভাৰতবৰ্ষত সেইবিলাক শিশুক মূলধন হিচাবে লৈ তাৰ ফল ভোগ কৰে। গতিকে এইখন সমাজত এজন ছবছৰীয়া ল'ৰা কৃষিক্ষেত্ৰত নামভুক্ত অথচ অপৰিপক্ক শ্ৰমিক। তেওঁলোকক পিচত শিক্ষালয়লৈ ঘূৰাই নিয়াটো বহুসময়ত কঠিন হৈ পৰে।

(৮) প্ৰাথমিক স্তৰৰ পৰাই ব্যৱহাৰিক জ্ঞান আৰু কৰ্মঅভিজ্ঞতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এই ক্ষেত্ৰত শিক্ষক সকলৰ প্ৰয়োজন উপযুক্ত 'শিক্ষণ প্ৰদীপন'ৰ। পাঠ্যপুথিত সন্নিবিষ্ট হোৱা নিৰ্দেশ সমূহ আৰু অনুশীলনী সমূহ যথাযথ পালন কৰিবলৈ যিখিনি সা-সৰঞ্জামৰ প্ৰয়োজন সেইবোৰৰ অবিহনে শিক্ষাই ব্যৱহাৰিক পৰ্য্যায়লৈ নাহে।

(৯) বৰ্তমান সময়ত আমাৰ শিক্ষাৰ অন্তৰায় হ'ল প্ৰাথমিক স্কুলঘৰৰ দুখলগা অৱস্থা। 'এখন গাওঁত সোমালে সেইখন গাওঁৰ এটাইতকৈ জৰাজীৰ্ণ ঘৰটোৱে হ'ল প্ৰাথমিক বিদ্যালয়' বুলি বহু শিক্ষাবিদে আক্ষেপ কৰা শুনা যায়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি বৰ্তমানে প্ৰায়বোৰ স্কুলেই চৰকাৰী। গতিকে স্কুল-ঘৰৰ এনে অৱস্থা হোৱাৰ কাৰণ নেথাকে।

(১০) বহুতো ঠাইত প্ৰাথমিক স্কুলৰ নিজা ঘৰ নাই। সেইকাৰণে বিশেষকৈ নামঘৰ, সভাঘৰ নাইবা অন্যান্য অনুষ্ঠানৰ ঘৰত ভেৰোনীয়াকৈ চলাব লাগে। এনে ক্ষেত্ৰত শিক্ষা পৰিবেশ গঢ়ি তুলি বৰ্তমানৰ আশাপ্ৰদ শিক্ষাৰ বুনিয়াদ গঢ়ি তোলাটো অসম্ভৱ নহলেও দুৰূহ।

আমাৰ শিক্ষাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে বৰ্তমান প্ৰাথমিক শিক্ষাৰ ওপৰত। যি সময়ত ভাৰতে সমস্ত শিক্ষাব্যৱস্থাত নতুনত্বৰ প্লাৱন আনি পৃথিৱীৰ অন্যান্য ৰাষ্ট্ৰৰ লগত সমানে খোঁজ মিলাবলৈ যত্নপৰ হৈছে, সেই সময়ত অসমে এনে এবুৰি সমস্যা লৈ প্ৰাথমিক শিক্ষাত চেগা-চেৰোকাকৈ মন দিয়াটো এটা বিপৰ্য্যয় ঘটনা। আজি শিক্ষক গোষ্ঠীয়ে তেওঁলোকৰ প্ৰাৰম্ভিক অভিজ্ঞতাৰে সকলোৱে একেমুখে স্বীকাৰ কৰিছে যে, প্ৰাক্ প্ৰাথমিক স্কুল অবিহনে প্ৰাথমিক শিক্ষা এটা দুৰ্বোধ্য সাঁথৰ হৈয়ে ৰ'ব। ৰাজ্যত মুঠ প্ৰাথমিক স্কুলৰ সমানে প্ৰাক্ প্ৰাথমিক স্কুল খুলিবলৈ হ'লে প্ৰয়োজন হ'ব প্ৰায় কুৰিহাজাৰখন প্ৰাক্ প্ৰাথমিক বিদ্যালয়। ইয়াৰ লগতে সমান পৰিমাণৰ শিক্ষক নিয়োগৰ প্ৰশ্ন আছে আৰু আছে তেওঁলোকৰ প্ৰশিক্ষণৰ সমস্যা। এতিয়ালৈকে প্ৰশিক্ষণৰ যি ব্যৱস্থা হাতত লোৱা হৈছে সেয়ে ৰাজ্যৰ কোনোটো চুকৰ চাহিদা মিতাব পৰা নাই। বৰ্তমানে প্ৰাথমিক বিদ্যালয়ত কাম কৰি থকা প্ৰায় তিৰাল্লিশহাজাৰজন শিক্ষকৰ ভিতৰত, বছৰি ওঠৰশ' জনে প্ৰশিক্ষণ লয়। পৰিতাপৰ কথা এয়ে যে, এতিয়াও এই প্ৰশিক্ষণ কেন্দ্ৰ সমূহত বুনিয়াদী আৰু অবুনিয়াদী শিক্ষাৰ ব্যৱধান আছে আৰু নতুন পাঠ্যক্ৰম অনুযায়ী প্ৰশিক্ষণ ব্যৱস্থাৰ পৰিবৰ্তন সাধন কৰা হোৱা নাই।

সময়ে সময়ে চলাই অহা শিক্ষা-সমীক্ষাত দেখা গৈছে যে, প্ৰাথমিক শিক্ষাতেই শিক্ষাৰ্থীৰ অপচয়ৰ মাত্ৰা বেছি। এই মাত্ৰা বৰ্তমানে আৰু বেছিহোৱাৰ সম্ভাৱনা দেখা গৈছে। আন্তৰ্জাতিক খণ্ডত শিক্ষাৰ অপচয়ৰ কাহিনী

"Learning To Be" নামৰ পুস্তিকাত সুন্দৰকৈ আলোচিত হৈছে। অসমৰ বহুতো অঞ্চলত এতিয়াও শিক্ষাৰ পোহৰ পৰিবলৈ বাকী। প্ৰাপ্ত তথ্যৰ মতে ৰাজ্যৰ ২,৩৮১ খন গাওঁত আজিলৈকে প্ৰাথমিক শিক্ষাৰ উন্মেষেই নাই। যোৱা ৯৪৪ চনত ছাৰ্জেণ্ট আঁচনিত ৬ বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সলৈ ৮ বছৰ কাল বাধ্যতামূলক বিনামূলীয়া শিক্ষাৰ পৰামৰ্শ আগবঢ়াইছিল। বৰ্তমান পৰিস্থিতিতো এই পৰামৰ্শ প্ৰণিধানযোগ্য হোৱা উচিত। বৰ্তমান শিক্ষাব্যৱস্থাৰ সমস্যাৰ গঢ় গতি লৈ সহজেই ক'ব পৰা যায়, অসমৰ শিক্ষাব্যৱস্থাৰ সলনি হ'ল সঁচা ; কিন্তু সংস্কাৰ হ'বলৈ এতিয়াও বহুত বাকী। এই ক্ষেত্ৰত শিক্ষক, অভিভাৱক, চৰকাৰ আৰু প্ৰতিজন চিন্তাশীল ব্যক্তিৰ কৰণীয় আছে।



# কোনোবা এটা গ্ৰীষ্মৰ গধূলি

শ্ৰীঅমিয় কুমাৰ ৰাভা
প্ৰাক্ বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিক ( কলা )

কোনোবা এটা গ্ৰীষ্ম গধূলি
পদূলীত বৈ থাকোঁতে
উজনিমুৱা ৰেলখনে
দীঘল উকি মাৰি
বীৰ দৰ্পে গুছি গ'ল
নতুন আশাবোৰ বুকুত সামৰি।
দুকাষৰ ওখ ওখ গছৰ পৰা
এজাক এন্ধাৰ নামি আহি
আতৰ্কিত আক্ৰমণৰ মাজেৰে
মোৰ পুতলিলৈ সোমাই আহিল ;
ছেগ চাই ধমকি ৰল।
ক্লান্ত দৃষ্টিৰে নিজকে মই
খেপিয়াই চালোঁ
এৰি থৈ যোৱা ৰেলৰ ধোঁৱাই
মোৰ বগা পোছাক বোৰ
কলা কৰি থৈ গ'ল,
মই যে গমকে নেপালো।
এতিয়া যে মোৰ গভীৰ দুচকুৰ পোহৰখিনি
পাতল কাগজত
পনীয়া চিয়াহিৰ দৰে বিয়পি পৰিল,
নিশাৰ নগৰত এজোপা গছৰ তলত
বৈ থকা চিটি বাছ খনৰ গধুৰ নিশ্বাসে
মোক আবৰি ধৰিলে।
খিৰিকীৰ পৰ্দাৰ ফাঁকেৰে
বিৰিঙি পৰা কিছুমান ক্ষীণ পোহৰে
যেন ডিঙি মেলি বাহিৰলৈ চালে
হেজাৰ দিনৰ ক্ষুধাৰে জীয়াই থকা
এন্ধাৰবোৰে জিভা মেলি খেদি গ'ল
দীঘল নখেৰে আজুৰি নিলে
গ্ৰীষ্মৰ গধূলি। ●

গাৰ ঘামবোৰে বতাহক খামুচি ধৰিছে,
সদায়ে যে আমাৰ বুকুৰ ভিতৰত
এন্ধাৰৰ ওপৰেদি বৈ অহা বতাহ জাকে
আমনি কৰি আহিছে।
চকু মেলি চাবৰ বাবে
এন্ধাৰ বোৰে হাঁহি দিলে
কলা কলা দাঁতবোৰে যেন মগজুটো
কামুৰি কামুৰি শেষ কৰি পেলালে।
মোৰ কানৰ কাষত বাজি আছিল
ৰেলৰ দীঘল উকি
চকুৰ আগত ভাহি উঠিছিল
গভীৰ পানীত ওপঙি থকা
বতাহে কোবাই যোৱা
দিনৰ নগৰৰ ব্যস্ততাৰ খলকনি,
আৰু এজাক মানুহৰ গুণ্‌গুণনি।
উত্তৰ ফালে
সদায়েই গধূলিৰ ৰেলখন গুছিযায়
দীঘল চুড়ান্ত চিৰি বগায়
ৰেলৰ উকিটোৰ লগে লগে
মোৰ মনটো কঁপি উঠে বাৰে বাৰে।
দিনৰ শ্ৰমবোৰ নিগনি পোৱালিৰ দৰে
দৌৰি দৌৰি এন্ধাৰত লুকায়।
মোৰ সন্মুখত আছে নদীখন
আৰু তাৰ সিপাৰে সুবিশাল পাহাৰ।
পাহাৰত ঠেকা খায়
বতাহ জাকৰ হাহাকাৰ
অনেক আশাৰ গুণ্‌ গুণনি লৈ
নদীখন বৈ যায় পুৰাক খিয়াই।
কাৰোবাৰ পুতেকে—
ৰজা মহাৰজাৰ বুৰঞ্জী—পঢ়িছিল চিঞৰি চিঞৰি
মই হাঁহি দিলোঁ
জিৰ জিৰকৈ সৰি পৰিল
যেন নদীৰ পাৰৰ এমুঠি শুকান বালি
কোনোবা এটা গ্ৰীষ্মৰ গধূলি। ●

# ঃ উন্মেষ ঃ

পূণ্য বয়
প্ৰাক্-বিশ্ববিদ্যালয়
দ্বিতীয় বাৰ্ষিক ( কলা )

সমুথত শৃগাল-কুকুৰৰ দল
আকাশত উৰিছে জাক জাক—
কাউৰী-শগুণ
বিষাক্ত হ'ল গোটেই বতাহ।
হাতোৰা ভগা গুহা-পশুৰাজ
গৰজি উঠিল
অলপতে ভাগিল বহুদিনৰ তন্দ্ৰা
ভোকাতুৰ সি।
লুভীয়া দৃষ্টি চকুৰ পটাত
ৰক্ত পিপাসু সি
অলৰ-অচৰ আজি বৃদ্ধ
পশুৰাজ।
শত শত জনতাৰ আগ্নেয়
পাহাৰ
বুকুৰ পুঞ্জীভূত বিদ্ৰোহৰ লাভা
কেতিয়া হ'ব বিস্ফোৰিত।
বিস্ফোৰিত হোৱা জনতা
ভাঙি দিয়া ধ্যান যোগীবোৰৰ
মুক্ত হওঁক চকু
বুজোৱা জনতাৰ বেদনা।
ক্ষুধাৰ্ত্ত জনতাৰ সংগ্ৰামী জীৱনত
পথ অঙ্কিত কৰিব কোনে ?
অমুক্ত মনৰ গভীৰ হাহাকাৰ
সিক্ত কৰাৰ এয়েই সময়। ●

# ঃ চেতনা ঃ

দীপক কুমাৰ দাস
২য় বাৰ্ষিক ( কলা )
প্ৰাক্-বিশ্ববিদ্যালয়

আমি সাৰ পালো
সাৰ পালো এন্ধাৰ ৰাতিৰ কবলৰ পৰা কুম্ভকৰ্ণসকল
বিভিষণে আহি জগালে
সীতা উদ্ধাৰৰ হেতু ৰাৱণ বধৰ প্ৰয়োজন হৈছে
আমি সকলোৱে হাতত সুতীক্ষ্ণ তৰোৱাল
আৰু ধনুকাড়লৈ আগবাঢ়ি গৈছো
ৰাৱন বধৰ হেতু
সীতা উদ্ধাৰৰ হেতু।

আমি সাৰ পালো,
সাৰ পালো পাশা খেলৰ পৰা ধৰ্মাৱতাৰ সকল
দুষ্টমতি দুৰ্যোধন, দুঃশাসন আৰু তেওঁৰ শিষ্যসকলে
আমাৰ কানত মন্ত্ৰ মাতি
কাঢ়ি লৈ গ'ল ৰাজ্য ধন সকলো
আমি চায়েই ৰলো
চাই ৰলো বিংশ শতাব্দীৰ পাণ্ডৱসকল
তেওঁলোকে আমাক বনলৈ পঠিয়ালে
সুদীৰ্ঘ দ্বাদশ শতাব্দীৰ বাবে
কিন্তু আজি আমি উভতিলো
নেখাতো আমি বনবাস, অজ্ঞাত বাস
কৌৰৱসকল !
আজি আমি সাৰ পালো
আমাৰ ৰাজ্য ধন সকলো ওভতাই দিয়া

আমি সাৰ পালো
সাৰ পাই বিচাৰিছো আমি
বিংশ শতাব্দীৰ পথ প্ৰদৰ্শক
শ্ৰীকৃষ্ণজন আছে ক'ত ? ●

# মণিকাৰ প্ৰশ্ন

মিচ্ শেৱালি কলিতা
প্ৰথম বাৰ্ষিক বি-এ

স্বপ্না, তোমাক মই খুউব মৰম কৰিছিলোঁ। তুমিও মোক মৰম কৰিছিলা। আমি দুয়ো সদায় একেলগে ফুৰিছিলোঁ। সেই সময়বোৰ আমাৰ বাবে কিমান যে মৰমৰ আছিল। মই প্ৰথম কলেজলৈ আহিয়ে তোমাক লগ পাই ভাল লাগিছিল। তুমি যে এদিন জ্যোতিপ্ৰসাদৰ ভাষা সোঁৱৰাই মোক কৈছিলা,— "তুমি নুবুজা নহয়, তোমালৈ মোৰ কিমান মৰম, মোৰ বুকুৱে নধৰে, মনেও ভাবি ভাবি শেষ কৰিবলৈ ভাগৰে। কি-মা-ন মৰম। সুৰুযৰ পোহৰবোৰ যেনেকৈ পৃথিবীলৈ বিয়াকুল হৈ আহি বসুমতীক সাৱটি ধৰি আছে, মোৰো মৰমবোৰ তোমালৈ সেইদৰে গৈ তোমাক অগুৰি আছেগৈ।" আকৌ এদিন তুমি কৈছিলা, "নিদ্ আয়েতো খোৱাব আয়ে, খোৱাব আয়েতো তুম আয়ে ; পৰ তুমহাৰি ইয়াদ মে ন নিদ্ আয়ে, ন খোৱাব আয়ে।" প্ৰায় দুবছৰ ধৰি তুমি আৰু মই একেলগে কটালোঁ। আন বহুতৰ লগত বন্ধুত্ব পাতিছিলোঁ। ক্লাচমেট নিপুণৰ লগত আমাৰ বন্ধুত্ব গাঢ় আছিল। এইদৰে আমাৰ মধুৰ দিনবোৰ পাৰ হৈ গৈছিল। কিন্তু তুমি হঠাতে তোমাৰ বন্ধুত্বক আনপিনে ঢাল খুৱাই নিলা। নিপুণক তুমি বেলেগ ৰূপত দেখিলা। মোৰ অৱশ্যে তাত মাত মাতিব লগা নাছিল। সেয়ে বহুদিন তোমালোকৰ অভিনয় মই অদ্ভুত নীৰৱভাবে চাই গৈছিলোঁ। তেতিয়াও নিপুণৰ লগত থকা মোৰ বন্ধুত্ব কমা নাছিল।

কিন্তু স্বপ্না, তুমি হঠাতে সলনি হৈ গ'লা। তুমি আগৰ নিচিনাকৈ মোৰ লগত হলি-গলি নকৰা। অনিচ্ছাকৃতভাৱে মোক মাতিব ধৰিলা। মোক দেখিলেই তোমাৰ অস্বস্তিবোধ হোৱা যেন অনুমান হ'ল। কিয় বাৰু তুমি মোৰ লগত ফুৰিবলৈ এৰিলা? তোমাক কি ভূতে পালে? এইদৰে তুমি বহুদিন পাৰ কৰি দিলা। মইও অৱশ্যে তোমাৰ পৰিবৰ্তনত আচৰিত নহৈ নোৱাৰিলোঁ। মই তোমাৰ ওচৰলৈ গ'লে যেন তোমাৰ চকুত খংভাৱ প্ৰকাশ পায়। কিন্তু স্বপ্না, আজি তুমি মোৰ ওচৰত তোমাৰ ইমান দিনে পুহি ৰখা ভ্ৰান্ত ধাৰণাক প্ৰকাশ নকৰি নোৱাৰিলা। তুমি যে আজি মোলৈ এখন চিঠি লিখিছা।

মিচ্

মণিকা,

আজি তোমালৈ মোৰ অশেষ ধন্যবাদ—তোমাৰ এই নতুন জীৱন্ত কবিতা ৰচনাৰ বাবে। তোমাৰ অন্তৰখন কিমান পবিত্ৰ জানি ললোঁ। কিন্তু মুখত সদায় তোমাৰ বিদ্ৰুপৰ হাঁহি। এয়াই আছিল নেকি তোমাৰ বন্ধুত্বৰ স্বাৰ্থ! এজনৰ গাত দোষ চপাই দি, সমাজৰ ঘৃণিত কৰি নিজে সুযোগ গ্ৰহণ কৰা,—এয়াই নেকি তোমাৰ স্বভাব? তুমি নিজকে ইমান বুদ্ধিমান বুলি ভাবিছা নেকি? মোক নচুৱাই তুমি তাল ধৰি যোৱা, এয়াই তোমাৰ বন্ধুত্বৰ মৰ্য্যাদা! আনক কন্দুৱাই

নিজে চকুলো মচা, এয়া কিযে অপূৰ্ব অভিনয় তোমাৰ! কিন্তু অকণমানো ভাবি নাচালা, বিষলগা কাড় যে এদিন তোমাৰো অন্তৰত প্ৰবেশ কৰিব। মণিকা! তুমি হয়তো ক'বা এয়া মোৰ ঠেক মনৰ পৰিচয় মাত্ৰ। কিন্তু তাত মোৰ আপত্তি নাই। আজি মই তোমাৰ ওচৰত মৰম দাবী নকৰোঁ, লোভ মোৰ আজি নাই, আছে কেৱল ক্ষোভ। তোমাৰ প্ৰতি জাগি উঠা ক্ষোভেই আজি মোক বিদ্ৰোহী কৰি তুলিছে। অনাবিল-অনাহুত বেদনাই আজি মোক খুলি খুলি খাই নিঃশেষ কৰিছে। আজিহে মই অনুমান কৰিছোঁ যে এজন মানুহৰ পিচফালে বহুত ৰহস্য লুকাই থাকে। মণিকা! তুমি আজি মিছা নামাতিবা। মোক তুমি ভণ্ড বুলি ক'ব পাৰা ; কিন্তু তোমাৰ দৰে ভণ্ডৰ ভাওঁ লৈ ধ্যানত বহা নাই। বিশেষ লিখিবলগা নাই। ইতি—

তোমাৰ

'স্বপ্না'

স্বপ্না! চিঠিখন বহুবাৰ পঢ়িলোঁ। কিন্তু কিয় এইবোৰ লিখিলা বাৰু? তোমাৰ হিংসাৰ জুইৰ প্ৰকোপ ইমান তীব্ৰ হ'ল কিয়? নিপুণৰ লগত কথা পাতিলে তোমাৰ খং উঠে, এয়েই তো! কিয় তুমি নিপুণক ভুল বুজিলা যদিহে তোমালোকৰ প্ৰেম মিছা নহয়? তোমাৰ এই অদ্ভুত ও কুৎসিত মনোভাব মই ভালদৰে জানিলেও তোমাক অনুসৰণ কৰিবলৈ এৰা নাছিলোঁ। তোমাৰ-মোৰ দেখা-সাক্ষাত হ'লেও কথা বতৰা নহৈছিল। বহুদিন দুয়ো নীৰৱতাৰ আশ্ৰয়ত কটাইছিলোঁ। মোৰ গৱেষণা চলিয়ে আছিল। ইফালে তোমাৰ-মোৰ কাৰ্য্যকলাপত নিপুণ তথা আন বন্ধু-বান্ধৱীবোৰ আচৰিত নহৈ নোৱাৰিছিল। স্বপ্না, তুমি আৰু মই বহুদিন মূক-অভিনয় কৰি কটালোঁ। কিন্তু সময়বোৰ বৰ নিষ্ঠুৰ ভাবে আঁতৰি গৈছিল।

স্বপ্না! এদিন এই মণিকাই তোমাৰ পৰিবৰ্ত্তনৰ মূল উৎস ক'ত তাৰ খবৰ ভালদৰে জানিব পাৰিলে। মই তোমাৰ ডায়েৰিত আচল খবৰটো পালোঁ।

সেইদিনা আছিল শনিবাৰ। তুমি কিবা অসুখ বুলি কৈ ডাক্তাৰখানালৈ গৈছিলা। মইও বিশেষ কাৰণত তোমালোকৰ ঘৰলৈ গলো। যোৱাৰ আগতে ভাবিছিলোঁ তুমি যদি মোক অপমান কৰা! কিন্তু সেয়া হৈ নুঠিলগৈ। তুমি ঘৰত নাই বুলি কোৱা সত্ত্বেও তোমাৰ পঢ়া-কোঠাত সোমাই পৰিলোঁ। এখন এখনকৈ তোমাৰ বহীবোৰৰ ওপৰত চকু ফুৰালোঁ। কিন্তু হঠাতে তোমাৰ বহীবোৰৰ মাজত থকা এখন সৰু বহীলৈ চকু গ'ল। উলিয়াই দেখিলো—তোমাৰ ডায়েৰীখন। তোমাৰ অনুপস্থিতিত মই তোমাৰ ডায়েৰীখন চোৱাটো অনুচিত বুলি জানিও স্থিৰে থাকিব নোৱাৰিলোঁ। নিজকে অপৰাধী যেন অনুমান কৰিও পাতবোৰ লুটিয়াবলৈ ধৰিলোঁ। কিন্তু হঠাতে এখিলা পাতত 'মণিকা' নামটো দেখি উদ্বিগ্ন হৈ পৰিলোঁ। চাই দেখিলোঁ, দুখিলামান পাত তোমাৰ হাতৰ আখৰেৰে ভৰা। ভয় আৰু আগ্ৰহৰ মাজেৰেই যিমান সোনকালে পাৰো সিমান সোনকালে পঢ়ি গলোঁ—

....“জীৱনটোত বহুত স্বপ্ন ৰচিছিলোঁ। কিমানযে কল্পনাই নকৰিছিলোঁ। কিন্তু ভগৱানৰ কিযে লীলা, মানুহৰ কল্পনাবোৰ যে পূৰণ হবলৈ নিদিয়ে। ভগৱান জানো ইমান নিষ্ঠুৰ! ভাবিছিলোঁ জীৱনৰ অধ্যায়বোৰ অতি সুকলমে, ধুনীয়াকৈ লিখি যায় ; মোৰ সুকোমল হাতেৰে অধ্যায়বোৰত সুন্দৰ সুন্দৰ ছবি আঁকি যাম, জীৱনটো মনোমোহা কৰি তুলিম। কল্পনা কৰিয়ে বহুদূৰ আগবাঢ়িলোঁ। সুন্দৰ-সুন্দৰ ছন্দেৰে ভৰাই দিলোঁ মোৰ হৃদয় বীণ। কিন্তু মোৰ সকলো কল্পনা অকালতে মৰহি গ'ল। জীৱনৰ সুউচ্চ অধ্যায়ত আৰ্ট কৰিবলৈ লওঁতে কাগজখিলাত বেয়াকৈ চিয়াঁহী পৰি গ'ল। মই নিঠৰ হৈ মাথোঁ কাগজখিলা চাই ৰলোঁ। কলেজীয়া জীৱনৰ প্ৰথম কালছোৱাতে কেনা লাগি গ'ল। মোৰ স্বপ্নও বাস্তৱ ৰূপত দেখা নিদিলে। বাধা

আহিল। এই বাধা আছিল মোৰ যৌৱনৰ আশীৰ্ব্বাদ, বয়সৰ দাবী। উন্মুক্ত কেঁচা যৌৱনে মোৰ পথৰ গতি সলনি কৰিলে। মা-দেউতাৰ চকুত ধুলি মাৰি মই উতলা যৌৱনক সান্ত্বনা দিবলৈ ভালপাই পেলালো নিপুণক। কিন্তু নিপুণ প্ৰথমে কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰিল মোৰ কাৰ্য্য দেখি। পিচলৈ সিও মোৰ আকুল আহ্বানৰ প্ৰতিদান দিবলে আগবাঢ়ি আছিল। তাৰ পাতল ৰঙা চকুৰ চাৱনিয়ে মোৰ মনত এক নতুন আনন্দৰ হিল্লোল তুলিলে। দুয়ো লাহে লাহে ওচৰ চাপি আহিলোঁ; মোৰ জীৱন তটিনীত বৈ গ'ল এক মধুৰ প্লাৱন। এইদৰে মাদকতা সনা দিনবোৰ পাৰ হ'ল।

কিন্তু মণিকা, তুমি কালসৰ্পৰ নিচিনা আহি থিয় দিলা মোৰ আগত। নিপুণৰ লগত তোমাৰ এয়া অকৃত্ৰিম বন্ধুত্ব নে অইন বেলেগ সম্বন্ধ? নিপুণৰ লগত তোমাৰ ইমান হলি-গলি মই নিবিচাৰো। নিপুণৰ লগত কথা পতাৰ অধিকাৰ তুমি ক'ত পালা? তুমি মোৰ বান্ধৱী, নিপুণৰ কি? এয়াই তোমাৰ বন্ধুত্বৰ মৰ্য্যাদা!!"....।

মোৰ আৰু পঢ়াৰ ধৈৰ্য্য নোহোৱা হ'ল। মই তেতিয়াহে সম্বিত ঘূৰাই পালোঁ আৰু তৎক্ষণাত ডায়েৰী-খন আগৰ ঠাইত থৈ তোমাৰ কমৰ পৰা ওলাই গুছি আহিলোঁ—। তুমি তোমাৰ ডায়েৰীখন চোৰাৰ কিবা প্ৰমাণ পালোনে নাই নাজানো। কিন্তু মই কিমান বিপদৰ সন্মুখীন হলোঁ, কিমান শোকত লিপ্ত হলোঁ আৰু কি যন্ত্ৰণাত ছাটি-ফুটি মৰিলো তাক তুমি বুজিব পাৰিলা জানো?

শুনা স্বপ্না! মই ভাবি ভাবি দিকহাৰা হৈছিলোঁ। তোমাৰ কথা ভাবিছিলোঁ, নিপুণৰ কথা ভাবিছিলোঁ আৰু নিজকে এবাৰ নিৰীক্ষণ কৰি চাইছিলোঁ। অজানিতে মোৰ চকুলো বৈছিল। আকৌ মোৰ অন্তৰত প্ৰশ্ন জাগিছিল, তুমি বাৰু কেনেকৈ ইমান কুৎসিত চিন্তাধাৰাক ঠাই দিব পাৰিলা? আকৌ মই ভাবিছিলোঁ স্বপ্না, তোমাক মই বুজাম যে নিপুণ সদায় তোমাৰ হৈয়ে থাকিব। সঁচাকৈ নিপুণ মোৰ ক্লাচমেট। কিন্তু আকৌ ভাবিছিলোঁ, তুমি মোৰ বুজনি জানো শুনিবা?

স্বপ্না! নিপুণক মই এই ঘটনাৰ অকণমানো ক'ব নোৱাৰিলোঁ। আমাৰ দুয়োৰে মাজততো কোনো দুৰ্ব্বলতা নাই। কিন্তু তুমি ইমান নিষ্ঠুৰ, ঠেকমনা হ'লা কিয়? নিপুণক ইমান বিশ্বাসঘাতক বুলি ভাবিলা আৰু মইও তোমাৰ মনত বিশ্বাসঘাতক নহয় জানো?

স্বপ্না! বহুত প্ৰশ্নৰ সমাধান দিও শান্ত হ'ব নোৱাৰিলোঁ। নিপুণৰ বহুত কথাই মনত পৰিবলৈ ধৰিলে। সি মোক এদিন কৈছিল, "মণিকা, তুমি ভালদৰে পঢ়া। বি, এ, ভালদৰে পাছ কৰি লোৱা।" আকৌ এদিন কৈছিল,—"মণিকা, আনে আমাক যিমানে যি নকওক কিয়, আমি দুয়ো ভাই-ভনী। তুমি মাথো বিশ্বাস ৰাখিবা নিপুণে তোমাৰ কেতিয়াও অমঙ্গল চিন্তা নকৰে। তোমাৰ কাৰণে যদি কিবা কঠিন কাম কৰিব লগা হয় তাকো নিপুণে কৰিবলৈ সদায় প্ৰস্তুত থাকিব।" জানা স্বপ্না, বন্ধু বুলিয়েই হওক বা ভনী বুলিয়েই হওক সি মোলৈ বহুত দাবী ও উপদেশসূচক অনুৰোধ আগবঢ়াইছিল।

কিন্তু স্বপ্না, তুমি নিপুণ আৰু মোৰ মাজত কি বেলেগ সম্বন্ধ দেখিলা? তেন্তে কোৱা স্বপ্না, নিপুণ আৰু মোক তুমি কি ৰূপত দেখিলা?? তুমি মোক চিনিব নোৱাৰিলা কিয় স্ব...প্না...??? + + +

---

"বিজ্ঞানৰ নানান আবিষ্কাৰে আধুনিক যুগৰ মানুহৰ মনৰ ওপৰত যি প্ৰভাৱ বিস্তাৰ কৰিছে তাৰ ফলত মানুহৰ মন হৈ পৰিছে সংশয়বাদী। অলীক কল্পনা আৰু অবান্তৰ বিষয়ৰ সহায়ত আধুনিক পাঠকৰ মনত ৰসৰ সঞ্চাৰ সম্ভৱ নহয়। মানুহৰ যুক্তিবাদী মনে সকলো কথাকে যুক্তিৰ মাপকাঠীৰে জুখি চাবলৈ ইচ্ছা কৰে। গল্পৰ ক্ষেত্ৰতো যুক্তিৰ আৱশ্যকতা অস্বীকাৰ কৰা নাযায়। কিন্তু গল্পত থাকে কল্পনাৰে অধিক প্ৰাধান্য। গল্প হ'ল যুক্তিৰ ওপৰত নিৰ্ম্মাণ কৰা কল্পনাৰ সৌধ।"

ত্ৰৈলোক্য নাথ গোস্বামী।

…"যিজনে ভাষা কি বস্তু আৰু ই কেনেকৈ ৰূপ ল'লে নাজানে, তেওঁ নিজেকে শিক্ষিত বুলি কোৱা উচিত নহয় বুলি মই ভাবোঁ।"… মেক্সমুলাৰ

# ভাষাৰ জন্মকথা

অধ্যাপক দশৰথ কাকতি এম্ এ
অসমীয়া বিভাগ

পৃথিবীৰ মানুহে কেনেকৈ আৰু কেতিয়াৰ পৰা কথা কবলৈ শিকিলে, পোনতে কোন ঠাইৰ লোকে কথা কৈছিল, সকলো মানুহে একেটা ভাষা কিয় ক'ব নোৱাৰে,—এইবোৰ একো একোটা বিৰাট প্ৰশ্ন। এটা সৰু ল'ৰাক সি ভাষাটো কেনেকৈ শিকিলে বুলি সুধিলে সি মাক-দেউতাকৰ পৰা শিকা বুলি ক'ব। মাক-দেউতাক কত শিকিলে? তেওঁলোকেও মাক-দেউতাকৰ পৰা শিকিছে। এনেদৰে গৈ থাকিলে আমি আদিম মানুহৰ কাষ চাপিম। তেতিয়াও আমি আচল উত্তৰ নাপাম। আমাৰ মনত আকৌ প্ৰশ্ন জাগি উঠিব, আদিম মানুহে ভাষা ক'ত পালে? তেনেহ'লে মানুহে বাৰু এই আচৰিত ক্ষমতাশালী ভাষাটোৰ অধিকাৰী কেনেকৈ হ'বলৈ পালে?

ইহুদীসকলে ওল্ড টেষ্টামেণ্টৰ হিব্ৰুভাষাটোকে মানুহৰ আদিম ভাষা বুলি বিশ্বাস কৰে। এই ভাষাটো স্বৰ্গত কোৱা হৈছিল আৰু এই ভাষাৰ পৰা আন আন ভাষবোৰৰ সৃষ্টি হয়—"Hebrew was thought to be the language spoken in Paradise, and therefore imagined to be the language from which all other languages were descended."[১]—(Jesparsen) বাইবেলত আন এটি কথাৰ উল্লেখ আছে যে ঈশ্বৰে আদমক সৃষ্টি কৰিছিল আৰু সকলো জীব-জন্তুকে নাম ৰাখিবৰ বাবে তেওঁৰ ওচৰলৈ অনা হৈছিল। তেওঁ সকলো বস্তু আৰু জীব-জন্তুৰ একোটাকৈ নাম ৰাখিছিল। ইংলণ্ডৰ বিখ্যাত ডাক্তৰ আৰু লিখক থোমাচ ব্ৰাউন (Thomas Browne)ৰ হিব্ৰু ভাষাৰ প্ৰতি গভীৰ শ্ৰদ্ধা থকা বাবে ভাবিছিল যে যি কোনো শিশুকে যদি জন্মৰ লগে লগেই মানব সমাজৰ পৰা আঁতৰত ৰখা হয়, তেন্তে সি হিব্ৰুভাষাটো ক'ব পাৰিব। কিন্তু বহুতো শিশুক প্ৰমাণ কৰি পোৱা গৈছে যে সমাজৰ পৰা পৃথক কৰি ৰখা শিশুৱে জন্তুৰ দৰে মাত মাতে। মানুহৰ লগত বাস কৰাৰ পিছতহে ভাষা আয়ত্ব কৰে।

হিন্দু-শাস্ত্ৰমতে পৃথিবীত প্ৰথমে মনুৰ জন্ম হয় আৰু মনুৰ পৰাই মানুহৰ জন্ম হয়। কিন্তু পৃথিবীৰ একেখন ঠাইতে প্ৰথমে মানুহৰ জন্ম হোৱা নাছিল।

বিভিন্ন ঠাইত মানুহৰ জন্ম হয় আৰু তেওঁলোকে বেলেগ বেলেগ ভাষা কৈছিল।

ধৰ্মত গভীৰ আস্থা থকা কিছুমান লোকে পৃথিবীত প্ৰথমে ভগবানে ভাষাৰ সৃষ্টি কৰা বুলি ভাবে। তেওঁলোকৰ মতে ভগবানে ঋষিসকলক এটা ভাষা শিকাইছিল আৰু সি আছিল 'দেৱভাষা' ( সংস্কৃত )।

বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে আকৌ পালি ভাষাটো প্ৰথমে ভগবানে তেওঁলোকক শিকাইছিল বুলি কয়। জৈনসকলে আকৌ অৰ্দ্ধমাগধী ভাষাটোহে মানুহৰ মূল ভাষা বুলি দাবী কৰে। উপৰোক্ত ভবা লোক-সকলে আকৌ ক'ব খোজে যে মানুহে জন্মৰ লগে লগে ভাষা শিকি আহে। কিন্তু প্ৰশ্ন হয়, তেওঁ কোনটো ভাষা শিকে? এইখিনিতে এটি উদাহৰণ দাঙি ধৰা হ'ল,—গোৱালপাৰাৰ এটি ৰাভা ভাষাভাষী পৰিয়ালৰ শিশু এটিক ওপজাৰ লগে লগে নি যদি গাৰোপাহাৰৰ এটি গাৰো ভাষাভাষী পৰিয়ালত ৰখা হয় আৰু গাৰো পৰিয়ালত ওপজা শিশুটিক ৰাভা পৰিয়ালটিত ৰখা হয়, তেন্তে দেখা যাব যে ৰাভা শিশুটিয়ে গাৰো ভাষা আৰু গাৰো শিশুটিয়ে ৰাভা ভাষা ক'বলৈ শিকিছে। গতিকে ইয়ে প্ৰমাণ কৰে যে জন্মৰ লগে লগে মানুহে কোনো ভাষা শিকি নাহে।

ডাৰ্‌উইনেও (Darwin) কৈছে যে ভাবৰ প্ৰকাশেই (Expression of the emotions....) ভাষাৰ জন্মৰ মূল কাৰণ। ভাষাবিজ্ঞানী পাগেট্ (Paget) আৰু আধুনিক ভাষাতাত্ত্বিকসকলেও এই মত সমৰ্থন কৰে। এড্‌ৱাৰ্ড চাপিৰে (Edward Sapir) কৈছে যে, যদি কোনো শিশুক মানৱ সমাজৰ পৰা আঁতৰাই ৰখা হয়, তথাপি সি কোনো প্ৰশিক্ষণ নোলোৱাকৈয়ে খোজ কঢ়িবলৈ শিকিব; কিন্তু ভাষা ক'বলৈ নিশিকিব।

ডঃ উপেন্দ্ৰনাথ গোস্বামীয়ে কৈছে, "ভাষা শব্দটো সংস্কৃত 'ভাষ্' ধাতুৰ পৰা সিদ্ধ। তাৰ অৰ্থ হৈছে 'ব্যক্ত বাণী'। ব্যক্ত বাণীৰ অৰ্থ হ'ল স্পষ্ট আৰু পূৰ্ণ অভিব্যঞ্জনা। সি আকৌ উচ্চাৰিত বাচিক ভাষাতহে সম্ভৱ। কাৰণ তাত সূক্ষ্মতকৈও সূক্ষ্ম অৰ্থবোধক অনন্ত ধ্বনি প্ৰতীক থাকে। গতিকে ভাষা শব্দৰ প্ৰয়োগ মানুহৰ ভাষাৰ ক্ষেত্ৰতহে প্ৰযোজ্য, ভাব প্ৰকাশৰ আন মাধ্যমৰ ক্ষেত্ৰত নহয়। ৰাস্তাৰ ৰঙা-নীলা লাইট, নাৱিকৰ নিচান, টেলিগ্ৰামৰ টক্‌টক্ শব্দ, পুলিচৰ হুইচেল আদিক ভাষাৰ ভিতৰত পেলাব নোৱাৰি। ভাষাৰ দুটা প্ৰধান ফালৰ এটা ধ্বনন আৰু আনটো শ্ৰৱণ।" বিখ্যাত ভাষাবিজ্ঞানী লিওনাৰ্ড ব্লুমফিল্ডে (Leonard Bloomfield) ইয়াক উদ্দীপনা (stimulation) আৰু প্ৰতিক্ৰিয়া (Response) বুলি কৈছে। তেওঁ কথাটো এনেদৰে বুজাইছে,—এদিনাখন জেক্ (Jack) আৰু জিল (Jill)-এ ফুৰি আছিল। জিলৰ বৰ ভোক লাগিছিল। তাই আপেল গছত এটি ফল দেখি ভোকৰ তাড়নাত ৰ'ব নোৱাৰি কিবা ধ্বনি উচ্চাৰণ কৰে। জেকে তাইৰ ফালে ঘূৰি চায় আৰু গছত উঠি আপেলটো আনি দিলে। জিলৰ ভোক লগা, আপেল দেখা, জেক কাষতে থকাত তাৰ ফালে চাই কিবা ইঙ্গিত দিবলৈ অনুপ্ৰেৰণা পোৱা আদি কাৰ্য উদ্দীপনা। তাৰ পিছত যেতিয়া জিলে কিবা এটা ধ্বনি উচ্চাৰণ কৰি আপেলটো দেখুৱাই দিয়ে, তেতিয়া ইয়াৰ প্ৰতিক্ৰিয়া হ'ল। পিছলৈ গৈ সেই ধ্বনিয়ে স্পষ্ট ধ্বনিত পৰিণত হ'ল আৰু এনেকৈয়ে বিভিন্ন শব্দৰ সৃষ্টি হ'বলৈ ধৰিলে। গতিকে মানুহে যি স্পষ্ট ধ্বনি উচ্চাৰণ কৰে আৰু সেই ধ্বনি শুনি শ্ৰোতায়ো ধ্বনিৰে প্ৰত্যুত্তৰ দিব পাৰিলেই ভাষা হয়।

ভাষাৰ উৎপত্তি সম্বন্ধে কিছুমান তথ্য চমুকৈ তলত আলোচনা কৰা হ'ল।

(১) **ধ্বন্যানুকৰণ সূত্ৰ** (The bow wow or Onomatopoetic theory) :

অনুকৰণশীল মানৱে তাৰ ওচৰে-পাজৰে শুনা জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাত অনুকৰণ কৰি বিভিন্ন

শব্দৰ সৃষ্টি কৰে। কুলিৰ ( ইং Cuckoo ) 'কুঁউ কুঁউ', ঝিলিৰ 'ঝিঁ ঝিঁ', মেকুৰীৰ 'মেও' ইত্যাদি মাত অনুকৰণ কৰি লোৱা। চীনা ভাষাত মেকুৰীক 'মিঅউ' আৰু অসমীয়া সৰু ল'ৰা-ছোৱালীয়েও মেকুৰীক 'মেও' বোলা শুনা যায়। ঠিক তেনেদৰে ৰেলৰ 'উকি' আৰু 'ঘচ্ ঘচ্' শব্দ, মটৰৰ 'ঘৰ্ঘৰণি', চাইকেলৰ 'টিলিঙাৰ' শব্দও সৰু ল'ৰা-ছোৱালীয়ে অনুকৰণ কৰা শুনা যায়। সেইদৰে কাক, কুকুৰা, কুকুৰ আদি শব্দও সেই সেই প্ৰাণীৰ মাতৰ অনুকৰণত সৃষ্টি হ'ব পাৰে। এয়ে ধ্বন্যানুকৰণ সূত্ৰ।

(২) বিস্ময়বোধক সূত্ৰ (Pooh pooh or Interjectional or fut fut theory) :

সকলো মানুহৰ অন্তৰতে সুখ, দুখ, ভয় আদি ভাবৰ উদ্ৰেক হয়। তেনে ভাবৰ উদ্ৰেক হ'লে কিছুমান শব্দ অজানিতে ওলাই আহে। যেনে—বাঃবাঃ, ইস্ ইস্, হায় হায়, আঃ, উস্, ধেৎ ইত্যাদি। এনেবোৰ শব্দই বিস্ময়বোধক সূত্ৰত পৰে।

(৩) ধ্বন্যাত্মক সূত্ৰ (Ding dong or Pathagenic theory) :

এনে কিছুমান শব্দ আছে যিবোৰ উচ্চাৰণ কৰাৰ লগে লগে তাৰ অৰ্থ ওলাই পৰে। যেনে বতাহৰ 'ৰিব্ ৰিব্', পানীৰ 'কুলু কুলু', শুকান পাতাৰ 'মৰ্ মৰ্', ডেউকাৰ 'ধপ্ ধপ্', ইংৰাজী 'জিগ্ জাগ্', হিন্দী 'ঝগ্ মগ্', আদি ধন্যাত্মক শব্দ।

(৪) য়ো-হো-হো সূত্ৰ বা উদ্দীপনাবোধক সূত্ৰ (Yo-he-ho theory) :

কামৰ কষ্ট লাঘব কৰিবলৈ মানুহে মুখেৰে কিছুমান ধ্বনি উচ্চাৰণ কৰে। গাড়ীত গছ তোলোতে, খৰিকটীয়াই খৰি কাটোতে, কমাৰে দা-কুঠাৰ গঢ়োতে, গাত জোৰ পাবলৈ আৰু শ্ৰমৰ কষ্ট কমাবলৈ তেনেকুৱা কেতবোৰ শব্দ উচ্চাৰণ কৰে। জাহাজৰ লঙৰ তোলোতেও নাবিকসকলে 'য়ো-হে-হো' বা 'হেই-ঔ-হো' শব্দৰ সৃষ্টি কৰে।

(৫) ইঙ্গিতবোধক সূত্ৰ (The Gesture theory) :

মানুহে স্পষ্ট ধ্বনিৰে কোনো ভাবাবেগ বুজোৱাৰ আগতে অঙ্গভঙ্গী বা ঠাৰেৰে বুজাইছিল। এই সূত্ৰৰ সমৰ্থকসকলে উচ্চ ধৰণৰ জন্তু আদিয়ে ব্যৱহাৰ কৰা ইঙ্গিত পদ্ধতিবোৰলৈ আঙুলিয়ায়। চিম্পাঞ্জীয়েও ইঙ্গিতেৰে আৰু চিঞৰ-বাখৰেৰে তাৰ মনৰ ভাব প্ৰকাশ কৰে। খুব সম্ভৱ আদিম মানুহৰ ক্ষেত্ৰতো এইটোৱেই ঘটিছিল।

আনুমানিক খৃষ্ট পূৰ্ব ৩৫০০ চনত মানুহে কথা ক'বলৈ কৰে। সি হয়তো আছিল ইঙ্গিতৰ ভাষা (Gesture language)। তেতিয়া মানুহে হয়তো ওঁঠ আৰু জিভাৰ ঠাৰেৰেও বহু কথা বুজাইছিল।

(৬) সাঙ্গীতিক সূত্ৰ (Musical theory) :

এই সূত্ৰমতে আকৌ ভাষাৰ জন্ম হয় সঙ্গীতেৰে। ভাষাবিজ্ঞানী জেচপাৰচনে এই মত পোষণ কৰে। তেওঁৰ মতে আদিম মানুহে বৰ দীঘলীয়া আৰু দাঁতভঙা ধ্বনিৰে গঠিত শব্দ উচ্চাৰণ কৰিছিল। কিন্তু সেইবোৰ বৈ বৈ উচ্চাৰণ কৰা বাবে তাত এটি সুমধুৰ সুৰৰ সৃষ্টি হৈছিল। তেওঁ কয় যে—নাইটিঙ্গেলৰ প্ৰেমৰ মূৰ্চ্ছনাৰে আদিম ভাষাৰ জন্ম হৈছিল।

(৭) জোৰণ বা সংযোগ সূত্ৰ (Contact theory) :

এই সূত্ৰমতে সামাজিক সহযোগিতাৰ ফলত ভাষাৰ জন্ম। আকাৰ-ইঙ্গিতেৰে আদিম মানুহবোৰ গোট খাই হয়তো একোটা ধ্বনি উচ্চাৰণ কৰিছিল আৰু সৰ্ব্বসম্মতিক্ৰমে সেই শব্দটো গ্ৰহণ কৰিছিল। ধ্বনি উচ্চাৰণ কৰি আদিম মানুহে নিশ্চয় আনন্দত আত্মহাৰা হৈ পৰিছিল। প্ৰফেচৰ জি, ৰিভিজে (G. Revesg) এই সূত্ৰটো আগবঢ়াইছিল। তেওঁ দেখিবলৈ পাইছে যে মানুহে তেওঁলোকৰ দৈনন্দিন জীৱনৰ অভাৱসমূহ

পূৰণৰ হেতু লগৰীয়াৰ লগত কিছুমান ধ্বনি উচ্চাৰণ কৰি সেইবোৰ ব্যৱহাৰ আৰু প্ৰচাৰ কৰিবলৈ চুক্তিবদ্ধ হয়। এইখিনিতে ভাষা-বিজ্ঞানী জেচপাৰচনৰ এটি উক্তি দাঙি ধৰিলোঁ—"Rousseau imagined the first men setting themselves more or less deliberately to frame a language by an agreement similar or (to forming part of) the contract social which according to him was the basis of all social order." সৰ্ব্বসম্মতিক্ৰমে যে একোটি ভাষাৰ জন্ম হ'ব পাৰে সেই কথা বিখ্যাত পণ্ডিত ৰুছোৱে আগতেই অনুমান কৰিছিল।

(৮) মূল সূত্ৰ (Root theory):

দৈনন্দিন জীৱনত ব্যৱহৃত আৰু অসংখ্য শব্দ আছে, যিবোৰ শব্দ মানুহে বুদ্ধি আৰু ভাবৰ সহায়ত সৃষ্টি কৰি নিজৰ অভাৱ পূৰণ কৰি লয়। চিন্তা-শক্তিৰ বিকাশৰ লগে লগে মানুহে বিভিন্ন পৰিস্থিতিত অনেক নতুন নতুন শব্দৰ জন্ম দিয়ে। এয়ে মূল সূত্ৰ। প্ৰকৃতিৰ লগত প্ৰত্যয় লগল গাই নতুন নতুন অৰ্থ প্ৰকাশক শব্দৰ সৃষ্টি কৰিব পাৰি। অসমীয়া ভাষাত গুণ্ গুণ্, পিৰ্ পিৰ্, খলখল আদি শব্দৰ পৰা ক্ৰমান্বয়ে গুণগুণনি/গুণ্ গুণাইছে, পিৰ্ পিৰনি/পিৰ্ পিৰাইছে, খল্খলনি/খল্খলাইছে আদি শব্দ পোৱা গৈছে।

এই সকলোবোৰ তথ্য সূক্ষ্মভাবে বিশ্লেষণ কৰি চালে এইটো খাটাং হৈ পৰে যে ভাষাৰ উৎপত্তি কোনো এখন নিৰ্দ্দিষ্ট ঠাইত হোৱা নাই আৰু ভগবানেও আহি মানুহক ভাষা শিকোৱা নাই। ভাষা ক্ৰমবিকাশৰ ফল মাত্ৰ। এই আপাহতে শিশুৱে স্তৰে স্তৰে কেনেদৰে ভাষা আয়ত্ত কৰে সেই সম্পৰ্কে দুটামান কথা আলোচনা কৰিলে পাঠটো উজু হৈ পাৰিব। এইখিনিতে ভাষা শিকাটো কিমান কঠিন কাম সেই সম্পৰ্কে উল্লেখ কৰা এজন ডেনমাৰ্কীয় দাৰ্শনিকৰ মন্তব্যটি আগবঢ়োৱাৰ লোভ সামৰিব নোৱাৰিলোঁ—

"In his whole life man achieves nothing so great and so wonderful as what he achieved when he learnt to talk."

প্ৰথম স্তৰত (the screaming time) অৰ্থাৎ জন্মৰ লগে লগে শিশুৱে তাৰ বাকযন্ত্ৰ চালনা কৰি কিছুমান বিশৃঙ্খল ধ্বনিৰে চিঞৰে। সি আনৰ মাত অনুকৰণ কৰিবলৈ চেষ্টা কৰে, কিন্তু নোৱাৰে। গতিকে কিছুদিন সি কেল্‌কেলায়। দ্বিতীয় স্তৰত (the crowing or babbling time) সহজতে উচ্চাৰণ কৰিব পাৰা ঔষ্ঠ্য ধ্বনি প, ব, ম, মা, মো আদি ধ্বনি আৰু লাহে লাহে মামা, বাবা, পাপা আদি শব্দ উচ্চাৰণ কৰিব পৰা হয়। শিশুৱে মাকৰ পিয়াহ খাই থকা অৱস্থাত তাৰ ওঁঠ আৰু জিভাই সদায় কাম কৰাৰ ফলত প্ৰথমে ঔষ্ঠ্য আৰু তাৰ পিছত কণ্ঠ্য ধ্বনিৰ সৃষ্টি হোৱাটো মন কৰিবলগীয়া কথা। আনকি কণা শিশুৱেও পোনতে তদ্ৰূপ ধ্বনি উচ্চাৰণ কৰে। তৃতীয় স্তৰত (the talking time), শিশুৱে মূৰ্ত্ত বস্তুবোৰ অৰ্থাৎ তাৰ চকুৰ আগত থকা জীৱ-জন্তুৰ নাম—গৰু, ছাগলী, হাঁহ, পাৰ, কাউৰী, শিয়াল, শগুণ আদি শব্দবোৰ শিকিবলৈ আৰম্ভ কৰে। তাৰ পিছত লাহে লাহে ভাল, বেয়া, সাধু, দুষ্ট, মিঠা, টেঙা আদি অমূৰ্ত্ত ভাবপ্ৰকাশক শব্দবোৰ শিকি লয়। এনেদৰে ভাষাই অগ্ৰগতি লাভ কৰে।

আন এজন ভাষাবিদ H.&C. Laird-এ ভাষাৰ উৎপত্তি সম্পৰ্কে এটি বৰ আমোদজনক উদাহৰণ দাঙি ধৰিছে: এটি গুহাত মাক-পিতাক আৰু এহাল ল'ৰা-ছোৱালীৰে এটি পৰিয়াল বাস কৰিছিল। পুতেকৰ শোৱা বিছনাখন গুহাটোৰ এমূৰত ঘোৰখোৱা ঠাইখিনিতে। সি বিছনাৰ পৰা উঠি খিয় দিব খোজোতে সদায় মূৰত খুন্দা খায়। তাকে দেখি পিতাকে তাক সাৱধান কৰি দিবলৈ মুখেৰে কিবা এটা শব্দ

কৰে। ধৰা হ'ল শব্দটো 'দপ্' (dop)। পিছদিনা ৰাতিপুৱাও পিতাকৰ মুখত সেই শব্দটো শুনি সি সাবধান হোৱাত সি নিৰাপদে গুহাৰ পৰা ওলাই যাব পাৰিলে। তাৰে দুদিনমান পিছতেই পিতা-পুত্ৰ দুয়োজনে ফুৰিবলৈ ওলাই গ'ল আৰু হঠাতে পিতাকৰ মুখৰ পৰা 'দপ' শব্দটো উচ্চাৰিত হ'ল; কিন্তু ক্ষীণভাৱে। পৰিয়ালৰ সকলোকেইটি থাকোতে কিন্তু শব্দটো ডাঙৰ হৈছিল। পুতেকে এইবাৰো শব্দটো শুনিলে আৰু থামিল। সি দূৰলৈ দৃষ্টি নিক্ষেপ কৰিলে আৰু এটা হিংস্ৰ গড় দেখিবলৈ পালে। পিতাকে গড়টো আঁতৰি যোৱাত অনুভৱ কৰিলে যে তাৰ সেই ধ্বনিয়ে কাম দিছে। গতিকে এই 'দপ' শব্দটো তেওঁৰ কাৰণে প্ৰয়োজনীয় হ'ব। এই শব্দটোৰ বাবে তেওঁলোকে বহুতো বিপদৰ পৰা হাত সাৰিলে। সেই কাৰণে পিতাকে পৰিয়ালৰ সকলোকে এই শব্দটো শিকাবলৈ সিদ্ধান্ত ললে।

আদিম মানুহে এনেদৰে শব্দ সৃষ্টি কৰি যেতিয়া উপকৃত হোৱা যেন পালে, তেতিয়া তেওঁলোকৰ শব্দ সৃষ্টি কৰাটো এটা প্ৰাকৃতিক ধৰ্ম যেনেই হৈ পৰিল। শব্দ সৃষ্টি কৰি তেওঁলোকে আমোদ পোৱা হ'ল। তেওঁলোকে প্ৰকৃতিৰ ভিন্ ভিন্ বস্তু আৰু পশু-পক্ষীৰ মাত অনুকৰণ কৰি মনৰ আনন্দতে কিৰিলি পাৰি নাচিছিল। এনেদৰে বহুতো অৰ্থবাচক শব্দৰ জন্ম হৈছিল। অৱশ্যে ইও অনুমানসাপেক্ষ।

গ্ৰীক দাৰ্শনিক প্লেটোৱে ভাবিছিল যে পৃথিৱীৰ সকলো বস্তুৰে একো একোটা নাম আছিল আৰু সেই নামটোৱে কেবল নিৰ্দ্দিষ্ট বস্তুটোকহে বুজাইছিল,—অইন বস্তুক নুবুজাইছিল। এই প্ৰাকৃতিক নামবোৰ উদ্ঘাটন কৰাই আদিম মানুহৰ একমাত্ৰ চিন্তা আছিল। প্লেটোৰ মতে ভগবানে মানুহৰ বাবে এটা নিৰ্দিষ্ট আৰু সম্পূৰ্ণ ভাষা দি গৈছিল।

আটাইবোৰ কথা চালি-জাৰি চাই আমি ইয়াকে ক'ব পাৰোঁ যে গাড়ী, মটৰ, জাহাজ, বিমান আদি আবিষ্কাৰ কৰাৰ দৰে ভাষাও মানুহৰ নিজা উদ্ভাৱন। কেতিয়া, কেনেদৰে আৰু কোন ঠাইতনো ভাষাৰ জন্ম হৈছিল আৰু মানুহৰ প্ৰথম শব্দটোনো কি আছিল আৰু কোনজন আদিম পুৰুষে সেই শব্দটো কৈছিল তাক জানিবলৈ আমাৰ মনত কৌতুহল জন্মে। কিন্তু এই ৰহস্য উদ্ঘাটন কৰিবৰ উপায় থাকিব পাৰে বুলি মোৰ মনে নকয় *

---


* সহায়ক গ্ৰন্থপঞ্জী—

(1) Otto Gesperson—Language-its nature, development and origin.
(2) C. L. Barber—The Story of Language.
(3) ডঃ উপেন্দ্ৰনাথ গোস্বামী—ভাষা বিজ্ঞান (দ্বিতীয় পৰিবৰ্দ্ধিত সংস্কৰণ)।
(4) H. & C. Laird—The Tree of Language.
(5) Edward Sapir—Language, An Introduction to the study of speech.
(6) Leonard Bloomfield—Language.
(7) J. S. Taraporewala—Elements of the Science of Language.

# হেৰোৱা জীৱনৰ চ কু লো

মিচ্ নীলিমা ৰাভা
প্ৰথম বাৰ্ষিক ( কলা ) প্ৰাক্ বিশ্ববিদ্যালয়

চ—কু—লো····লাহে লাহে ওলাই আহিছিল মোৰ শিল্পী মনৰ চকুলো। এটোপাল নহয়—দুটোপাল নহয়—বহুত টোপাল, হেজাৰ হেজাৰ····।

মাজনিশা। চাৰিওফালে নিমাত, নিজম, সকলোবোৰ শুই পৰিছে। মাথো আকাশত থকা তৰাবোৰে অযুত যুগৰ নিযুত কল্পনা লৈ সাৰে আছে। দূৰত-বহুদূৰত কুকুৰৰ ভুক্-ভুকনি। বাহিৰত হাঁড় কঁপোৱা হিমকুৰা জাৰ। ফিৰ্ ফিৰিয়া বতাহে মাজে মাজে গা কঁপাই যায়। লাহে লাহে ভাঁহি আহে এই এন্ধাৰত সেই দিনৰ কথাবোৰ। এই কোঠাতে। ঠিক এই কোঠাতে এই ঠাইতে কৈছিল তেওঁ,—"কি গীত এইটো? কাৰ গীত? কি অদ্ভুত গীত গাইছা? অলপো হোৱা নাই। কিবা এটা গাব খুজিলে অলপ ভালকৈ গাব লাগে।" এনেকৈ বহুতো। পিছত ওলাই যোৱাৰ লগে লগে মোৰ গীত অবুজ মনৰ বাধাত সামৰণি পৰিল; ভয় লাগিছিল। শুনিবলৈ বেয়া হৈছে নে গানটো গোৱাৰ কাৰণে দোষ হৈছে? তথাপিও গীতৰ বহীটো টুকুৰা টুকুৰ কৰিব নোৱাৰিলোঁ। শেষত লাহে লাহে দুহাতেৰে মোহাৰি পেলাইছিলোঁ খণ্ডতে। মনৰ দুখতে বেৰৰ চেপনাত গুজি থৈ ওলাই আহিছিলোঁ বাহিৰলৈ।

কান্দিছোঁ। সেই দিনা মই হেঁপাহ পলুৱাই কান্দিছোঁ। এবাৰ নহয়—দুবাৰ নহয়—বহুতবাৰ ফেকুৰী ফেকুৰী কান্দিছোঁ। কিন্তু কান্দিলে কি হ'ব? কান্দিয়েই জানো মই মোৰ মনৰ দুখ আঁতৰাব পাৰিম? কান্দোনেই জানো মোক সান্ত্বনা দিব? কান্দিলেই যদি মানুহে ব্যথা বেদনাৰ পৰা সকাহ পাব পাৰে তেনেহ'লে হয়তো গোটেই বিশ্বৰ মানুহে মনৰ বেজাৰ পাতলাবৰ কাৰণে কান্দি পেলালেহেঁতেন, আৰু তেতিয়া কোনো মানুহৰ মনতে দুখো নাথাকিলেহেঁতেন নিশ্চয়।

সেই দিনটো—মোৰ বাবে আছিল বৰ দুখৰ, বৰ বিষাদৰ। সেই দিনা হতাশ হৈ পৰিছিলোঁ প্ৰথম বাৰৰ বাবে, ভাঙি পৰিছিল মন, সকলো উদ্যম আৰু আশা চূৰ মাৰ হৈ গৈছিল নিমিষতে। হয়তো তেখেতে নুবুজে গান গোৱাটোৱেই মোৰ জীৱনৰ উদ্দেশ্য। সেইবুলি মই আশা কৰা নাছিলোঁ এজনী গায়িকা হ'বলৈ। তাৰ পিছৰপৰা তেখেতলৈ মোৰ ভয় লাগিছিল। সময়ে সময়ে এমোকৰা তাচ্ছিল্যৰ হাঁহি মুখত লৈ কোৱা কথাবোৰ মোৰ মনত পৰে,—"আজি-কালি অদ্ভুত গান গোৱানে নাই····।" উত্তৰ দিয়া নাছিলোঁ। তেতিয়া মনটো সেমেকি পৰিছিল। ৰঙা

হৈ পৰিছিলো মাত্ৰ, মনৰ উদ্যম কমি আহিছিল। লাহে লাহে ঘৰলৈ উভতিছিলোঁ। তেতিয়া সূৰ্য্য সোমাই পৰিছিল নিজৰ শোৱা কোঠাত।

মই সোমাই গৈছিলোঁ মোৰ নিজৰ শোৱা কোঠাত। টেবুলৰ ওপৰত সজাই ৰখা বিষ্ণুৰাভাৰ ফটোখন আজি মই বেলেগ ধৰণে উপলব্ধি কৰিলোঁ; কিয়নো বিষ্ণুৰাভাই হাঁহি হাঁহি গান গাই আছে। ছবিখন দেখি মোৰ অসম্ভৱ খং উঠিছিল। আজি—আজি কিন্তু থাকিবলৈ নিদিম মোৰ শোৱা কোঠাত। সকলোবোৰ আজি-ফালি-চিৰি শেষ কৰি দিম। নিমিষতে ছবিখন ফ্ৰেমৰ পৰা খুলি পেলালোঁ। আজি মই জুইৰ শিখাত সকলোবোৰ শেষ কৰি দিম। ভষ্মীভূত হৈ যাওঁক মোৰ জীৱনৰ আশাবোৰ। ইমান দিনৰ পৰিশ্ৰম আজি শেষ কৰি দিম। কিন্তু....কিন্তু মইযে ইমান ভালপাওঁ গান গাই। নাই, পুৰি পেলাব নোৱাৰিলোঁ। লাহে লাহে সুমাই থলোঁ ট্ৰাঙ্কৰ ভিতৰত। তেতিয়াৰ পৰা গীত গোৱা নাছিলোঁ। যদিও গাইছিলোঁ সেই পূৰ্ব্বৰ দৰে প্ৰবল উদ্যম পোৱা নাছিলোঁ। নিষ্ঠুৰ নিয়তিৰ পৰিহাসত সেই উদ্যম ক'ৰবাত হেৰাই গৈছিল।

প্ৰোন্ধৰ আগষ্ট। চাৰিওপিনে স্বাধীনতাদিবসৰ উলহ মালহ। সেই দিনা ৰাজহুৱা সভা পতা হৈছিল। মই মাথো এটা গান গাইছিলোঁ। ল'ৰা-ছোৱালী, অধ্যাপক অধ্যাপিকা আৰু বিশিষ্ট কেইজনমান অতিথি সভাস্থলীত ভৰি পৰিছিল। বহু সময় পাৰ হৈ যোৱাৰ পিছত জাতীয় সঙ্গীত গাই সভাৰ কাৰ্য্য সমাপ্ত কৰা হৈছিল। হঠাৎ পিছফালৰ পৰা কাৰবাৰ মৃদু পৰশ অনুভৱ কৰিলোঁ। উভতি দেখিলোঁ সেই মানুহ জন। তেতিয়া মোৰ বুকু কঁপি উঠিছিল। মই কি কৰিছিলোঁ নিজেই অনুভৱ কৰিব পৰা নাছিলোঁ। কেইটামান বোবা মুহূৰ্ত পাৰ হৈ গ'ল। পিছত মানুহজনে লাহেকৈ কলে,—"তুমি দুখ পাইছা নেকি? বহুবাৰ তোমাক যে কিবা কিবি কৈছিলোঁ! বেজাৰ নকৰিবা আৰু; পাৰিবা। মই ভবা নাছিলোঁ তুমি যে এনেকুৱা গান গাব পাৰা!" আৰু বহু কথা কৈছিল সেই মানুহজনে। অজানিতে মোৰ গোটেই শৰীৰ কঁপি উঠিছিল। মুখ-খনত বিন্দু বিন্দু ঘাম ওলাইছিল। মই তলমূৰ কৰিছিলোঁ আৰু একো কোৱা নাছিলোঁ। মানুহজনে বুজনিৰ সুৰত কিছুমান কথা কৈ আঁতৰি গৈছিল। শেষত মই মানুহজনলৈ চাই ভাবিছিলোঁ, তেওঁ কিয় আছি এনেকৈ কলে, এয়া মৰম নে কিবা চলনা···! যি জনে এদিন বিদ্ৰূপৰ হাঁহি মাৰি কৈছিল, "কি অদ্ভুত গীত গাইছা" যাৰ ফলত মোৰ মন হতাশ হৈ গৈছিল, আজি আকৌ সেইজন মানুহে এনেদৰে কলে কিয়? মই ভাবি ভাবি তাৰ সমিধান বিচাৰি নাপালোঁ।

শ্ৰদ্ধা আৰু প্ৰীতি থাকিল। আপোনাৰ সেই কঠুৱা কঠুৱা লগা কথাবোৰে মোৰ অন্তৰত কলা দাগ বহুৱাই দিছিল। কিন্তু সেই কলা দাগে মোৰ মনৰ আঁশা পূৰণ কৰি দিলে। সময়ে তাৰ প্ৰতিশোধ ললে।

ইতি—

মিচ্ এন্ কলিতা

চিঠিখন লিখি উঠি কিহবাৰ আবেগতে টেবুলৰ ওপৰত মূৰটো থৈ অজানিতে হুক্ হুকাই কান্দিছিলোঁ। কব নোৱাৰো লুকাই থকা শিল্পীমনে আজিও কিয় কান্দি উঠে····· এয়া আনন্দৰ নে বিষাদৰ।

# মহাত্মা কবীৰ

মিচ্‌ ৰঞ্জিতা দাস
প্ৰথম বাৰ্ষিক ( কলা )
প্ৰাক্‌ বিশ্ববিদ্যালয়।

এই ভৱসংসাৰত ভগৱানৰ মহিমা প্ৰচাৰ আৰু গুণ-কীৰ্ত্তন কৰিবৰ কাৰণে অনেক মহাপুৰুষে জন্ম গ্ৰহণ কৰি অমৰত্ব লাভ কৰিছে। মহাত্মা কবীৰ তেওঁলোকৰ ভিতৰত এজন। এওঁ এজন একান্ত ভকত আৰু ঐকান্তিক ভক্তি প্ৰচাৰ-কৰ্তা বুলি প্ৰখ্যাত।

প্ৰবাদ আছে যে এওঁ যবন ( মুছলমান ) বংশোদ্ভৱ তাঁতী জাতীয় মানুহ আছিল। 'ভক্তিমালা' গ্ৰন্থত লিখা আছে গুৰু ৰামানন্দৰ এজন ব্ৰাহ্মণ শিষ্য আছিল। তেওঁ এদিন তেওঁৰ বিধবা কন্যা এজনীকলৈ গুৰুৰ ওচৰলৈ যোৱাত গুৰুৱে শিষ্য কন্যাৰ ভক্তিত সন্তুষ্ট হৈ কলে,—"বাছা, তুমি সুপুত্ৰৱতী হোৱা।" কন্যাটি যে বিধবা গুৰুই তাক জনা নাছিল। শিষ্যকন্যাই নিদাৰুণ অভিশাপস্বৰূপ বৰ লাভ কৰি গুৰুৰ চৰণত ধৰি কান্দিবলৈ ধৰিলে। গুৰুই এই বৃত্তান্ত জানিব পাৰি ইয়াকে মাত্ৰ কলে যে, "মোৰ বাক্য কেতিয়াও অন্যথা নহ'ব। তুমি মোৰ আশীৰ্বাদেৰে পবিত্ৰ গৰ্ভধাৰণ কৰি এটি পৰম সাধু সন্তান লাভ কৰিবা।" এই কথা শুনি ব্ৰাহ্মণ-কন্যাই দুখ মনে ঘৰলৈ উলটি আহিল আৰু যথা সময়ত এটি পুত্ৰ সন্তান প্ৰসৱ কৰিলে ; কিন্তু লোক-অপবাদৰ ভয়ত কাশীৰ ওচৰৰ এটি পুখুৰীত সন্তানটি উটাই দি মনে মনে গুছি আহিল। কিছু সময়ৰ পিছত নুৰী নামেৰে মুছলমান তিৰোতাই সেই কুমলীয়া ল'ৰাটি পানীৰ মাজত ভাঁহি থকা দেখি পানীৰ পৰা তুলি আনিলে আৰু অতি আদৰেৰে পালন কৰিবলৈ লৈযোৱাত সেই কেঁচুৱা ল'ৰাটিয়ে মাত দি ক'লে,—"মোক কাশীলৈ লৈ ব'লা।" নুৰী আচৰিত হ'ল আৰু উপদেৱতা বুলি ভাবি ল'ৰাটি পেলাই থৈ গুছি গ'ল। এমাইল মান বাট গৈ দেখে যে সেই ল'ৰাটি তাইৰ আগতে পৰি আছে। নুৰীয়ে ভয়খাই পলাব খোজাত, ল'ৰাটিয়ে ক'বলৈ ধৰিলে,—"তুমি মোক নি পালন কৰা ; তোমাৰ কোনো ভয় নাই।" নুৰীয়ে বিহ্বলচিত্তে ল'ৰাটি নি পালন কৰিবলৈ ধৰিলে। ল'ৰাটি কিছু ডাঙৰ হোৱাত নুৰীৰ বৃত্তি ( কাপোৰ বোৱা, বেচা ) কৰিবলৈ ধৰিলে। সেই ল'ৰাটিয়ে শেষত কবীৰ নামেৰে জনাজাত হয়।

প্ৰবাদ আছে যে, কবীৰে এদিন ঘৰত ভাত নোহোৱাত বজাৰৰ পৰা চাউল, ৰুটি আদি আনিবৰ কাৰণে এখন কাপোৰ বেচিবলৈ লৈ গৈছিল। এজন দুখীয়া কণা মানুহে সেই কাপোৰখন খোজাত কবীৰে দুখীয়াৰ দুখ দেখি আনন্দ মনেৰে কাপোৰখন দান কৰিলে। সেই কাপোৰ বেচা ধনেৰে দুজন মানুহ এদিন পোহপাল গ'লহেতেন। পিছত কাপোৰখন দান কৰি নিৰুপায়হৈ একান্তমনে ভগৱানক স্তুতি কৰিব ধৰিলে। ধ্যান ভঙ্গৰ পাচত শুদাহাতেৰে ঘৰলৈ আহি দেখে যে, তেওঁৰ মাক নুৰীয়ে ভাত-আঞ্জা ৰান্ধি কবীৰলৈ বাট চাই আছে। কবীৰে সেইবোৰ দেখি মাকক

সুধিলে, "আই! তই এইবোৰ বস্তু ক'ত পালি?" এই কথা শুনি নুৰীয়ে কলে,—"কি কবীৰ, তুমি মোৰ লগত ধেমালি কৰিবলৈ আহিছা নেকি? এতিয়াই দেখোন অলপ আগতে আহি তুমিয়েই মোক এইবোৰ বস্তু দি গৈছা, আকৌ এতিয়া তুমিয়ে আহি সুধিছা 'এইবোৰ ক'ত পালি'?" নুৰীৰ মুখত এনেকুৱা অচৰিত কথা শুনি কবীৰে কলে, "আই, তুমি পৰম ভাগ্যৱতী; কাৰণ ভগৱানে নিজেই মোৰ ৰূপধৰি তোমাক দেখা দিছিলহি।" এই বুলি তেওঁ মাকৰ আগত সকলো কথা ভাঙি ক'লে।

এই ঘটনাৰ পাছৰ পৰা কবীৰৰ মনত ঈশ্বৰ-প্ৰেম প্ৰবল হৈ উঠিল আৰু গুৰু ভিন্ন এই ভব-সমুদ্ৰ পাৰ হ'বৰ আৰু ভগৱানক লাভ কৰিবৰ অন্য উপায় নাই বুলি ভাবি তেওঁ সময়ে সময়ে অস্থিৰ হৈ উঠিছিল। প্ৰবাদ আছে, তেওঁ এদিন গুৰু ৰামানন্দৰ ওচৰলৈ গৈ তেওঁৰ শিষ্য হ'বৰ আৰু মূলমন্ত্ৰ লাভ কৰিবৰ কাৰণে গুৰুক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে; কিন্তু গুৰু ৰামানন্দই কবীৰক যৱনজাতীয় বুলি ঘৃণা কৰি তেওঁক শিষ্য নকৰিলে। কবীৰে নিৰুপায় হৈ এদিন ৰাতি গৈ গুৰুৰ শোৱাঘৰৰ দুৱাৰ মুখত পৰি থাকিল। গুৰুৱে ব্ৰহ্মমুহূৰ্ত্ততে গঙ্গাত স্নান কৰিবৰ উদ্দেশ্যে দুৱাৰ মেলি খোজ দিয়াত কবীৰৰ গাত ভৰি পৰিল। যৱনক চুই দিয়াত পাপ হোৱা বুলি গুৰুৱে "ৰাম, ৰাম" বুলি পুনঃ ঘৰ সোমাল। কবীৰে সেই "ৰাম" শব্দ গুৰুৰ মন্ত্ৰ বুলি ভাবি দিনে-ৰাতি 'ৰাম নাম' জপ কৰিবলৈ ধৰিলে আৰু জনশ্ৰুতি আছে, ভগৱানৰ সাক্ষাৎ লাভৰ কাৰণে তেওঁৰ মন ব্যাকুল হৈ উঠাত দয়াময় ভগৱানে নিজে অনুকূল হৈ সদ্‌গুৰুৰূপে তেওঁক দেখা দিয়ে।

সদ্‌গুৰু লাভ কৰি কবীৰ ঈশ্বৰপ্ৰেমিক আৰু সাধু সিদ্ধপুৰুষ বুলি খ্যাত হ'ল। তেতিয়া তেওঁ হিন্দু-মুছলমানৰ তীৰ্থ আদিৰ বিষয়ে বৰকৈ প্ৰতিবাদ কৰি দেশে-বিদেশে ফুৰিবলৈ ধৰিলে। এক সময়ত মুছলমান ধৰ্ম্মৰ নিন্দাৰ নিমিত্তে কবীৰৰ নামে দিল্লীৰ বাদচাহ চেকেন্দাৰ লোডীৰ ওচৰলৈ অভিযোগ নিয়াত বাদচাহে তেওঁক ধৰি নিলে। তেওঁক হাতে-ভৰিয়ে বান্ধি যমুনা নদীত পেলাই দিছিল, তাত তেওঁ নমৰা দেখি জলন্ত অগ্নিত পেলাই দিছিল; তাতো তেওঁৰ একো অনিষ্ট নোহোৱাত বাদচাহে নিজে ভয়ত কাতৰ হৈ কবীৰৰ শৰণাপন্ন হ'ল আৰু অনেক মিনতি কৰি তেওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে। কবীৰ সন্তুষ্ট হৈ অভয় দান কৰাত হিন্দু-মুছলমান সকলোৰে পূজ্য হৈ উঠিল।

যেতিয়া কবীৰে নানা ঠাইত ধৰ্ম্ম প্ৰচাৰ কৰি শ্ৰীচৈতন্যদেৱৰ ওচৰত আহি উপস্থিত হয় তেতিয়া শ্ৰীমন্ত শঙ্কৰ গুৰু, মাধৱদেৱ আদি মহাপুৰুষসকল সশিষ্যে শ্ৰীক্ষেত্ৰলৈ যাত্ৰা কৰিছিল। বাটত তেওঁলোকৰ লগত কবীৰৰ সাক্ষাৎ হয়।

কবীৰে জন্মগ্ৰহণ কৰি এই জগতত এক নতুন সহজ-সাধ্য ধৰ্ম্ম সম্প্ৰদায় স্থাপন কৰি অল্পায়ু, অজ্ঞান, দুৰ্ব্বল লোকৰ উদ্ধাৰৰ কাৰণে পথ মুকলি কৰি দিয়ে। কবীৰে এক নাম জপ কৰিছিল। কবীৰৰ মতে মানুহে ঈশ্বৰক দেখা পোৱা বৰ টান, কেৱল তেওঁ সদ্‌গুৰু ৰূপে দেখা দি জীৱৰ উদ্ধাৰ সাধন কৰে। এনেকুৱা গুৰুৱেই সৎ আৰু সিদ্ধ গুৰু। সাক্ষাৎ গুৰু ভিন্ন জগতত প্ৰত্যক্ষ কোনো ঈশ্বৰ নাই।

এইদৰে কবীৰে এই জগতত অনেক লীলা প্ৰচাৰ কৰি এদিন শিষ্যসকলক মাতি আনি কলে যে, "আজি মোৰ কাল উপস্থিত, যেতিয়া মই অচেতন হ'ম তেতিয়া তোমালোকে মোক কাপোৰেৰে ঢাকি ৰাখিবা।" এই কথা শুনি শিষ্যসকলে তেওঁক কাপোৰেৰে ঢাকি থলে আৰু গুৰুদেৱৰ শৱটি মুছলমানসকলে কবৰ দিবৰ কাৰণে আৰু হিন্দু শিষ্যসকলে দাহ কৰিবৰ কাৰণে সাজু হোৱাত উভয় দলৰ মাজত কাজিয়া হয়। পিচত স্বৰ্গীয় কবীৰে আকাশবাণী শুনালে, "হে শিষ্যসকল! তোমালোকে কাজিয়া এৰি আগেয়ে কাপোৰখন গুচাই

চোৰা, তাৰ পাচত যাৰ যি ইচ্ছা তাকে কৰা।" এই কথা শুনি কাপোৰখন গুচাই চোৱাত কিছুমান ফুলৰ বাহিৰে আন একো দেখা নাপালে। তেতিয়া সেই ফুল দুভাগ কৰি এভাগ কাশীৰ ৰজাই নি দাহ কৰি পুতি তাত মন্দিৰ এটি আৰু মুচলমান বাদচাহ পাঠান বিজলীখানে বাকী আধা নি কবীৰৰ মৃত্যু-ভূমিত পুতি এটি কবৰ তৈয়াৰ কৰিলে। এই দুই ঠাই কবীৰ-পন্থীসকলৰ প্ৰধান তীৰ্থস্থান। কবীৰপন্থীসকলৰ মতে কবীৰ ৩০০ বছৰ জীয়াই আছিল।

---

"জীৱনী যিহেতু এজন মানুহৰ জীৱনৰ ঘটনাৱলী বা কাৰ্য্যাৱলীৰ বিৱৰণ, তাত দেখাত অৱশ্যে কল্পনাৰ স্থান নাই। কিন্তু জীৱনীকাৰ যদি কল্পনাশক্তি ৰহিত মানুহ হয়, আৰু তেওঁ বিষয়ৰ জীৱনৰ যিমানবোৰ ঘটনা বা কাৰ্য্যাৱলী জানে সেই আটাইবোৰকে জীৱনীত সুমুৱাবলৈ যায়, তেন্তে সি নিশ্চয় এখন ভাল জীৱনী নহবগৈ। কাৰণ, তাৰ পৰা বিষয়ৰ জীৱনৰ ঘটনাৱলীৰ পৰিচয় আমি পালেও, মানুহজন সম্পৰ্কে অৰ্থাৎ তেওঁৰ চৰিত্ৰ আৰু ব্যক্তিত্ব সম্পৰ্কে একো জানিব পৰাৰ আশা নাই। বিষয়ৰ জীৱনৰ ঘটনাৱলী আৰু কাৰ্য্যাৱলীৰ লগতে বিষয়ৰ চৰিত্ৰ আৰু ব্যক্তিত্ব প্ৰস্ফুটিত কৰিবলৈ হ'লে বিষয়ৰ জীৱনৰ ঘটনা আৰু কাৰ্য্যাৱলীৰ কেতবোৰ বচা বচা ঘটনা আৰু কাৰ্য্যহে পৰিকল্পিতভাবে জীৱনীখনত উপস্থাপিত কৰিব লাগিব।"

গোবিন্দপ্ৰসাদ শৰ্মা

# উ
# উপায়
# য়

মিচ্ দীপামনি কলিতা
প্ৰথম বাৰ্ষিক ( কলা )
প্ৰাক্ বিশ্ববিদ্যালয়

পহুমনি গাওঁৰ সৰু এটা চুবুৰী। মানুহ বুলিবলৈ ডেৰকুৰি ঘৰমানহে হ'ব। প্ৰায়বোৰ মানুহেই মধ্যবিত্ত শ্ৰেণীৰ। ছমাহ খাবলৈ জুৰিলে বাকী ছমাহ এসাজ খাই এসাজ লঘোন দিব লগা হয় আৰু ইটো সিটো কাম কৰি ভাত মোকোলাব লাগে। হলেওনো আৰু কিমান কৰিব; তেজ-মঙহৰ শৰীৰহে তেও। সেই ডেৰকুৰি ঘৰ মানুহৰ ভিতৰত দুলহঁতৰ পৰিয়ালো এঘৰ। পৰিয়াল বুলিবলৈ দুল, বায়েক মনি, মাক আৰু দেউতাক। দুলৰ তিনি বছৰ বয়সতে দেউতাকৰ মৃত্যু হয়। দেউতাক মৰাৰ পিছৰ পৰা ল'ৰা-ছোৱালী হাল লৈ মাক হৈ পৰিছিল অসহায়া। জমা বুলিবলৈ হাতত ফুটা কড়ি এটাও নাই। ভগৱানৰ ওপৰত বিশ্বাস আছিল ছাগে, সেয়ে ভগৱানে অলপ চকু মেলি চালে। ওচৰচুবুৰীয়াৰ পথাৰত ভুঁই ৰুই, ধান বান্ধি দি কোনোমতে চাউল অলপ সংগ্ৰহ কৰে আৰু তাৰে পোনা দুটিৰ ভৰণ-পোষণ দি আছে। এইদৰে এবছৰ কটালে। কিন্তু কামো সদায় নাপায় আৰু তাতে আজি-কালি ঠাইবোৰৰ উন্নতি হোৱা বাবে হাতে কৰা কামো বাৰু কৈয়ে কমিল। এইদৰে আৰু কিমান চলিব। সেয়েহে এদিন তাই ভিক্ষাৰ পাত্ৰ-লৈ বাহিৰ ওলাবলৈ বাধ্য হ'ল। অসমীয়া বোৱাৰী হৈ এইদৰে বাহিৰ ওলোৱাত ওচৰ-চুবুৰীয়াই তাইক ভাল চকুৰে চাব পৰা নাছিল। কিন্তু তাই কৰিব কি? অন্য ন'হলেও ল'ৰা-ছোৱালীহালকতো তাই ডাঙৰ কৰিব লাগিব! এইদৰে কষ্টৰ উপৰি কষ্ট, যন্ত্ৰণাৰ উপৰি যন্ত্ৰণা মূৰ পাতি লওঁতে তাইৰ শাৰীৰিক, মানসিক শক্তি লাহে লাহে লোপ পাবলৈ ধৰিলে। লাহে লাহে তাই যেন আত্মসংযম হেৰুৱাই পেলালে।

অৱশেষত এদিন তাই সকলো হেৰুৱালে। সেইটো আছিল ফাগুনৰ এটি মনোমোহা দিন। ৰঙা-নীলা ফাঁকুগুৰিৰে জীৱনৰ মাদকতা উপলব্ধি কৰাৰ দিন। তেনে এটা দিনত কোনেনো জানিছিল যে, এইবোৰ ৰঙা-নীলা ফাকুগুৰিয়ে লৈ আহিছে মৰণৰ শক্তিশেল। আনকি মনি, দুলেও নাজানিছিল—বাৰে বৰণীয়া ফাঁকু গুৰিৰ মাজতেই নিয়তিয়ে অপেক্ষা কৰিছে সিহঁতলৈ।

সহ্যৰো এটা সীমা আছে। খেলি খেলি ভাগৰি পৰা মনি আৰু দুলে ঘৰলৈ আহি মাকক বৰকৈ ধৰিলে এমুঠি ভাতৰ বাবে। কিন্তু মাকে দিব ক'ৰ পৰা? ভিক্ষাৰ পাত্ৰ যে উদং। সেয়ে সিহঁতৰ শুকাই যোৱা মুখ দুখনিলৈ চাই বুজালে; কিন্তু ভোকে জানো বুজনি মানিব! ভোকত লাগে এমুঠি ভাত! ভাত-ভাত কৈয়ে দুয়ো টোপনি গ'ল মজিয়াত পাৰি থোৱা ধান খেৰবোৰৰ ওপৰত।

তেতিয়া নিশা প্ৰায় দুপৰ। মাকে লাহেকৈ উঠি চাকিটো জলাই এবাৰ চালে মৰমৰ পোনাকণ দুটিৰ মুখ

ভুখনিলৈ। তাৰ পিছত চাকিটোৰে উৰলি যোৱা ঘৰটোৰ চাৰিওটা কোণ জলাই দিলে। দপ্ দপকৈ জলি উঠিল ঘৰটো। মাথো এক মুহূৰ্ত, তাৰ পিছত গোটেই ঘৰটো নিঃশেষ হৈ গ'ল। ঘৰটোৰ লগতেই শেষ হ'ল তিনিটা প্ৰাণী। জুই দেখি ওচৰ চুবুৰীয়াই আহি হুৰা-দুৰা লগালে। কিন্তু পাৰিলে জানো বচাব দুল, মনি আৰু সিহঁতৰ অতিকৈ আপোন মাকক। নোৱাৰিলে আৰু নোৱাৰিবও! আধাপোৰা কাঠ-বাঁহৰ লগতে পৰি ৰ'ল আধাপোৰা তিনিটা মৃতদেহ দুল, মনি আৰু মাকৰ। অঞ্চলী-বঞ্চলীবোৰে শোকত দুটোপাল চকুলো টুকিলে, আৰু কোনো কোনোৱে বিষাদৰ হুমুনিয়াহ এৰি ক'লে, "দুখীয়াৰ জীয়াই থকাৰ এয়াই একমাত্ৰ উপায়।"



# ভেদাভেদ

কুমাৰী ফুল্ল ৰয়
প্ৰথম বাৰ্ষিক ( কলা )
প্ৰাক্ বিশ্ববিদ্যালয়

ৰাস্তাৰে গলে জীয়াৰী-বোৱাৰীৰ মুখলৈ সাধনাই চাব নোৱাৰিছিল। এদিন গাওঁৰ তিৰোতা কেইজনী-মানে গছ এজোপাৰ তলত বহি মেল পাতি আছিল। সেই ৰাস্তাৰে সাধনাই বেগাই খোজ লৈছিল। অলপ দূৰৰপৰা এজনী তিৰোতাই ক'লে, "অ' মীনা, ! আজি ক'ৰবাত প্ৰ'গ্ৰেম আছে নেকি অ'?" সকলোৱে গিৰ্জনি মাৰি হাঁহি দিলে। এজনীয়ে ক'লে, "নকবিদে ভাই, দেখোতে খুউব বেয়া পাব জান, সোনকালে পাব লাগিছিলগৈ।" অতিষ্ঠ হৈ পৰিছিল সাধনা। তাই একো নামাতি শৰতক লগ ধৰিলেগৈ।

তাই যে কিমান ভাল পায় শৰতক! ভাবিলে তাইৰ নিজকে সবাতকৈ সুখী যেন লাগে। অন্তৰত অজানিতে শিহৰণ জাগে। কিন্তু শৰতে জানো তাইক বেয়া পায়? দুৰ্ভাগ্য যে সিহঁতৰ এই ভালপোৱাৰ অৱসান ঘটাবলৈ সামাজিক উচ্চ দেৱাল এখন সিহঁতৰ সন্মুখত সীমান্তৰক্ষী দুৰ্গৰ দৰে থিয় হৈ আছে। সাধনা আৰু শৰত দুয়ো আছিল জাতিত বেলেগ বেলেগ। ভুৱা উচ্চ-নীচৰ এই বেৰখনে সিহঁতৰ ভালপোৱাৰ এনাজৰীডাল চিঙিবলৈ ঘোপা চকুৰে চাই আছে।

বিয়া—মধুৰ এই শব্দটো। মানৱ জীৱনৰ লগত এই শব্দটোৰ সম্পৰ্ক গতানুগতিক; অথচ কিমান গভীৰ। এই শব্দটোত যুগ্ম জীৱনৰ কত শুভ অশুভ ফল নিহিত হৈ আছে। কিন্তু সিহঁত দুয়ো 'বিয়া' শব্দটোৰ লগত সম্বন্ধ নাপাতিলেই জানো সিহঁত দুয়োৰে মাজত ভালপোৱাখিনিৰ মৃত্যু ঘটিব? বিয়া পাতিলেই সামাজিকতাৰ সেই দেৱালখন সি ভাঙিব পাৰিব জানো? কিন্তু ভাঙিবই লাগিব। যি জনে আজি উচ্চ-নীচৰ বাণী প্ৰচাৰ কৰিছে, দুদিন পিছত এই পৃথিৱীত তেওঁৰ অস্তিত্বই নাথাকিব। মাটিয়ে তেওঁক সাৱটি লব। তেন্তে দুদিনৰ ভাওনা ঘৰত আহি সেই মানুহেই মানুহৰ মাজত ভেদা ভেদৰ সৃষ্টি কৰিছে কিয়? হেজাৰ-বিজাৰ আঁশা, কল্পনাৰে গঢ়া সাত ৰঙৰ ৰামধেনুখন জানো ভাঙি দিব পাৰিব! এয়েইটো সেইখন পৃথিৱী, য'ত কল্পনা প্ৰয়াসীমনে এটা সময়ত মুহূৰ্ত্ততেই অমৰাৱতীৰ সৃষ্টি কৰিছিল। এই সময় যে উৰি ফুৰাৰ, বহল পৃথিৱীৰ বুকুৰ অমৃতৰ ভাণ্ডাৰবোৰৰ পৰা অমৃত পান কৰাৰ অপূৰ্ব্ব সুযোগ।

সাধনা, মাক-বাপেকৰ একমাত্ৰ ছোৱালী। মাক-বাপেকে কোনো কাৰ্য্যতে সাধনাক বাধা প্ৰদান কৰিব পৰা নাছিল। সাধনাই শৰতৰ লগত ফুৰিবলৈ যোৱা, চিনেমা চাবলৈ যোৱা, কথা-বতৰা পতা, ঠেহঁ পতা ইত্যাদি মাক-বাপেকে জানে। এই শৰত নামৰ ল'ৰাজনে সিহঁতৰ ঘৰখনক কিয় যে ইমান ভাল পায় সাধনাৰ মাকে ভাবি উলিয়াব পৰা নাছিল। ওচৰ চুবুৰীয়াই কিন্তু শৰতৰ এই অহা-যোৱাক সন্দেহৰ চকুৰে চায়। বহুতে বহুকথা কয়, মাক-বাপেকক লগায়। দুই এজন খিলঞ্জীয়া লোকে মাক-বাপেকক সকিয়াই দি কয়, "তাক তহঁতৰ ঘৰলৈ অহা বন্ধ কৰিবি, নহলে কেতিয়াবা কথা বেয়া হ'ব।" শৰতে একো নামাতি সকলোবোৰ কথা নীৰবে শুনি গৈছিল। ভিতৰৰ কোঠালিত সাধনাই উচুপিছিল। এটা মুহূৰ্ত্তত সাধনাক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দি শৰত ওলাই গৈছিল।

মাহ বাগৰি বছৰ পাৰ হ'ল। শৰত বি, এ, মহলাত ভৰি দিলে। সাধনাই দশমমান শ্ৰেণীলৈকে উত্তীৰ্ণ হৈছিল। শৰতে সাধনাহঁতৰ ঘৰলৈ সদায় আহিছিল। ওচৰ চুবুৰীয়াৰ কথাবোৰ শুনিও শৰতে সদায় অহাতো-কেই সাধনাই বিচাৰিছিল। শৰত অহাৰ সময়খিনিলৈ সাধনাই অপেক্ষা কৰি থাকে। কাম-বন থাকিলে লৰা-লৰিকৈ কৰি শেষ কৰিছিল। কেতিয়াবা আকৌ অহাত পলম হলে সাধনাই চিন্তাত পাৰ নোপোৱা হয়। সিহঁতৰ এই মিলা-মিছা দেখি বহুতৰ চকু পোৰে আৰু তাৰ ফলত সিহঁতৰ শত্ৰুৰ সংখ্যাও বাঢ়ি আহিবলৈ ধৰিলে। কেতিয়া কোনে কি অঘটন ঘটায় ঠিক নাই। সেয়ে তাইৰ চকুত টোপনিৰ সলনি চকুপানীৰ ধাৰ বৈছিল। ঘৰত আটায়ে বুজাইও শান্ত কৰিব পৰা নাছিল। একমাত্ৰ ছোৱালীৰ তেনে অৱস্থাত মাকবাপেক হঁতেও অকণো শান্তি পোৱা নাছিল। মাকবাপেক মহা চিন্তাত পৰিল। ইফালে সমাজ আনফালে অতি মৰমৰ ছোৱালী। কি কৰিব এতিয়া! পৃথিৱীত যি কেইদিন জীয়াই থকা হয়, সমাজ বিৰোধী হৱতো নোৱাৰিব।

শৰতে বি, এ, পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। কিন্তু সাধনাৰ মগজুত চিন্তাই বাহ সজা বাবেই মেট্ৰিকৰ দুৱাৰ দলিত বৈ গ'ল। শৰতে সাধনাক কৈছিল, "মই গ্ৰেজুৱেশ্বন লৈয়ে বিয়া পাতিম। গতিকে সাজু হৈ থাকিবা।" আনকালে সাধনাহঁতৰ বংশৰ লোকসকলে কৈছিল, "আমাৰ বংশত আজিলৈ কোনেও চেকা লগোৱা নাই। তোৰ পৰাও আমি সেইটোকে আঁশা কৰোঁ—। ভাল ল'ৰা এজন পাইছো তই অমত নহবি।" কিন্তু এইবোৰ জানো সাধনাই এতিয়া চিন্তা কৰিব পাৰে? হঠাতে তাইৰ গোটেই শৰীৰ গৰম হৈ উঠে, মন চঞ্চল হৈ উঠে কিবা ভাবত। তাৰ পিছত তাইৰ জীৱন আকাশত কাল শনিয়ে ভালকৈ বাহ সাজি বহিল। সমাজ আৰু সম্পৰ্কীয় মানুহবোৰৰ নানা বুজনিত বাপেক প্ৰবোধ কলিতাৰো মন ঘূৰিল। প্ৰবোধে জীয়েকক সাবধান কৰি দিলে, ভৱিষ্যতে যেন সি তাইৰ কাষত শৰতক নেদেখে। এক অজান আশঙ্কাত সাধনাৰ সৰ্ব্ব শৰীৰ কঁপি উঠিছিল। এয়া জানো সম্ভৱ।

সম্ভৱ হৈছিল সিদিনা—যিদিনা শৰতৰ দেউতাকেও তাৰ অন্তৰৰ গুপ্ত বেদনা উপলব্ধি কৰাৰ পৰিৱৰ্তে মাথোন তিৰস্কাৰ কৰিছিল। সি লাভ কৰা শিক্ষাক উপহাস কৰিছিল। দেউতাকৰ প্ৰত্যেক শব্দই তাৰ হৃদয়ৰ মৰ্মস্থলত আঘাত কৰিছিল। সি নিৰুপায় হৈ পৰিছিল। এইখন সমাজত তাৰ থাকিবলৈ আৰু মন নগ'ল। যিখন সমাজৰ উন্নতিৰ হকে দেহে কেহে খাতিছিল, সেইখন সমাজে আজি সাধনাৰ সিচিনা ছোৱালী এজনীক বোৱাৰী ৰূপে আনিবলৈ অনিচ্ছুক। যিখন সমাজত আজিৰ যুগতো অন্ধবিশ্বাস চলি আছে সেই সমাজত শৰত কেতিয়াও থাকিব নোৱাৰে।

বিৰহ ব্যথিত চকু পানীবোৰ ওলাই যোৱাত সাধনাৰ মনটো শান্ত হৈ পৰিছিল। গাটোও পাতল পাতল যেন লাগিছিল। অৱশেষত অন্য উপায় নেদেখি তাই থিৰাং কৰিলে যে 'বিয়া' নামৰ শব্দটোৰ লগত তাই আৰু সম্বন্ধ নাপাতে। এদিন দেউতাকহঁতে পছন্দ কৰা দৰাকো সাধনাই নাকচ কৰি কলে, "ভৱিষ্যতে কোনেও যেন মোৰ বিয়াৰ কথা নাভাবে।"

দুদিন পিছত অভাবনীয়ভাৱে সাধনাৰ হাতত শৰতৰ এখন চিঠি আহি পৰিল। চিনাকি আখৰ কেইটা দেখি চিঠি খোলা সময়খিনি লৈকে তাই ধৈৰ্য্য ধৰিব নোৱাৰা হৈছিল। কঁপা হাতেৰে কোনোমতে চিঠিখন খুলি হাতত লৈ পঢ়ি গৈছিল। পঢ়ি পঢ়ি তাই নিৰ্ব্বাক-নিস্পন্দ হৈ শোকাকুলভাৱে চিঠিখনলৈ একেথৰে চাই ৰ'ল। কঠোৰ যত্নেৰে এবাৰ মাথো তাই চিঞৰি উঠিল "শ···ৰ···ত···দা।" তাৰ পিচত অন্ধকাৰে তাইক আগচি ধৰিলে। তাইৰ মূৰ ঘূৰাবলৈ ধৰিলে আৰু লগে লগে মাটিত বাগৰি পৰিল।

# চিত্ৰাঙ্কনৰ ভাষা

কেশৱ বসুমতাৰী
প্ৰাক্-বিশ্ববিদ্যালয় দ্বিতীয় বাৰ্ষিক ( কলা )

বসন্তৰ পৰশত
বিৰাজে পোহৰ পূৰতি নিশাত
ৰঙীন স্বপ্ন প্ৰতিভাত হয়
যৌৱনৰ প্ৰাৰম্ভত।
মই প্ৰবস্থৰা
উদাৰ সুৰে জনাইছো নিঃস্বাৰ্থ প্ৰত্যাহ্বান।
উপহাৰ দিবলৈ আছে মাথোঁ এটি চিত্ৰ
এয়া প্ৰতিদান চিত্ৰাঙ্কিত ফুলৰ বাগিছা
পৰশ বিচাৰি উৰন্ত এটি পখিলা
আঁশা-নিৰাশাৰ দুৱাৰ দলিত।
বিয়াৰ ৰভাঘৰ সদৃশ
প্ৰভাতী সূৰ্য্যৰ কোমল ৰশ্মিত
উদ্ভাসিত উত্তাল ধৰণীখনি,
আৰু শান্ত মৌন ৰূপত মাজ নিশাৰ তৰা
নিঃসাৰ নয়নৰ দৰে।
দিগন্তৰ অৰশ ৰাঙলী কিৰণে
মুক্ত নীলিম আকাশত
আঁকিছে প্লাবিত সৌন্দৰ্য্যৰ ৰেখা।
দুৰ্মদ নদী
বৈ যায় বহু দূৰ-দূৰণিলৈ,
ক্ষণিক আশ্ৰয়ৰ থল বিচাৰি
নাই পাৰাপাৰ, বিসঙ্গতি
মাথোঁ আছে ঘাট-প্ৰতিঘাট।
মই ছন্দৰাগী
অপৰূপা সৌন্দৰ্য্যৰ প্ৰতীক মোৰ ভাষা 'চিত্ৰাঙ্কন"
চিত্ৰৰ প্ৰাণৰ পৰশে জীয়াই ৰাখিবনে
বাস্তৱবিহীন সপোন,
অঙ্কিত প্ৰকৃতিৰ প্ৰাণ ?
হে বসন্ত—যদি হোৱা তুমি অলীক সপোন
চিত্ৰকৰ সাক্ষাৎ নিৰ্মম-নিষ্ফল বাসনা
দৃঢ় নিশ্চয় কৰি নীৰৱ দৃষ্টি সংকেত আঁতৰাব
মাজ নিশাৰ তীৰ্থৰ দুৱাৰ দলিত
তুমি যে পবিত্ৰ ধ্যানী !

---

...'A poet's greatness must ultimately depend upon the greatness of his subject, the power of thought, which he brings to bear upon it and his moral atrength and influence.'—W. H. Hudson.

# অনামিকা—চয়ন

সৌৰভ কুমাৰ পাঠক
প্ৰথম বাৰ্ষিক ( কলা )
প্ৰাক্-বিশ্ববিদ্যালয়

শৰীৰত ভৰপূৰ উদ্দাম যৌৱন
চেষ্টা কৰে ঢাকি ৰাখিবৰ
কিন্তু ব্যৰ্থ তাই, নোৱাৰে ঢাকিব।
তাই যে বৰ অসহায় নিঃস্ব
ভাগি পৰা খেৰৰ পঁজাটিৰ
ভোকাতুৰা এজাক শিশুৰ মাতৃ।

তাই কান্দিব খোজে—নোৱাৰে।
তাই হাঁহিব খোজে—নোৱাৰে।
শান্তি বিচাৰি ভাগৰি পৰে যে !

বুকুত একুৰা দাবানল
ভাগিপৰা, নিৰ্শ্ৰম প্ৰহেলিকা
পথ হেৰোৱা, এগৰাকী তিৰোতা
'অনামিকা'—অনাহক নাম তাইৰ।

---

..."Investigations into the beginnings of literature have shown that poetry originated in the desire to give outward form to the feelings not of the individual but of the clan or group."

# শঙ্কৰদেৱ আৰু অসমীয়া সংস্কৃতি

শ্ৰীযতীন খাখলাৰী
দ্বিতীয় বাৰ্ষিক, প্ৰাক্-বিশ্ববিদ্যালয়

সংস্কৃতি কি আৰু কাক বোলে এই বিষয়ে পৰিভাষা দিয়া টান। ইংৰাজী ভাষাৰ 'কালচাৰ' (culture) শব্দৰ প্ৰতিশব্দ ৰূপেই ভাৰতীয় ভাষাৰ 'সংস্কৃতি' শব্দটোৰ সৃষ্টি হৈছে। প্ৰথমতে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে 'কালচাৰ' শব্দটোকে ব্যৱহাৰ কৰিছিল। তাৰ পাচত 'কৃষ্টি' শব্দটো ব্যৱহাৰ হব ধৰিলে। পিছলৈ লাহে লাহে 'সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰিব ধৰিলে। দেখা যায় 'সংস্কৃতি' শব্দটোহে অধিক অৰ্থবাচক আৰু 'কালচাৰ' শব্দটোৰ সম্পূৰ্ণ অৰ্থ ইয়ে প্ৰকাশ কৰিব পাৰে। হেমকোষ অভিধানত সংস্কৃতিৰ অৰ্থ 'বিদ্যা-শিক্ষা আদিৰ পৰা পোৱা উৎকৰ্ষ' বুলি দিয়া আছে আৰু সংস্কৃতিৰ অসমীয়া প্ৰতিশব্দ 'কৃষ্টি' বুলি কোৱা হৈছে। কিন্তু কৃষ্টি আৰু সংস্কৃতিৰ মাজত সূক্ষ্ম পাৰ্থক্য আছে। কৃষ্টি হ'ল এটা জাতিয়ে সহজাত প্ৰবৃত্তিৰ দ্বাৰা কৰা সকলো কামৰে সমষ্টি আৰু সংস্কৃতি হ'ল সেই জাতিৰ চিন্তা, কল্পনা আৰু কামৰ শ্ৰেষ্ঠ অংশখিনি। যদি নৈ এখনৰ লগত তুলনা কৰা যায় তেন্তে গোটেই নৈখন হব কৃষ্টি আৰু সংস্কৃতি হব সেই নৈৰ শ্ৰেষ্ঠ প্ৰাকৃতিক সৌন্দৰ্য্যখিনি। সংস্কৃতিৰ সংজ্ঞা বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱে তেখেতৰ "সংস্কৃতিৰ স্বৰূপ" নামৰ প্ৰবন্ধত এই দৰে দিছে, 'যিবিলাকত প্ৰকৃতিৰ প্ৰেৰণা থাকিলেও কেৱল প্ৰাকৃতিক নিয়মত হোৱা নাই; কিন্তু মানুহে নিজৰ শৰীৰ আৰু মনৰ বিকাশৰ বাবে, সমাজৰ কল্যাণৰ অৰ্থে সৃষ্টি কৰিছে আৰু মানি লৈছে, আৰু লগে লগে তাৰ বিকাশ সাধন কৰিছে, সেয়ে হ'ল সংস্কৃতি."

সংস্কৃতি এটা জাতিৰ জীৱনধাৰা। এটা ক্ৰমোন্নতি-শীল জাতিৰ জাতীয় সম্পদ হ'ল ভাষা, সাহিত্য, ৰীতি-নীতি, ধৰ্ম, মানসিক উৎকৰ্ষ, সুকুমাৰ কলা, স্থাপত্য, ভাস্কৰ্য্য, ইত্যাদি। সংস্কৃতিৰ প্ৰভাৱ জাতিৰ মনত থাকি যায়। সেই প্ৰভাৱে জাতিৰ জাতীয় আদৰ্শ গঢ় দিয়ে, কামত অনুপ্ৰেৰণা যোগায়। মানুহৰ সৌন্দৰ্য্যবোধ, সৃষ্টি-প্ৰতিভা আৰু মানসিক উৎকৰ্ষই সংস্কৃতিৰ উৎস। মানসিক উৎকৰ্ষৰ বলত মানুহে জীৱন যাপনৰ প্ৰণালী উন্নত, সূক্ষ্ম বা মিহি কৰিবলৈ যত্ন কৰে। তেতিয়াই সংস্কৃতিৰ জন্ম হয়।

অসমীয়া জাতিয়ে যুগ যুগ ধৰি মানসিক উৎকৰ্ষ সাধন কৰি জাতীয় সম্পদ বৃদ্ধি কৰিবলৈ চেষ্টা কৰি আহিছে। কিন্তু ৰাজনৈতিক উত্থান-পতনৰ লগে লগে জাতীয় জীৱনৰ গতিৰো হীন-ডেঢ়ি ঘটে। সুস্থ ৰাজকীয় পৃষ্ঠপোষকতাই জাতিৰ সংস্কৃতি বিকাশত সহায় কৰে।

আনফালে অস্থিৰ আৰু কুশাসনৰ ফলত সংস্কৃতিৰ গতি বাধাপ্ৰাপ্ত হয়। ধৰ্মীয় নেতৃত্বৰ অধিকাৰী মনীষা সম্পন্ন ব্যক্তিও সংস্কৃতিক চহকী কৰাত বা নতুন ৰূপ দিয়াত ইন্ধন যোগায়। অসমৰ ক্ষেত্ৰত আহোম ৰাজত্ব আৰু শঙ্কৰদেৱৰ গাতেই এই কথা খাটে।

শ্ৰীশঙ্কৰদেৱ হ'ল অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক আৰু প্ৰচাৰক। যি সময়ত তেখেতে অসমত নৱবৈষ্ণৱ ধৰ্ম প্ৰৱৰ্ত্তন কৰি প্ৰচাৰ কৰিছিল, সেই সময়ত অসমত নানান কুসংস্কাৰমূলক ৰীতি-নীতি চলি আছিল। যৌন উদ্দীপনামূলক ক্ৰিয়া কৰ্ম, নৰবলি প্ৰথা, বলিপ্ৰথা আদিয়ে ধৰ্মৰ নামত অবাধে চলি আছিল আৰু জনসাধাৰণৰ মন কলুষিত আৰু কুসংস্কাৰময় হৈ পৰিছিল। অসমত নানা জাতি-উপজাতি আছিল আৰু আজিও আছে। এই জাতি-উপজাতিসমূহৰ মাজত জাতিভেদ, উচ্চ-নীচ ভাব সততে চলি আছিল। তেওঁলোকৰ মাজত বিভিন্ন সংস্কৃতি প্ৰচলিত আছিল। সেয়েহে শঙ্কৰদেৱে তেখেতৰ নতুন ধৰ্ম্মৰ দোলেৰে কুসংস্কাৰবোৰ সংস্কাৰ কৰিবলৈ, বিভিন্ন সংস্কৃতিৰ মাজত সমন্বয় সাধন কৰি এক অসমীয়া সংস্কৃতি গঢ়ি তুলিবলৈ আৰু নানা জাতি-উপজাতিক একতাৰ দোলেৰে বান্ধি এক মহান অসমীয়া জাতি গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল।

অসমীয়া সমাজ আৰু সংস্কৃতিৰ লাইখুটাস্বৰূপ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্ত্তক, অসমীয়া জাতীয় গুৰু শ্ৰীশঙ্কৰদেৱৰ জন্ম হয় ১৭৪৯ খৃঃত নগাওঁ জিলাৰ আলিপুখুৰী নামে ঠাইত। এওঁৰ পিতৃৰ নাম কুসুম্বৰ ভূঞা আৰু মাতৃ সত্যসন্ধ্যা। জন্মৰ দিন চেৰেকৰ পিছতে মাতৃবিয়োগ হোৱাত বুঢ়ীমাক খেৰসূতীৰ তত্ত্বাৱধানত শঙ্কৰদেৱ ডাঙৰ দীঘল হয়। বাৰ বছৰ বয়সত তেখেতক মহেন্দ্ৰ কন্দলী নামৰ এজন সংস্কৃত পণ্ডিতৰ টোলত ভৰ্ত্তি কৰি দিয়া হয়। দহ বছৰৰ পিছত সাহিত্য, দৰ্শন, ব্যাকৰণ, পুৰাণ, ধৰ্মশাস্ত্ৰ আদিত অশেষ জ্ঞান লাভ কৰি তেওঁ টোলৰ পৰা ওলাই আহে। তাৰ পিছত সূৰ্য্যৱতী নামে এজনী কন্যাক বিয়া কৰি পিতৃৰ বিষয়-বাব গ্ৰহণ কৰে। এটি কন্যা সন্তান জন্ম দিয়েই পত্নীৰ বিয়োগ ঘটাৰ পিছত তেওঁ ১৫৩১ খৃঃত সোতৰজন সহযাত্ৰীৰে সৈতে পশ্চিমৰ তীৰ্থসমূহ ভ্ৰমণ কৰিবলৈ যায়। পুৰী আৰু উত্তৰ ভাৰতৰ প্ৰধান প্ৰধান তীৰ্থসমূহ ভ্ৰমণ কৰি সেই ঠাইসমূহৰ সমাজব্যৱস্থা আৰু ধৰ্মব্যৱস্থাৰ কথা বুজলৈ তেখেত নিজ দেশলৈ ঘুৰি আহে।

নিজৰ জন্মস্থানলৈ ঘুৰি আহি নিজৰ ইচ্ছাৰ বিৰুদ্ধেও তেখেতে পুনৰ বিষয়-বাব গ্ৰহণ কৰিব লগা হয়, আৰু দ্বিতীয়বাৰৰ বাবে বুঢ়ীমাক খেৰসূতীৰ ইচ্ছাত কালিন্দী নামৰ ছোৱালী এজনী বিয়া কৰায়। তেওঁ পুনৰ সাংসাৰিক হ'ল যদিও তেওঁ ধৰ্মচৰ্চা আৰু শাস্ত্ৰচৰ্চাৰ প্ৰতিহে অধিক মনোযোগ দিলে আৰু বৰডোৱাত বৈষ্ণৱধৰ্মৰ ভেটি স্থাপন কৰি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। কিন্তু ওচৰ চুবৰীয়া কছাৰী ৰজা আৰু প্ৰজাসকলৰ অত্যাচাৰত থাকিব নোৱাৰি তেওঁ গাংমৌলৈ গুচি যায়। গাংমৌতো তেখেতে নিৰাপদ বোধ নকৰি মাজুলীৰ ধুৱাহাটালৈ যায়। ইয়াতে তেওঁ বৈষ্ণৱধৰ্মৰ দ্বিতীয় লাইখুটা স্বৰূপ তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱক লগ পায়। কিন্তু মাজুলীতো তেওঁ সুবিধা নাপাই ১৫৪৩ খৃঃত পশ্চিমলৈ ভটিয়াই গৈ নৰনাৰায়ণ ৰজাৰ পৃষ্ঠপোষকতাত ধৰ্মচৰ্চা আৰু শাস্ত্ৰচৰ্চা কৰিবলৈ সুবিধা পায়।

১৫৪৬ খৃঃত তেওঁ পুনৰ ১২০ জন তীৰ্থযাত্ৰীৰে সৈতে তীৰ্থ ভ্ৰমণ কৰিবলৈ যায়। ১৫৬৯ খৃষ্টাব্দত ছকুৰি বছৰ বয়সত কোচবিহাৰত তেওঁৰ মৃত্যু হয়। কোচবিহাৰৰ ৰজা নৰনাৰায়ণৰ সাহায্যতেই তেওঁৰ নশ্বৰ দেহৰ সংস্কাৰ সাধন কৰা হয়।

শঙ্কৰদেৱে অসমত যি নৱবৈষ্ণৱ ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰিলে সেই ধৰ্ম্ম মূলতঃ হিন্দু ধৰ্মৰে এটি সংস্কৰণ মাথোন। নৱবৈষ্ণৱ ধৰ্ম্মৰ নাম, দেৱ, গুৰু, ভকত, এই চাৰিটি

পৰমাৰ্থ বস্তু। ভকতৰ সঙ্গত থাকি গুৰু বাক্য শিৰত লৈ শ্ৰৱণ কীৰ্ত্তনৰ যোগেদি পৰম পুৰুষ শ্ৰীকৃষ্ণৰ নাম লোৱাই হ'ল একশৰণ ধৰ্ম্ম। মূল পন্থা বৈষ্ণৱ ধৰ্ম্মৰ মূলতত্ত্ব সমূহ গীতা আৰু ভাগৱত পুৰাণৰ পৰা অনা হৈছে। এই ধৰ্ম্মত শ্ৰৱণ কীৰ্ত্তন আৰু একত শৰণৰ ওপৰত বেছি গুৰুত্ব দিয়া হৈছে। ইয়াত মূৰ্তিপূজা আৰু অন্য দেৱ-দেৱীৰ স্থান নাই। ধৰ্ম প্ৰচাৰৰ তেওঁ লগে লগে অসমীয়া সংস্কৃতিৰ ভেটিও যথেষ্ট শকত কৰি থৈ গ'ল। এফালে যেনেকৈ তেওঁ এজন ধৰ্ম্ম প্ৰচাৰক আনফালে তেওঁ এজন সাহিত্যিক, গীতিকাৰ, গায়ক, চিত্ৰশিল্পী, নৃত্য-শিল্পী আৰু সমাজ সংস্কাৰকো যে আছিল তাক নুই কৰিব নোৱাৰি। তেখেতৰ দিনত অসমত যি সাংস্কৃতিক বিপ্লব গঢ়ি উঠিছিল সেইবোৰৰ প্ৰধান বাহক হ'ল সত্ৰসমূহ। তেখেতে স্থাপন কৰি থৈ যোৱা প্ৰধানকৈ চাৰিথন সত্ৰৰ কথা উল্লেখ কৰিব পাৰি। উজনীৰ কমলাবাৰী, নগাওঁৰ বৰডোৱা, কামৰূপৰ বৰপেটা আৰু কোচবিহাৰৰ মধুপুৰসত্ৰ। তেখেতে স্থাপন কৰি থৈ যোৱা সত্ৰবোৰ আৰম্বৰপূৰ্ণ নাছিল। সেইবোৰ আছিল সৰ্বসাধাৰণ অসমীয়া মানুহৰ ডুচলীয়া ঘৰৰ দৰেই সাধাৰণ। এই সত্ৰবোৰে হ'ল ধৰ্মালোচনা কৰাৰ প্ৰধান কেন্দ্ৰ, ভকতৰ সঙ্গ লাভ কৰাৰ স্থল, অঙ্কীয়া ভাওনা কৰাৰ বাবে ৰঙ্গমঞ্চ, ঈশ্বৰৰ নাম লোৱাৰ এটি সমূহীয়া অনুষ্ঠান। অসমৰ গ্ৰাম্য জীৱনৰ সাংস্কৃতিক পৰিপুষ্টি সাধনত নামঘৰৰ পৰিকল্পনা বৈশিষ্ট্যপূৰ্ণ। নামঘৰে সুস্থিৰ প্ৰগতিমূলক সামাজিক জীৱনৰ স্বাক্ষৰ বহন কৰে। নামঘৰ স্থাপন কৰি তেখেতে জাতীয় ৰঙ্গমঞ্চ বা নাটঘৰৰ সূচনা কৰিলে। সেইকাৰণে নামঘৰক জাতীয় ৰঙ্গমঞ্চ বা ভাওনাঘৰো বোলে। নামঘৰত মনশুদ্ধিৰ বাবে কীৰ্ত্তনপাঠ আদিও কৰা হয়।

শঙ্কৰদেৱে ধৰ্ম্মৰ উপদেশাৱলীক স্থায়ী ভেটিৰ ওপৰত প্ৰতিষ্ঠা কৰিবৰ কাৰণে একশ্ৰেণীৰ ধৰ্ম্মীয় সাহিত্যৰ সৃষ্টি কৰিছিল। বৰগীত সমূহ, নাটসমূহ, ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশমস্কন্ধৰ প্ৰথমাৰ্দ্ধ, একাদশ আৰু দ্বাদশ স্কন্ধ অনুবাদ কৰাৰ উপৰিও ধৰ্ম্মমতৰ ওপৰত বোল দি ভাগৱত আৰু পুৰাণৰ পৰা কিছুমান কাহিনী সংগ্ৰহ কৰি পাঠকৰ আগত ভাঙি ধৰিলে। এইখনেই হ'ল অসমীয়া জাতীয় জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা, অসমৰ মৌচাক স্বৰূপ "কীৰ্ত্তন ঘোষা"। বৰ্ত্তমানলৈ পোৱা হিচাপ মতে শঙ্কৰদেৱে লিখা একুৰি ছখন পুথি পোৱা গৈছে। কিন্তু পাটবাউসী থানৰ স্থানীয় বিশ্বাস মতে তাত ওঠৰ বছৰ ছ মাহ থাকি তেখেতে একুৰি সাতখন শাস্ত্ৰ ৰচনা কৰে যদিও এই বিষয়ে প্ৰমাণ পোৱা নাযায়।

নৱবৈষ্ণৱ ধৰ্ম আন্দোলনৰ ফলত ভাৰতৰ বিভিন্ন প্ৰদেশৰ দৰে অসমতো গীতি কবিতা বা লিৰিকৰ জন্ম হয়। শ্ৰীকৃষ্ণৰ জীৱন আৰু কাৰ্য্য-কলাপক কেন্দ্ৰ কৰি শঙ্কৰদেৱে ভালেখিনি ধৰ্মসঙ্গীত ৰচনা কৰে। বৰগীত সমূহেই হ'ল ধৰ্মসঙ্গীত। বিষয়বস্তুৰ মহত্ব, ৰচনাভঙ্গীৰ সৌন্দৰ্য্য, সুৰৰ গাম্ভীৰ্য্য আৰু প্ৰকাশৰ সংযমে এই গীতবোৰক অন্যান্য গীতৰ পৰা পৃথক কৰিছে। অতি প্ৰাচীন কালৰে পৰা কামৰূপত সঙ্গীত আদিৰ চৰ্চা থাকিলেও শঙ্কৰদেৱৰ বৰগীতে শাস্ত্ৰীয় সঙ্গীতৰ এটা নতুন অধ্যায়ৰ সূচনা কৰিলে। সঙ্গীত শাস্ত্ৰৰ বিধান মতে বৰগীতবোৰ পূৰ্ণ পৰ্য্যায়ৰ গীত; কিন্তু নাটৰ আটাইবোৰ গীত পূৰ্ণ পৰ্য্যায়ৰ নহয়। শ্ৰীশঙ্কৰদেৱৰ বৰগীতসমূহ সাহিত্যকলা আৰু সঙ্গীতকলা উভয় দিশৰ পৰা আকৰ্ষণীয়। খোল, তাল আদিৰে গোৱা বৰগীত আৰু অঙ্কৰ গীততে অসমীয়া সংগীতৰ পূৰ্ণ যৌৱনৰ পয়োভৰ।

শঙ্কৰদেৱৰ নাট্য সাহিত্যাই ভাৰতীয় সাহিত্য আৰু কলাৰ ক্ষেত্ৰত এক বৈশিষ্ট্যপূৰ্ণ স্থান লাভ কৰিছে। তেৰাই নাট ৰচনাৰ আদৰ্শ দেখুৱাই অভিনয়, নৃত্য আদিক সৰ্বসাধাৰণ লোকৰ সম্পত্তি কৰি থৈ গ'ল।

পূৰ্বৰে পৰা চলি অহা ওজাপালী, পুতলা নাচ আদিৰ ভিত্তিত সংস্কৃত নাটকৰ আৰ্হিত স্বকীয় প্ৰতিভাৰে সৃষ্টি কৰা শঙ্কৰদেৱৰ নাটসমূহ অসমীয়াসকলৰ অমূল্য সম্পদ। প্ৰথমবাৰ তীৰ্থৰপৰা ঘূৰি আহি শ্ৰীশঙ্কৰদেৱে বৰদোৱাত সংলাপবিহীন আঙ্গিক অভিনয় 'চিহ্নযাত্ৰা' ভাওনা কৰে। এই ভাওনাৰ বাবে তেখেতে সাত বৈকুণ্ঠৰ চিত্ৰ তুলাপাতত হেঙুল হাইতালেৰে আঁকি দেখুৱাইছিল। নান্দী, সূত্ৰধাৰ, প্ৰৰোচনা, প্ৰস্তাৱনা, শ্লোক আৰু মুক্তিমঙ্গল সংস্কৃত নাট্যশাস্ত্ৰৰ অনুসৃত হ'লেও মহাপুৰুষৰ ব্ৰজাৱলী ভাষাই এনে সুন্দৰ আৰু সুঠাম গঢ় লৈছে, যাৰদ্বাৰা এই ভক্তি প্ৰধান নাটে জনসাধাণৰ হৃদয় জয় কৰিব পাৰিছে। গীত, পদ আৰু পয়াৰৰ ব্যৱহাৰ সূত্ৰধাৰৰ অভিনৱ কল্পনা, লয়যুক্ত গদ্যৰ ব্যৱহাৰ অৰ্থাৎ ব্ৰজাৱলী ভাষাৰ প্ৰয়োগে অঙ্কীয়া নাটক সংস্কৃত নাটক বা অন্যান্য নাটকৰ পৰা পৃথক কৰিছে। অঙ্কীয়া নাট অভিনয়, সঙ্গীত আৰু সাহিত্য এই তিনিটাৰ অপূৰ্ব সংমিশ্ৰণ। অঙ্কীয়া নাট ৰচনাৰ দৰেই ভাওনাও বৈশিষ্ট্যপূৰ্ণ। অসমৰ ভাওনাৰ লগত উত্তৰ ভাৰতৰ লোকনাট্যনুষ্ঠানতকৈ দক্ষিণ ভাৰতৰ লোকনাট্যনুষ্ঠানৰ অধিক সাদৃশ্য পৰিলক্ষিত হয়। কেৰালাৰ কথাকলি, কৰ্ণাটকৰ যক্ষগান, তামিলৰ ভাগৱত মেল নাটক, গুজৰাটৰ ভৱাই আদিৰ লগত কোনো কোনো বিষয়ত সাদৃশ্য পৰিলক্ষিত হয়। যেনে যক্ষগানত প্ৰৱেশ কৰোতে দুজনে আঁৰিয়া ধৰি আগবঢ়াই নিয়ে আৰু পাত্ৰৰ প্ৰতি দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে। তামিলৰ ভাগৱত মেল নাটকত গ্ৰন্থিকে শ্লোক পাঠ কৰাৰ লগে লগে তেওঁৰ লগৰীয়া গায়ন দুজনে প্ৰৱেশৰ গীত গায় আৰু গীতৰ চেৱে চেৱে নৃত্য কৰি ভাৱৰীয়াই প্ৰৱেশ কৰে। কেৰালাৰ কথক নৃত্যৰ মুখাৰ লগত ভাওনাৰ মুখাৰ গঢ় বহুত দূৰ মিলে। মুঠৰ ওপৰত মৌ-মাখিয়ে ফুলৰ মৌ সংগ্ৰহ কৰি মৌ-কোহ সজাৰ দৰে শ্ৰীশঙ্কৰদেৱেও সুদীৰ্ঘ তীৰ্থভ্ৰমণৰ অভিজ্ঞতাৰ পৰা ভাওনাৰ ৰীতিটো প্ৰচলন কৰে। জনসাধাৰণৰ ৰুচি আৰু স্থানীয় আৱশ্যকতালৈ লক্ষ্য ৰাখি শঙ্কৰদেৱে পত্নী প্ৰসাদ, কালিয় দমন, কেলি-গোপাল, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ, আৰু ৰামবিজয় নাট ৰচনা কৰে। এই নাটসমূহৰ মাজেৰে তেখেতে বিভিন্ন ৰসৰ সৃষ্টি কৰিছে। পত্নীপ্ৰসাদত অদ্ভুত ৰস, কালিয় দমনত ভয়ানক আৰু কৰুণ ৰস, কেলি-গোপাল, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ, ৰামবিজয় আদি নাটত শৃঙ্গাৰ ভক্তিৰসৰ সৃষ্টি কৰিছে। 'ৰুক্মিণী হৰণ' নাটৰ মাজেৰে অসমীয়া ঘৰুৱা পৰিৱেশৰ কথা স্পষ্টভাৱে ফুটি ওলাইছে।

শঙ্কৰদেৱৰ ৰচনাসমূহৰ ভাষা ব্ৰজাৱলী। তেওঁৰ মধ্যাহ্ন জীৱনৰ সময়ছোৱাত অসম, বঙ্গ, উৰিষ্যাত বিশেষকৈ ব্ৰজপ্ৰিয় শ্ৰীকৃষ্ণক কেন্দ্ৰ কৰি কিছুমান গীত মাতৰ একোটি কৃত্ৰিম উপভাষাৰে প্ৰচলন কৰিছিল। এই ভাষাটোকে ব্ৰজাৱলী ভাষা নামে জনা যায়। তেখেতে থলুৱা ভাষাৰে সাহিত্য সৃষ্টি নকৰি এটা কৃত্ৰিম ভাষাৰে সাহিত্য ৰচনাৰ কাৰণ হিচাপে ইয়াকে অনুমান কৰা যায় যে কৃষ্ণক বিশেষভাৱে সৰ্বসাধাৰণতকৈ ওপৰত ৰাখিবৰ বাবেহে ব্ৰজাৱলী ভাষা গ্ৰহণ কৰিছিল। অন্ততঃ সৰ্বসাধাৰণে কোৱা ভাষাতকৈ প্ৰভু কৃষ্ণই কোৱা ভাষা বেলেগ হব লাগিব। আৰু যাতে অঙ্কীয়া নাটসমূহ উত্তৰ ভাৰততো প্ৰচলন হয় তাৰ ওপৰত লক্ষ্য ৰাখিয়ে এই ভাষা ব্যৱহাৰ কৰিছিল।

শ্ৰীশঙ্কৰদেৱ কবি, নাট্যকাৰ, সঙ্গীতজ্ঞৰ উপৰিও এজন ওখ খাপৰ চিত্ৰকৰো আছিল। 'চিহ্নযাত্ৰা' ভাওনাৰ বাবে তুলাপাতত হেঙুল-হাইতালেৰে বোলাই সাত বৈকুণ্ঠৰ চিত্ৰ আঁকি দেখুওৱাৰ কথা ওপৰত উল্লেখ কৰা হৈছে। এই কথা তেখেতৰ জীৱনী 'কথা গুৰু চৰিত'ত বৰ্ণনা কৰা আছে। আন এবাৰ তেখেতে তেখেতৰ পৃষ্ঠপোষক কোঁচ ৰজা নৰনাৰায়ণক সেন্দুৰ আৰু হেঙুল হাইতালেৰে এটা হাতী আঁকি কাঠৰ বাকচত লগাই উপহাৰ দিছিল। তেখেতে

প্ৰতিখন চিত্ৰতে বেলেগ বেলেগ নাম দি ১৮০ ফুট দীঘল কাপোৰত কৃষ্ণৰ শিশু কালৰ নানান চিত্ৰ বৈ উলিয়াইছিল। ইয়াৰ পৰা তেখেতক এজন ভাল শিপিনী বুলিও কব পৰা যায়।

শঙ্কৰদেৱে অসমত এটা সংস্কৃতিৰ নতুন ধাৰা বোৱাই দিলে। তেখেতক অনুকৰণ কৰি সমসাময়িক বহুতো কবি সাহিত্যিকেও অসমীয়া সাহিত্যত বহুতো অৱদান দি থৈ গৈছে। তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱ, ৰাম সৰস্বতী, পাঁচালী কবিসকল আদি তাৰ উদাহৰণ। এইদৰে তেখেতে পূৰ্বৰ ঘুণে ধৰা অসমক এক নতুন ৰূপত ৰূপান্তৰ কৰি থৈ গ'ল। খোৱা-লোৱাৰ পৰা আৰম্ভ কৰি ফুৰা-চকালৈকে তেখেতে নতুন সংস্কৃতিৰ বোল অসমীয়াৰ অন্তৰত সানি থৈ গ'ল। 'ভুপৰীয়াৰ অতিথি সাক্ষাৎ নাৰায়ণ'ৰ দৰে আলহী-দুলহীক ভাত খুওৱাওতে এবাৰ ধুপ-ধূনা আদিৰে পূজা কৰিহে ভাত খাবলৈ দিয়া হ'ল। দুজন চিনাকী ব্যক্তিৰ মাজত দেখা দেখি হলে 'কৃষ্ণ-কৃষ্ণ' বুলি নমস্কাৰ বিনিময় কৰা হ'ল। শোৱাৰ আগতে আৰু শুই উঠাৰ পিচতে এবাৰ 'কৃষ্ণ' নাম লৈ অন্তৰ পবিত্ৰ কৰা হ'ল। নগাওঁত কিছুমান ঠাইত এতিয়াও বিশ্বাস যে শঙ্কৰদেৱৰ আগতে হেনো অসমৰ মানুহবিলাকে হাঁহিবও নেজানিছিল। শঙ্কৰদেৱেই হাঁহিব শিকালে। কথাটো সত্য নহ'ব পাৰে। তথাপিতো কথাষাৰ তেনেই অমূলক বুলি কব নোৱাৰি।

শঙ্কৰদেৱৰ সংস্কৃতিৰ বিষয়ে চমুকৈ কম-বেছি পৰিমাণে আলোচনা কৰা হ'ল। এতিয়া আমাৰ আলোচনাৰ বিষয় হ'ল তেখেতৰ সংস্কৃতিৰ মাজেৰে ভবিষ্যত অসমীয়া সংস্কৃতিৰ মান নিৰ্ণয় কৰা। এই খিনিতে কৈ থোৱা ভাল হ'ব যে সংস্কৃতি, সমাজত হঠাতে গঢ়ি উঠা ক্ৰিয়া কৰ্ম নহয়। বহু বছৰ ধৰি পূৰ্ব পুৰুষসকলে কৰি অহা নীতি-নিয়ম নানান ঘাত প্ৰতিঘাতৰ মাজেৰে ন-ন্ ৰূপ ধৰিহে বৰ্তমানৰ অৱস্থা পায়। তাৰ বাবে এখন সমাজৰ সংস্কৃতি আন এখন সমাজৰ সংস্কৃতিৰ প্ৰভাৱৰ পৰাও মুক্ত হৈ থাকিব নোৱাৰে।

বৰ্তমান সমাজব্যৱস্থা অকল এখন সমাজ বা ৰাষ্ট্ৰৰ ভৌগোলিক পৰি সীমাৰ মাজত আৱদ্ধ নহৈ সমগ্ৰ বিশ্বৰ লগে লগে সমতা স্থাপন কৰি পৰস্পৰৰ মাজত ভাৱৰ আদান প্ৰদান কৰি ; সভ্যতা সংস্কৃতিৰ বিনিময় কৰি গঢ়ি উঠা সমাজ ব্যৱস্থা। বৰ্তমান সমাজ ব্যৱস্থাই মানুহক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে আৰু অধিক যুক্তিবাদী কৰি তুলিছে। সেয়েহে বৰ্তমান যুগত কোনেও পুৰণিকলীয়া অন্ধ সংস্কাৰবোৰক লৈ থাকিব বা ধৰ্মৰ নামত কঠোৰ বান্ধোনৰ মাজত আবদ্ধ হৈ থাকিব নিবিচাৰে।

এতিয়ালৈকে অসমত শঙ্কৰদেৱৰ সভ্যতা-সংস্কৃতিৰ যথেষ্ট সাল সলনি ঘটিছে। জোনাকী যুগৰে পৰাই সাহিত্যৰ ক্ষেত্ৰত পশ্চিমীয়া প্ৰভাৱ পৰি শঙ্কৰী যুগৰ সাহিত্যৰ পৰা ফালৰি কাটি নতুন পশ্চিমীয়া ভাৱধাৰাৰে প্ৰভাবান্বিত সাহিত্যৰ সৃষ্টি হ'ল। যাৰ সোঁত এতিয়ালৈকে চলি আছে আৰু ভৱিষ্যতলৈও চলি থাকিব। ভক্তিমূলক কবিতা, কাহিনী আদিৰ লগতে আধুনিক গল্প, কবিতা, উপন্যাস, চনেট, প্ৰবন্ধ আদিয়েও ঠাই পাইছে। কৃত্ৰিম ব্ৰজাৱলি ভাষাৰ সলনি আধুনিক আৰু থলুৱা কথিত ভাষাই ঠাই পাইছে।

সেই সময়ত বৰকাঁহ, শঙ্খ, ঘণ্টা, মৃদঙ্গ আদিৰে ৰজন জনাই থকা অসম এতিয়া আৰু নাই। সেইবোৰৰ সলনি গীতাৰ, মেন্দলীন আদিয়েহে শিক্ষিত সমাজক শুৱায়। নামনি অসমৰ বহুতে হয়তো ভাওনা কেনেকুৱা বস্তু এতিয়ালৈকে দেখাই নাই। এনেকুৱাই যদি হয়, তেন্তে সেইবোৰ হয়তো আৰু কেইবছৰ মানৰ পিছত একেবাৰে লুপ্ত হৈ যাব।

শিক্ষিত অসমীয়া সমাজে আধুনিক বোলছবিবোৰৰ প্ৰভাৱত পৰি এইবোৰৰ প্ৰতি মন কাণ নিদিয়াত এইবোৰে ক্ৰমে নিস্তেজ আৰু দৈন্যতাপূৰ্ণ অৱস্থা

পাইছেগৈ। শঙ্কৰদেৱৰ নাটক আৰু সংস্কৃতি জীয়াই ৰাখিছে মাত্ৰ মুষ্টিমেয় গাওলীয়া লোকসকলে আৰু নামঘৰসমূহে। যিবোৰে শংকৰী কৃষ্টি আজিও জীয়াই ৰাখিছে তেওঁলোকক ধন্যবাদ। কিয়নো তেওঁলোকে নানান দুখদৈন্য আৰু বিপৰ্য্যয়ৰ মাজতো এইবোৰক গুৰুজনাৰ দান বুলি চৰ্চা কৰি আহিছে বাবেই আজিও এই কৃষ্টি এতিয়ালৈকে জীয়াই আছে। যদিও তাৰ মাজতে ৰাজনৈতিক কাৰণ বশতঃ বহুতো চিৰ দিনৰ বাবে হেৰাই গ'ল আৰু বহুতো হয়তো কাৰোবাৰ বৰপেৰাৰ ভিতৰত সোমাই আছে। এইবোৰৰ উদ্ধাৰৰ বাবে চেষ্টাৰ প্ৰয়োজন হৈ পৰিছে। সুখৰ বিষয় যে আধুনিক মঞ্চসমূহ আৰু অসমৰ অনাতাঁৰ কেন্দ্ৰসমূহে শঙ্কৰদেৱৰ সংস্কৃতি জীয়াই ৰাখিবলৈ চেষ্টা চলাই আহিছে। ক্ৰমান্বয়ে এইবোৰো শিক্ষিত সমাজৰ মনো চুইছেগৈ। তেওঁলোকে এইবোৰৰ বৈজ্ঞানিকভাৱে সংৰক্ষণৰ প্ৰতি মন দিছে। যি সকলে শঙ্কৰদেৱৰ সংস্কৃতিৰ বিষয়ে চৰ্চা কৰি সংৰক্ষণৰ চেষ্টা কৰিছে তেওঁলোক আমাৰ প্ৰশংসাৰ পাত্ৰ। দশাৱতাৰ নৃত্য, কালিয় দমন নৃত্য আদিয়ে ক্ৰমাৎ মানুহৰ মনত প্ৰিয়তৰ হৈ পৰিছে। এইবোৰৰ দ্বাৰাই হয়তো ভৱিষ্যতলৈ শঙ্কৰদেৱৰ সংস্কৃতি উন্নত হব পাৰে।

সামৰণিত আমি ইয়াকেই কম যে অসমৰ কলা-সংস্কৃতিৰ গুৰু শ্ৰীশঙ্কৰদেৱে ধৰ্ম, সমাজ, সাহিত্য, সঙ্গীত আদি বিভিন্ন ক্ষেত্ৰত বহুমূলীয়া অৱদান দি আমাৰ জাতীয় জীৱনক উন্নত আৰু মহীয়ান কৰিছে। এনেকুৱা এজন মহান লোকৰ মহান দান আমি নিজৰ বুলি নললে ভৱিষ্যত অসমীয়াৰ নিজৰ বুলিবলৈ একোৱেই নাথাকিব।



# It's Time

**Sahadev Das**, M. A.
Lecturer, Department of English.

It's time
to speak out the mind
to put forth grievances
to unfold the untold story
to nurse the wound.
Here is the saviour
to redemptus,
Here is the Lord
to fulfil grievances,
Here is the man
to listen the story,
Here is the physician
to prescribe medicine.
It's here
to make a circle
to revolve round the centre.**

---

"Never smile at other people's faults. Your own faults may be a huge joke to other."

**—Franklin—**

# On Cultural Problem.

**Abdul Mozid Mandal,** M.A.
Lecturer, Deptt. of History.

The cultural degradation which has gripped our country in the Post-independence era is a source of concern to many. Now-a-days, it is not an isolated act of this sect or that sect, of this group or that group—who do not bother about any standard of Culture. Rather, all the right-thinking persons are noticing with much agony that there is a steady decline in our moral and ethical standard. But in absence of a correct outlook and approach to the problem of culture, serious confusions and misconceptions prevailed not only among the general students teachers and the people but even among the known progressives of our country. The opinions analyses or the suggestions that several commissions placed for cultural reforms, are all unscientific, unhistorical and subjective. Hence all our cultural movements are groping in darkness. The country is badly in need of a scientific guide line that could help our students, teachers and all people interested in culture to develop a cultural movement with a correct approach and perspective.

Before analysing and finding out the root causes of the cultural degradation we should have a clear-cut conception of culture—its origin and development.

From scientific analysis, it is derived that man's spiritual creation call it thinking, emotions, ideas, attitudes in other words, human culture in its totality are not inborn and eternal but has been acquired and developed by man through age-long struggle and the process of labour. It is clear that man enters into productive relation means both spiritual and material production. The production relation exists independent of human conciousness of will. Man's thoughts and ideas are defined by the material condition or in other words, the historic time, social development and environment. It is only after the creation of material condition that ideas can grow and blossom through the interaction in human brain. To quote Sri Shibdas Ghosh, "The spiri-

tual world of mankind has come into being, developed and is continuing to develop through the interactions between the opposite forces within the society and the incessant struggle of the whole human society against nature. Culture is nothing but the finest and most comprehensive manifestation of the spiritual functions of man. Art, literature, poetry etc. propagate this, culture and it should not be forgotten even for a moment that art and literature are superstructure built on a definite economic basis of the society (crisis in culture and Fascism). Thus culture is a category which includes outlook and attitude towards life, morality, pattern of life, social relationship between opposite sexes, the most beautiful and concrete expression of which we get in art and literature, poetry and music.

Within a society every human being is connected directly or indirectly with production and primarily stand in some kind of production relation to any other individual and ever since the division of society into classes, social thinking has been split up into class thinking. Thus we find all the contradictory ideas and concepts and class interests reflected in art and literature, in the whole cultural field. Ofcourse, among all these class concepts, there is always the dominant aspect of culture of that particular class which is seated in power and has consolidated its class rule ; this is the culture which is conducive to the rule of that particular class.

In case of India too, there are basically two cultural trends—one, serving the interest of the capitalist class, and the other serving the interest of revolutionary struggles of the toiling masses. Whether anybody likes it or not it is a stark reality which exists independent of our likings or dislikings. Nobody can have one single approach to the problems of culture, serving at a time the interest of both the classes, standing historically antagonistic to each other. A careful analysis will reveal that the dominant cultural trend of our country is the one which serves the interest of the present capitalist order of the society with the vestiges of feudalism while the other trend which is in conflict with this main trend is making its way through hard and relentless struggle and aspires to overthrow the present system and establish a new order for the unhindered development of the society freed from all sorts of exploitation of man by man.

In order to gain a correct understanding of the nature of our cultural crisis it is necessary to analyse the history of Renaissance and Independent Movement in our country. History of capitalism is the history of emergence of modern nations and national states. The same holds true for India. After establishment of a centralised British administration, a national market gradually developed and with the breakdown of old self-sufficient village economy brought an identity of economic interest among the different nationalities which united them in their struggle for the overthrow of British Colonical rule. The leadership of this independence struggle was in the hands of the Indian

bourgeoisie, who although forget against imperialism, yet from the very beginning their role was compromising due to the peculiar historical situation In the first place, Indian capitalism grew and developed under the umbrella of the British finance Capital and British imperialism. Therefore, it lacked an independent and fighting character. In the second place, world capitalism had become a decadent force and at that time, when mercantile capitalism had given way to monopoly capitalism and imperialism, the bourgeoisie had lost their revolutionary role. After establishing democratic norms of life, they themselves began to curtail the freedom of the people and in order to stave off the proletarian revolution, they allied themselves with the reactionary forces preaching revivalism ard forstering decadent imperialist culture. The Indian national bourgeoisie who was the part and parcel of world capitalism could not possess a revolutionary character any more. Moreover, they were constantly haunted by the fear that the leadership of the independent movement might pass into the hands of the working class : these are the causes underlying the oppositional reformist role of the Indian bourgeosie. At that time, in our country it was only the petty bourgeois section who reflected the revolutiorary tone to be found in the European bourgeoisie of Renaissance period. In the cultural field too, these two trends of bourgeois outlook were present. One of them was the revolutionary uncompromising trend of the petty bourgeosie fighting mainly on a secular basis and upholding the humanist values This was really the continuation and development of the thoughts and ideals of Renaissance first expressed and professed by Rammohan and later on taken up and further developed along an agnostic secular line by Vidyasagar. But because of the peculiar economic and political conditions of our independent movement, this trend could not fully come to blossom whereas the compromising trend of bourgeois humanism which lacked that revolutionary fighting character against religion and feudalism was both expansive and dominant in our society. Vivekananda whom we may call the first bold proponent of the Indian nationalism was deeply influenced by spiritual values and our later political movement, which stemmed from this source was crippled from the outset because it could not be freed from religion and spiritualism. Hence the Gandhian trend which developed as its logical culmination led our independent movement on the road of compromise and reformism. Further, as the leadership of our national independent movement was in the hands of the compromising bourgeosie, the programme of cultural and social revolution could not be integrated with our political movement. As a result, many tasks of bourgeois democratic revolution remained unaccomplished. That is why even to-day, our society is still governed and ruled to a large extent by old feudal concepts and religious superstitutions and inspite of political unity, different nationalities in India still remain divided on the basis

of language, religion, caste, creed, causing only provincialism and communal riots to flare up from time to time. The ruling class is totally unable to check this as all bourgeois moral values are exhausted and the bourgeois class has lost all its progressive character. Hence the ruling class is deliberately fostering blind faith, fanaticism, authoritarianism and the spread of the most rotten and degraded culture to make the people spineless and victim of low and vulgar instincts. At the same time, they are continuously preaching sermons urging people to become more moral and selfless and propagate that if only all men would be properly ethical in their activities and relationship, all social problems would thereby be solved So, unlsss we can fight these social evils and frustrate the designs of the ruling class through a progressive cultural movement, our society will sink even deeper into crisis and degradation.

To overcome the impasse and acute moral crisis which is eating into the very marrow of our nation it is necessary to launch a cultural movement based on the working class ideology. The proleterian culture developed by assimilating what is best in the most advanced revolutionary bourgeois cultures but there is also a break with the latter. To ascertain what is the best in bourgeois cultural trends in our country we have to take into consideration that the capitalist development in India was in the era of imperialism and proletarian revolution and the revolutionary role of the bourgeoise as a class was exhausted, they could not successfully complete the tasks of bourgeois democratic revolution. For the uncompromising spirit and attitude of the European Renaissance we have to look to the petty bourgeois class, a minor force even though. In the cultural field, Saratchandra was the leading personality in the trend which professed a revolutionary fighting spirit and uncompromising secular attitude. In Saratchandra's literature we get the concrete and most beautiful expression of these noble humanist ideals and in this he was followed to some extent by Nozrul. That is why any progressive cultural movement in our country will have to be in continuation of this trend, though a fundamental break will also be there as proleterian concepts stand in antagonistic relation to the bourgeois concepts based on private ownership and private property mental complex.

Before we launch a progressive cultural movement based on proleterian ideology, we must counter the spread of the rotten imperialist culture as well as the feudal thinking and feudal ways and habits within family life which crippled the individual. In all walks of life, there is a concept of good and bad which guides and determines our lives. To illustrate, let us take the example of our marriage syttem where the choise of partners is still being decided by parents with the whole round about of dowry system and other feudal customs. The whole mental make-up is such that higher and nobler ideas can not develop without breaking these old traditions and concepts. Man-

hood and womanhood are still evaluted on religious and caste basis and not on the basis of moral character and human qualities. It may be argued that at least the educated section of the society are free from superstitions and casteism and give some recognition to individual love and accept free choice in marriage but actually their idea of love is crippled by the traditional ownership concepts which underlies their marriage relationship.

Self-respect and dignity is the basis of manhood and womanhood and they suffer from the lack of it since they have not properly grasped the essence of freedom and free choice which means that man and woman are essentially free and they do not lose their freedom but are bound together by the free desire for unity. This is not a bondage nor is their any force or compulsion at work. Again the question of morality between the two sexes has not been properly understood by the elite. They educate their children, specially the girls, to keep them away from the other sex, because they themselves do not know the use of freedom, and so can not teach it to their children either. Because of a lack of mental and cultural interexchange between the opposite sexes, their minds get crippled. If this is not fought properly, the creative mental faculties of the whole society will suffer.

These and many other tasks of the bourgeois democratic revolution remain unfulfilled in our country. No true progressive cultural movement can bypass these tasks, as proleterian culture can not be attained without completing these tasks, without fighting at the same time religious superstitions and feudal habits as well as the bourgeois vices and bourgeois sense of individualism. For the same reason, blind allegiance to whomsoever, it may be, is harmful and must be resolutely opposed, because it prevents the growth and development of rationality, reasoning power and moral character. Genuine proleterian culture will instill into the minds of people a desire to struggle for the good and upliftment of society and to free them from the narrow confines of sectarian self-interest and egocentricism and helps them to understand that the attainment of individual dignity and freedom is only possible through the struggle for liberation and progress of the whole society. It is through socialist revolution alone and replacement of the capitalist production relation that the present all engulfing crisis can be solved and our country saved from utter ruination. This political struggle for the overthrow of the capitalist system is only possible if it is linked with the genuine proleterian cultural movement as "Cultural revolution precedes technical revolution". (Lenin).

---

N.B. This article is compiled from the speeches delivered on the problem of culture on various occasion. by "Shibdas Ghosh" one of the fore-most Marxist thinkers of the present era and published in the "Proleterian Era",

# ॥ ডুধনৈ মহাবিদ্যালয় ছাত্র একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥

ডুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে মোক নিৰ্ব্বাচিত কৰাত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্য কালৰ ভিতৰত সম্পন্ন হোৱা কেতবোৰ প্ৰধান কামৰ চমু বৰ্ণনা ইয়াত দাঙি ধৰাৰ বাবে প্ৰয়াস কৰিছোঁ। বৰ্ণনাৰ মাজত বহুতো ভুল ক্ৰটি হোৱাতো স্বাভাবিক। তাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ গুচৰত ক্ষমা বিচাৰিছোঁ।

সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণৰ কেইদিনমান পিছতে শ্ৰীশ্ৰীসৰস্বতী পূজাত জড়িত হৈ পৰোঁ। উল্লেখযোগ্য, আমাৰ মহা বিদ্যালয়ত বৰ্ত্তমানলৈ সৰস্বতী পূজা সামূহিক-ভাবে আটাইৰে সহযোগত পালন কৰি অহা হৈছে। ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় সহযোগ আৰু অধ্যাপক মণ্ডলীৰ সদুপদেশত সৰস্বতী পূজা নিয়াৰিকৈ পালন কৰা হয়। সৰস্বতী পূজাৰ সময়তে স্থানীয় 'ডুধনৈ শাখা সাহিত্য সভা'ৰ সৌজন্যত পোৱা শিশুৰ চিত্ৰাঙ্কনৰ প্ৰদৰ্শনীও অনুষ্ঠিত হয়। উল্লেখযোগ্য, চিত্ৰাঙ্কন প্ৰতিযোগিতাই সৰস্বতী পূজাৰ আড়ম্বৰ বৃদ্ধিত সহায় কৰে।

১৯৭৭ ইং চনৰ ১৭ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰী পৰ্য্যন্ত চাৰিদিনীয়া কাৰ্য্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' পতা হয়। চতুৰ্থ দিনাখন আবেলি প্ৰাক্তন এম-পি শ্ৰীদীনেশচন্দ্ৰ গোস্বামীৰ উপস্থিতিত বটাঁবিতৰণী সভা, আৰু সন্ধিয়া বিচিত্ৰানুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয় সপ্তাহৰ আটাইবোৰ কাৰ্য্যসূচী শুকলমে সম্পন্ন হয়। কিন্তু দুখৰ বিষয়, মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচীত অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল। বিভিন্ন বাৰ্ষিক পৰীক্ষা শেষ হোৱাৰ পিছত কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰাবাসৰ পৰা নিজ নিজ ঘৰলৈ গুচি যোৱাত 'মহাবিদ্যালয় সপ্তাহ'ৰ কাৰ্য্যসূচীত যোগদান-কাৰীৰ সংখ্যা তেনেই তাকৰ হৈ পৰে। ভৱিষ্যতলৈ 'মহাবিদ্যালয় সপ্তাহ'ৰ সময় বাৰ্ষিক পৰীক্ষাৰ আগতে নিৰূপিত কৰিলে যোগদানকাৰী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাব বুলি আমাৰ দৃঢ় বিশ্বাস।

২১।৩।৭৭ ইং তাৰিখে বি-এ পৰীক্ষাৰ্থী আৰু প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ পৰীক্ষাৰ্থীক বিদায় সম্ভাষণ জনাবলৈ 'বিদায় সভা' পতা হয়। উক্ত সভাত পৰীক্ষাৰ্থী সকলক ফুল আৰু চন্দনৰ ফোঁট দি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰা হয়।

৪।৮।৭৭ ইং তাৰিখে বিভিন্ন কাৰ্য্যসূচীৰে 'প্ৰতিষ্ঠা দিবস' পালন কৰা হয়।

৩।৯।৭৭ ইং তাৰিখে 'নৱাগত আদৰণি সভা' অনুষ্ঠিত হয়। এই সভাত প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিক আৰু বি-এৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাবে আদৰণি জনোৱা হয়। 'নৱাগত আদৰণিসভা'ত অধ্যক্ষ কৰুণা কান্ত বাভাদেৱে সভাপতিত্ব কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰীকৈলাস চন্দ্ৰ ভট্টাচাৰ্য্য আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীক্ষিতীশ চন্দ্ৰ মেধি

ডাঙৰীয়াই বিশিষ্ট অতিথি হিচাপে সভাত যোগদান কৰি সভাৰ সৌষ্ঠব বৃদ্ধি কৰে। মহাবিদ্যালয়ৰ সম্পাদক, প্ৰাক্তন এম-এল-এ শ্ৰীহাকিম চন্দ্ৰ ৰাভাদেৱে নিৰ্দিষ্ট বক্তা হিচাপে সভাত ভাষণ দিয়ে।

॥ শোক প্ৰকাশঃ শ্ৰদ্ধাঞ্জলি নিবেদন ॥ মোৰ কাৰ্য্যকালৰ ভিতৰত অসম তথা ভাৰতৰ ভালেকেই-গৰাকী বিশিষ্ট ব্যক্তিৰ পৰলোক প্ৰাপ্তি হয়। বিশেষকৈ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলি আহমেদ, হেম বৰুৱা, বিশিষ্ট সাহিত্যিক বুদ্ধিজীৱী সুনীতি কুমাৰ চট্টোপাধ্যায়, বিশিষ্ট ক্ৰীড়াবিদ ৰাধাগোবিন্দ বৰুৱা আদি উল্লেখযোগ্য। এইসকল ব্যক্তিৰ অকাল বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰিছোঁ আৰু স্বৰ্গগত আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পন কৰিছোঁ।

॥ ক্ষমা প্ৰাৰ্থনাঃ ধন্যবাদ জ্ঞাপন ॥ মোৰ কাৰ্য্য কালৰ সময়ত যি ভুল ক্ৰটি হৈ গ'ল তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। যিবোৰ সমস্যা আশানুৰূপ ভাবে চেষ্টা কৰা সত্বেও সমাধান কৰিব নোৱাৰিলো নৱ নিৰ্ব্বাচিত সাধাৰণ সম্পাদকে সেই সমস্যাসমূহ সমাধান কৰিব পাৰিব বুলি আশা পোষণ কৰিছোঁ। এই সুযোগতে নৱ-নিৰ্ব্বাচিত সাধাৰণ সম্পাদকলৈ আমাৰ প্ৰীতি সম্ভাষণ জনাইছোঁ।

মোৰ কাৰ্য্য কালৰ ভিতৰত ভালেকেইগৰাকী অধ্যাপক-অধ্যাপিকাই বিভিন্ন প্ৰকাৰে সহায়, সহযোগিতা কৰা বাবে শ্ৰদ্ধাৰে সেৱা জনাইছোঁ। যি সকল বন্ধু-বান্ধৱীয়ে কাৰ্য্য সম্পাদন কৰাত সহায় কৰিছিল তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত ভগবানৰ ওচৰত মোৰ প্ৰাৰ্থনা,—দুধনৈ মহাবিদ্যালয় প্ৰগতিৰ পথত আগবাঢ়ি যাওঁক। দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা শক্তিশালী আৰু দীৰ্ঘায়ু হওঁক।

শ্ৰীৰঞ্জিত কুমাৰ দত্ত
সাধাৰণ সম্পাদক,
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# সঙ্গীত শাখা সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ, আৰু সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন তথা ওলগ জনাইছোঁ। সি সকল অধ্যাপক-অধ্যাপিকা, বন্ধু-বান্ধৱীয়ে মোক দুধনৈ মহাবিদ্যালয়ৰ সঙ্গীত সম্পাদক হিচাপে নিজকে পৰিচয় দিয়াৰ সুযোগকণ দিলে, তেখেতসকলৰ ওচৰত মই চিৰঋণী। তেখেতসকলৰ মৰমৰ প্ৰতিদান স্বৰূপে মই একোৱে দিব নোৱাৰিলোঁ, তাৰ বাবে মই অনুতপ্ত।

'সঙ্গীত হ'ল সংসাৰ মৰুভূমিৰ সৰোবৰ'। কিন্তু সেই সৰোবৰত ক্ষন্তেক জিৰাই মনৰ ক্লান্তি দূৰ কৰিবলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী-ছাত্ৰীয়ে কিমানখিনি সুবিধা পাইছে, মই বাৰুকৈয়ে অনুভৱ কৰিছোঁ— সম্পাদক হিচাপে।

আমাৰ মহাবিদ্যালয়ত বাদ্য যন্ত্ৰৰ বাৰুকৈয়ে অভাব দেখা গৈছে। যিখিনি আছে তাতকৈ আৰু বহু বেছিৰ আৱশ্যক। গতিকে কৰ্তৃপক্ষৰ ওচৰত মোৰ অনুৰোধ, যাতে তেখেতসকলে এই বিষয়ত তৎপৰ হয়। আগন্তুক বছৰত এই অভাৱ পূৰণ কৰিব বুলি মই আশা কৰিলোঁ।

'মহাবিদ্যালয় সপ্তাহত' ১৮।২।৭৭ ইং তাৰিখে সন্ধিয়া এখন সঙ্গীত প্ৰতিযোগিতা পতা হয়।

'মহাবিদ্যালয় সপ্তাহ' সামৰণিৰ দিনাখন ২০।২।৭৭ ইং তাৰিখে সন্ধিয়া এখন আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠান পতা হয়। সেই অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকা সকলেও অংশ গ্ৰহণ কৰিছিল।

আমাৰ মহাবিদ্যালয়ত শ্ৰীমন্ত শঙ্কৰ দেৱৰ জন্মোৎসৱ পতা হয়, সেই দিনাখন সন্ধিয়া এখন বিচিত্ৰানুষ্ঠানৰ আয়োজন কৰা হয়।

এই বছৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰিছিল। কিন্তু দুখৰ বিষয় যিদিনাখন আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত উপস্থিত হৈছিলো, সেই দিনাখনেই আমাৰ সকলোৰে মাননীয়, স্বৰ্গীয় ফকৰুদ্দিন আলি আহমেদ ডাঙৰীয়াৰ পৰলোক ঘটে। সেই কাৰণে যুৱ মহোৎসৱ অনিৰ্দ্দিষ্ট কাললৈ বন্ধ কৰি দিয়ে। খবৰটো পাই আমি পুনৰ দুধনৈলৈ ঘূৰি আহো। পিছত তেখেতসকলে আমাক আমন্ত্ৰণ কৰিছিল যদিও, আৰ্থিক ফালৰপৰা দুৰ্বল হোৱা হেতুকে পিছৰবাৰ যোৱাটো নহ'ল।

সদৌ শেষত দুধনৈ মহাবিদ্যালয়ৰ সঙ্গীত শাখাৰ উন্নতি কামনা কৰি আৰু অজ্ঞাতে কৰি অহা দোষ ত্ৰুটীৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ মাজলৈ 'ইতি' ৰেখাৰ আমন্ত্ৰণ জনাই ইমানতে সামৰিছোঁ।

দুধনৈ মহাবিদ্যালয়ৰ উন্নতি কামনাৰে—

শ্ৰীদীনেশ দাস
সম্পাদক, সঙ্গীত বিভাগ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

# ॥ তৰ্ক শাখাৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

মিচ্ শেৱালি কলিতা
সম্পাদিকা, তৰ্কবিভাগ
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

প্ৰতিবেদনৰ পাতনিতে দুধনৈ মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাভাজন অধ্যাপক, অধ্যাপিকাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধুসকললৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। ১৯৭৬—৭৭ চনৰ বছৰটোৰ বাবে তৰ্ক-শাখাৰ সম্পাদিকাৰ পদত অধিস্থিত থাকি কিঞ্চিৎ হ'লেও দুধনৈ মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ পাই নিজকে ধন্য মানিছো।

যোৱা বছৰটোৰ ভিতৰত তৰ্ক বিভাগৰ উন্নতি সাধনত অথবা এই কামত যিখিনি পাৰদৰ্শিতাৰ প্ৰয়োজন আছিল, সেয়া মই সন্তুৰপৰ কৰি তুলিব পৰা নাই। আনহাতে, আমাৰ এই শোচনীয় অৱস্থাযুক্ত অনুষ্ঠানখনৰ বহুতো আলৈ আহুকালেও হয়তো বাধাৰ প্ৰাচীৰ হৈ পৰিল।

বৰ্ত্তমানৰ গণতান্ত্ৰিক ৰাষ্ট্ৰত, শিক্ষাৰ ক্ষেত্ৰত তৰ্কৰ অৰিহণা কম বুলিব নোৱাৰি। বৰ্ত্তমানৰ শিক্ষাত তৰ্ক শাখাটো এটা ওতঃপ্ৰোতভাৱে জড়িত বিষয়বস্তু বুলি কলে বঢ়াই কোৱা নহয়। তৰ্কই মানুহৰ সুস্থ মানসিক বিকাশ সাধনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিন্তু দুখৰ বিষয়, আমি এই বিষয়ত আগবাঢ়িবলৈ এতিয়াও বহুদূৰ পথ বাকী আছে।

বৰ্ত্তমানে তৰ্ক বিষয়টো পাঠ্যক্ৰমৰ ভিতৰুৱা হ'লেও এই বিষয়ত প্ৰায়ে আওকাণ কৰা দেখা যায়। মোৰ কাৰ্য্যকালৰ ভিতৰত 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে পতা এখন তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, আৰু আবৃত্তি প্ৰতিযোগিতা পতা হৈছিল। এই প্ৰতিযোগিতাত বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল যদিও ইয়াৰ মানদণ্ড আশানুৰূপ হোৱাগৈ নাই। ইয়াৰ ঘাই কাৰণটো হ'ল আমাৰ চৰ্চ্চাৰ অভাৱ। মই আশা ৰাখিছোঁ যাতে ভৱিষ্যতলৈ এই তৰ্ক শাখাটোৰ বহুল চৰ্চ্চাৰ প্ৰতি মন দিয়া হয় আৰু এই বিভাগটোৰ কাৰ্য্যাৱলীৰ মানদণ্ডও উচ্চতৰ হয়।

মোৰ কাৰ্য্যকালৰ ভিতৰত বিভিন্ন সাৰুৱা দিহা-পৰামৰ্শৰে মোক আগবাঢ়ি যোৱাত সহায় কৰা পূজনীয় উপাধ্যক্ষ মহোদয় শ্ৰীক্ষীৰোদ থাথলাৰী আৰু তৰ্ক বিভাগৰ তত্ত্বাবধায়ক অধ্যাপক শ্ৰীহেৰম্বকুমাৰ ৰাভা মহাশয়লৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ বিভিন্ন কামত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰা ছাত্ৰ বন্ধু শ্ৰীযশোৱন্ত ৰাভা, ৰঞ্জিত দত্ত, অমিয়কুমাৰ ৰাভা, দীপক দাস আৰু অনিমা দৈমাৰীৰ নাম কৃতজ্ঞতাৰে সুঁৱৰিছোঁ।

সদৌ শেষত মোৰ অজানিত ভুল-ত্ৰুটীৰ মাৰ্জনা আৰু দুধনৈ মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

# খেল (Games) শাখাৰ সম্পাদকৰ প্ৰতিবেদন

**শ্ৰীহৰেকৃষ্ণ খাখলাৰী**
সম্পাদক, খেল ( বহিঃদ্বাৰ ) শাখা
ডুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰী, তথা শিক্ষাগুৰুৱে মোক ১৯৭৬-৭৭ চনৰ বাবে ডুধনৈ মহাবিদ্যালয়ৰ খেল (Games) শাখাৰ সম্পাদক পদত নিৰ্বাচিত কৰি অকণমান হ'লেও সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে তেওঁলোকলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

খেল বিভাগত মোৰ বিশেষ ধৰণৰ আকৰ্ষণ থকা-হেতু কৰ্যভাৰ গ্ৰহণ কৰিয়েই, মই মোৰ কামত আগবাঢ়ি যাবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু মই যিমান আগবাঢ়িব পাৰিম বুলি আশা কৰিছিলোঁ, সিমান আগবাঢ়ি যাব পৰা নাছিলোঁ। দুৰ্ভাগ্যবশতঃ ডুধনৈ মহাবিদ্যালয়ৰ আজি-লৈকে নিজ খেল পথাৰ গঢ়ি উঠা নাই। সেয়েহে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনাওঁ যে, অতি সোনকালে খেল পথাৰখন গঢ়ি তুলি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক খেলত আগবাঢ়ি যাবলৈ সুবিধা দিব।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই 'মহাবিদ্যালয় সপ্তাহ' উৎসৱটো আৰম্ভ কৰিবলগীয়া হয়। 'মহাবিদ্যালয় সপ্তাহ' উৎসৱটোত একমাত্ৰ মোৰ বিভাগৰ ভলীবল খেলখনহে অনুষ্ঠিত কৰিছিলোঁ। এই প্ৰতিযোগিতা মহাবিদ্যালয়ৰ অধ্যাপক আৰু ছাত্ৰসকলৰ মাজতে অনুষ্ঠিত হৈছিল, আৰু ছাত্ৰসকলে 'জয় লাভ' কৰে। খেলখনত মই যি দেখিবলৈ পাইছিলো প্ৰত্যেকজন খেলুৱৈ ( বিশেষকৈ ছাত্ৰসকল ) কিছু পৰিমাণে হ'লেও নিয়ম-নীতি মানি খেলিছিল। সেইবাবে খেলখন দেখি সিমান আমনি পোৱা নাছিলো। গতিকে মই অনুৰোধ কৰি জনাওঁ যে প্ৰত্যেকজন খেলুৱৈ নিয়ম-নীতিৰ মাজেৰে খেলৰ মানদণ্ড উন্নতৰ কৰিবলৈ চেষ্টা কৰে যেন।

বিশেষকৈ মই এটা কথাত মন কৰিছো, ভলীবল প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অংশ গ্ৰহণ কৰা নাছিল। 'নাৰী প্ৰগতিৰ যুগত' এই দৰে ছোৱালী-সকলে পিছ পৰি থকাটো বৰ পৰিতাপৰ কথা। যিয়ে নহওক আন আন খেলৰ দৰে ভলীবল খেলতো প্ৰতিদ্বন্দ্বিতা কৰি আগবাঢ়িবলৈ অশেষ চেষ্টা কৰে যেন। এয়ে মোৰ তেওঁলোকৰ ওচৰত অনুৰোধ থাকিল।

আকৌ ডুধনৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অতি পৰিতাপৰ কথা যে, আজিলৈকে হকী আৰু ক্ৰিকেট খেলৰ সা সৰঞ্জাম মহাবিদ্যালয়ত নাই।

গতিকে এই তুয়োবিধ খেলৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে বিৰত থাকিব লগা হয়। সেইবাবে ইয়াৰ অভাৱ মোচন কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

অৱশেষত মোৰ বিভাগত সকলো ফালৰপৰা সুপৰামৰ্শ আগবঢ়াই কাৰ্যক্ষেত্ৰত সহায় কৰা তত্ত্বাৱধায়ক মাননীয় শ্ৰীতেজেন্দ্ৰ নাথ মহাশয়ক আন্তৰিক ধন্যবাদ জনালোঁ।

প্ৰতিবেদনৰ সামৰণিত দুধনৈ মহাবিদ্যালয়ৰ সকলো ফালৰপৰা উন্নতি আৰু লগতে খেলৰ মানদণ্ডৰো উন্নতি কামনা কৰিলোঁ। জয়হিন্দ।



# Annual Report of Sports Athletic Secretary

**Arabinda Hazowary**
Secy., Sports-Athletic
Dudhnoi College
Students Union.

At first, I offer my salute to the Principal, Professors and all the students of Dudhnoi College.

I have been selected as Sports Athletic Secretary for the year of 1976-77. During my period, whether, I have done something or not, is left to you for judgement. If I have done something, that is due to the guidance of respected professors and the kind co-operation of the students.

We have passed our four days 'Annual College Week' festival with great joy. But, it is a matter of regret that in that festival only a few limited students participated in the sports. Specially, the student competitors of P. U. second year class are miserably poor in number. From this matter, I could easily understand that our students are not interested in sports and games.

Being a sports-athletic secretary, I wish to say something about certain problems which the students face in games and sports in our college. There is no good facility for out-door and in-door games. Without good facility, the students cannot improve their standard in sports and games. Our first problem is that our college has no playground and another problem is the lack of well-furnished common room for boys and girls of our college.

Therefore, I request cordially the college authority to provide the students with good facilities for games and sports in the next session.

At the end of my report, my many many hearty thanks to all who helped me fully in the last 'Annual College Week' festival.

I wish every success of Dudhnoi college. Thanks.

# সমাজসেৱা শাখাৰ সম্পাদকৰ প্ৰতিবেদন

**শ্ৰীঅমৰ নাথ**
সম্পাদক, সমাজসেৱা শাখা
দুধনৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।

জয় জয়তে দুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীক ছাত্ৰ একতা সভাৰ সমাজসেৱা শাখাৰ সম্পাদক হিচাপে মোক নিৰ্ব্বাচিত কৰাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সমাজৰ লগত শিক্ষা ওতঃপ্ৰোতভাৱে জড়িত। শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হৈছে, আৰ্জ্জিত জ্ঞান সমাজৰ প্ৰগতিৰ স্বাৰ্থত প্ৰয়োগ কৰা। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা শাখাই ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণৰ সেই সুযোগ দিয়ে। দায়িত্ব গ্ৰহণৰ পিছৰ পৰাই মোৰ কৰিবলগীয়া কাম বহুতো আছে বুলি মই অনুভৱ কৰিছিলোঁ। কিন্তু আৰ্থিক দিশ টনকিয়াল নোহোৱা বাবে মোৰ ইচ্ছাক বাস্তৱত ৰূপ দিয়াৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মুখীন হবলগীয়াত পৰিছিলোঁ। তথাপি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপযুক্ত সঁহাৰি পোৱা বাবে কেইটামান কাম মই সুচাৰুৰূপে কৰিবলৈ সক্ষম হৈছোঁ। কাৰ্য্যভাৰ গ্ৰহণৰ লগে লগে মহাবিদ্যালয়ৰ নিজৰ খেতি পথাৰত ছাত্ৰ-ছাত্ৰীয়ে ধান কটা কাম সুকলমে সম্পন্ন কৰাটো বিশেষভাৱে উল্লেখযোগ্য। একেবাহে কেবাদিনো ছাত্ৰ-ছাত্ৰীয়ে বিশেষ আগ্ৰহ আৰু মনযোগেৰে ধান কটা কামত সহায় কৰি মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ প্ৰশংসা অৰ্জ্জন কৰে। উল্লেখযোগ্য, ছাত্ৰ-



মহাবিদ্যালয়ৰ খেতি পথাৰৰ ছাত্ৰীসকলেও ধান কাটিছে

ছাত্ৰীৰ লগত অধ্যাপক-অধ্যাপিকামণ্ডলীয়ে সহযোগিতা কৰি উৎসাহ, অনুপ্ৰেৰণা যোগায়।

মোৰ কাৰ্য্যকালৰ সময়ত খেল পথাৰখন খেলৰ

উপযোগী কৰি তোলা হয় আৰু এই পথাৰতে 'মহাবিদ্যালয় সপ্তাহ'ৰ খেল-ধেমালি প্ৰথমবাৰৰ বাবে



নিজ পথাৰৰ ধান ছাত্ৰসকলে বৈ আনিছে

অনুষ্ঠিত হয়। ২৫।৩।৭৭ ইং তাৰিখে ৰাষ্ট্ৰীয় সমাজসেৱা আঁচনিৰ বিষয়াই সমাজ সেৱাৰ কাম পৰিদৰ্শন কৰে আৰু বিশেষত: ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ নিজৰ আলিবাট নিৰ্ম্মাণকৰা কাৰ্য্য পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে। ৪।৬।৭৭ ইং তাৰিখে ৰাষ্ট্ৰীয় সমাজ সেৱা আঁচনিৰ Deputy Adviser Mr. Mahanti সমাজসেৱাৰ কাৰ্য্যসমূহ পৰিদৰ্শন কৰে। সমাজসেৱা শাখাৰ জৰিয়তে ধূপধৰাৰ সমীপবৰ্ত্তী ছালপাৰা গ'ওঁৰ আলিবাটটো মেৰামত কৰা হয়। এই কাম সমাধা কৰাত অৱশ্যে গাওঁবাসীৰ সহায়, সহযোগিতা স্বীকাৰ্য্য।

কাৰ্য্যকালৰ ভিতৰত বিভিন্ন সমস্যাৰ মাজেদি আগবাঢ়ি গৈ যিখিনি কাম কৰা হ'ল ইয়াত সৰ্ব্বতো-প্ৰকাৰে দিহা পৰামৰ্শ দি কৃতকাৰ্য্যতাৰ পথ মুকলি কৰা অধ্যক্ষ কৰুণাকান্ত ৰাভা আৰু ভাৰপ্ৰাপ্ত অধ্যাপক উমাচৰন শৰ্মা মহাশয়দ্বয়ৰ প্ৰতি আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কাৰ্য্যকালত বিশেষভাৱে সহায় কৰা বন্ধু-বান্ধৱীসকললৈ মোৰ অকৃত্ৰিম শুভেচ্ছা জনাই দুধনৈ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি—



# ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

**শ্ৰীডালিম নাথ**
সম্পাদক,
ছাত্ৰৰ জিৰণি কোঠা,
ডুধনৈ মহাবিদ্যালয় ছাত্ৰ
একতা সভা।

জয় জয়তে ডুধনৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোক ১৯৭৬-৭৭ চনৰ ছাত্ৰৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ দিয়াত, মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

কৰ্ম্মবহুল পৃথিৱীত কাম-কাজ কৰি যেতিয়া মানুহে ভাগৰি পৰে তেতিয়া প্ৰয়োজন হয় জিৰণি লোৱাৰ। ক্ষন্তেকীয়া জিৰণিৰ মাজেদি পৰিশ্ৰান্ত দেহত আকৌ জাগি উঠে নতুন প্ৰেৰণা। সেয়ে আমাৰ কলেজৰ ছাত্ৰসকলক class কৰাৰ পিছত আজৰি সময়খিনি কটাই দিবৰ কাৰণে কলেজৰ কৰ্ত্তৃপক্ষই জিৰণি কোঠাৰ যোগান ধৰিছে। য'ত ছাত্ৰসকলে বিভিন্ন ধৰণৰ খেল-ধেমালিৰ মাজেদি সময়খিনি কটাই দিয়ে। আমাৰ কলেজখন চালুকীয়া অৱস্থাত থকা বাবে, জিৰণি কোঠাৰ প্ৰয়োজনীয় খেলৰ সামগ্ৰীসমূহ যোগান ধৰিব পৰা নাই যদিও সীমিত অৰ্থৰ মাজেদি কেৰম ব'ৰ্ডৰ যোগান ধৰা হৈছে। উল্লেখযোগ্য যে যোৱাবেলি বছৰেকীয়া খেল-ধেমালিত কেৰম ব'ৰ্ড প্ৰতিযোগিতাত Singlesত শ্ৰী অনিলেশ্বৰ মজুমদাৰ আৰু Doublesত শ্ৰীঅনিলেশ্বৰ মজুমদাৰ আৰু তেওঁৰ সঙ্গী শ্ৰীঅজিত ৰয় লগতে ছোৱালীসকলৰ পৰা শ্ৰীবিষ্ণুপ্ৰিয়া ৰয় আৰু তেওঁৰ সঙ্গী শ্ৰী অণু কাছাৰীয়ে চেম্পিয়নশ্বিপ্ অৰ্জ্জন কৰে।

ছাত্ৰৰ জিৰণি কোঠাৰ লগতে Reading roomৰ দায়িত্বও মোৰ ওপৰতে ন্যস্ত কৰা হয়। মোৰ কাৰ্য্যকালৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ মানসিক প্ৰতিভা বিকাশৰ বাবে কিছুমান বাতৰি কাকত, আলোচনী আদিৰ যোগান ধৰিবলৈ সক্ষম হৈছো। তাৰে ভিতৰত দৈনিক অসম, অসম বাণী, নীলাচল, নতুন অসমীয়া, The Assam Tribune, The Statesman, The Competition Master, The Illustrated Weekly, দেশ আদি উল্লেখযোগ্য। ইয়াৰ উপৰিও পষেকীয়া দেৱাল আলোচনীৰ মাজেদিও ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশ পায়।

জিৰণি কোঠাৰ প্ৰয়োজনীয় খেলৰ সামগ্ৰীৰ ভিতৰত 'টেবুল টেনিচ'ৰ কথা ছাত্ৰসকলে বেছিকৈ অনুভৱ কৰে। গতিকে কলেজৰ কৰ্তৃপক্ষৰ ওচৰত মোৰ প্ৰাৰ্থনা যাতে Indoor Gamesৰ খেলৰ যাৱতীয় সামগ্ৰীসমূহ যোগান ধৰি ছাত্ৰসকলৰ প্ৰতিভা বিকাশ সাধন কৰে।

সৰ্বো শেষত, জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপকে মোক বিভিন্ন সময়ত বিভিন্ন উপদেশ দিয়াৰ বাবে আৰু যি সকল ছাত্ৰ বন্ধুৱে Indoor Games খেল পৰিচালনা কৰাত মোক সহায়, সহযোগিতা আগবঢ়ালে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। ইতি



# Talents of the year—1976-77



Mr. Ranjan Rabha
Best Athlet (Boy's)



Miss Anu Kachari
Best Lady Athlet



Mr. Dinesh Das
Best Actor



Miss Bishnupriya Roy
Best Actress




Mr. Dipak Das
Best Literary Man



Mr. Pulin Khakhlary
Best Musician

# Dudhnoi College Students Union—1976-77



Sitting—(L to R) R. Datta (General Secy), Miss R. Roychaudhury (Prof. In-charge Girls' Common Room), Miss C. L. Das (Prof. In-charge Music), A. C. Bantho, A. M. Mandal (Prof. In-charge Boys' Common Room), K. Khakhalary (Vice-President), Principal K. K. Rabha (President), B. K. Sarma (Prof. In-charge Magazine), G. C. Roy (Prof. In-charge Sports) D. Kakati (Prof. In-charge Culture), T. C. Nath (Prof. In-charge Games) H. K. Rabha (Prof. In-charge Debate).

Standing—(R to L) Kr. A. Das (office Assistant), S. C. Boro (Librarian), H. Khakhalary (Games Secy), J. Rabha (Editor, Magazine), R. Basumatary (Cultural Secretary), A. Hajowary (Secy. Sports), Miss S. Kalita (Secy Debate), D. Bhakat (Accountant). ·ilin (Per·)

# Results of the Annual College Week—1976-77

**● Literary Competition :**

1. Assamese Essay—1st—Dipak Kr. Das
   2nd—Hemen Das
   3rd—Miss Dipa Kalita
2. Assamese Short Story—3rd—Miss Dipa Kalita
3. Assamese Humour Essay—Consolation—Dipak Das
4. Assamese Poem—1st—Miss Sewali Kalita
   2nd—Jagadish Hazarika
   3rd—Gadhir Bantho
   Miss Ranjita Das.
5. Assamese one act Play—Consolation—Jagadish Hazarika
6. Cartoon— 1st. Ratan Basumatary
   2nd. Dipak Das
   3rd. Miss Ranjita Das

**● Result of Board Magazine literary Competition :**

1. Best Assamese Essay—Mati Kalita
2. Best Assamese Short Story—Karuna Kanta Rabha
3. Best Assamese Poem—Dipak Das
4. Best Question—Keshab Basumatary
5. Best Art—Jashabanta Rabha

**● Result of Music Competition :**

1. Modern Song—1st—Pulin Khakhlary
   2nd—Sarbeswar Hazarika
   3rd—Ratan Basumatary
2. Loko Geet— 1st—Sarbeswar Hazarika
   2nd—Pulin Khakhlary
   3rd—Mati Kalita


3. Jyoti Sangeet—1st—Pulin Khakhlary
   2nd—Sarbeswar Hazarika
4. Bhajan— 1st—Pulin Khakhlary
   2nd—Ratan Basumatary
   3rd—Sarbeswar Hazarika
5. Bargeet— 1st—Pulin Khakhlary
   2nd—Sarbeswar Hazarika
6. Bihugeet— 1st—Dinesh Das
   2nd—Sarbeswar Hazarika
   3rd—Pulin Khakhlary
7. Instrumental Music Competition—1st—Ratan Basumatary
   2nd—Pulin Khakhlary
   3rd—Jashabanta Rabha

● **One act Play Competition :**

1. Best Actor—Dinesh Das
2. Best Actress—Miss Bishnu Priya Roy
3. Best Director—Dinesh Das
4. Best Drama—'Astagami Surya'

● a) **Debate Competition :**

1st—Utshab Nath
2nd—Miss Sewali Kalita
3rd—Anileswar Mazumdar



Many came but selected few........
Best Debater—Mr. Utshab Nath


**(b) Extempore Speech :**

1st—Utshab Nath
2nd—Jatin Khakhlary
3rd—Dipak Das

**(c) Recitation Competition :**

**Assamese**—1st—Miss Dipa Kalita
2nd—Jyotish Ch. Roy
Utshab Nath
3rd—Miss Anima Daimary

**English**—1st—Miss Ananya Baruah
2nd—Jatin Khakhlary
3rd—Miss Sewali Kalita



Go As you like.......

**● Go As you like :**

1st—Dilip Saha
2nd—Bhaben Rabha
3rd—Miss Sandhya Sen

Best literary man—Dipak Kumar Das
Best Singer—Pulin Khakhlary
Best Debator—Utshab Nath
Best Social Worker—Ranjan Kumar Rabha
Best Athlet (Boys')—Ranjan Kumar Rabha
Best Lady Athlet—Miss Anu Kachari

# পযেকীয়া দেৱাল আলোচনী

# ঃ জেউতি ঃ

বিষয় সূচী—( প্ৰথম বছৰ প্ৰথম সংখ্যাৰপৰা দ্বিতীয় বছৰ চতুৰ্থ সংখ্যালৈ )

**প্ৰথম বছৰ, প্ৰথম সংখ্যা ॥ অম্বিকাগিৰি ৰায়চৌধুৰী সোঁৱৰণী সংখ্যা ॥**


১। সম্পাদকীয়—অসমীয়া আলোচনী সাহিত্য

২। অম্বিকাগিৰি ৰায়চৌধুৰী—অধ্যাপক দশৰথ কাকতি

৩। শিক্ষা সংকট প্ৰসঙ্গত ( প্ৰবন্ধ ) — অধ্যাপক আব্দুল মজিদ মণ্ডল

৪। জীৱন নহয়তো সঁাথৰ ( গল্প ) — হৰিহৰদেৱ সূত্ৰধৰ

৫। অভিযুক্ত ( কবিতা ) — অধ্যাপক হেৰম্বকুমাৰ ৰাভা

৬। ব্যৰ্থ জীৱন ( কবিতা ) — শেৱালি কলিতা

৭। ক্ষণিকৰ বালিচৰ ( কবিতা ) — অমিয়কুমাৰ ৰাভা

৮। নিশাৰ আত্মা ( কবিতা ) — যশোৱন্ত ৰাভা

৯। নিৰগম বাটলই ( কবিতা ) — দশৰথ কলিতা

১০। প্ৰশ্ন — কেশৱ বসুমতাৰী

উত্তৰ দিওঁতা—অধ্যাপিকা চন্দ্ৰলেখা দাস।


**দ্বিতীয় সংখ্যা ॥ জ্যোতি সোঁৱৰণী সংখ্যা ॥**


১। সম্পাদকীয়—জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি তৰ্পণ

২। শিক্ষা সংকট প্ৰসঙ্গত ( প্ৰবন্ধ ) — অধ্যাপক আব্দুল মজিদ মণ্ডল

৩। প্ৰতিদান ( গল্প ) — কিশোৰীমোহন ৰায়

৪। হেৰোৱা জীৱনৰ চকুলো ( গল্প ) — নীলিমা ৰাভা

৫। চেতনা ( কবিতা ) — মিচ্ পুণ্য ৰায়

৬। আধা অঁকা ছবি ( কবিতা ) — জগদীশ হাজৰিকা

৭। তিনিটা স্কেচ্ ( কবিতা ) — অনিলেশ্বৰ মজুমদাৰ

৮। প্ৰতাৰক ( কবিতা ) — দীপামণি কলিতা

৯। কাৰ্টুন — ৰতন বসুমতাৰী

## তৃতীয় সংখ্যা ॥ সাহিত্য সভা সংখ্যা ॥

| | | |
|---|---|---|
| ১। | সম্পাদকীয়—ছাত্র আৰু ৰাজনীতি | |
| ২। | শিক্ষা সংকট প্ৰসঙ্গত (প্ৰবন্ধ) | অধ্যাপক আব্দুল মজিদ মণ্ডল |
| ৩। | কলিকতা দেখিলো (ভ্ৰমণ বৃত্তান্ত) | মতি কলিতা |
| ৪। | মহাত্মা কবীৰ (জীৱনী) | ৰঞ্জিত দাস |
| ৫। | চিত্ৰাঙ্কনৰ ভাষা (কবিতা) | কেশৱ বসুমতাৰী |
| ৬। | কোনোবা এটা গ্ৰীষ্মৰ গধূলি (কবিতা) | অমিয়কুমাৰ ৰাভা |
| ৭। | এই দেশ মোৰ দেশ (কবিতা) | দীপককুমাৰ দাস |
| ৮। | কাৰ্টুন | যশোৱন্ত ৰাভা |

## ॥ চতুৰ্থ সংখ্যা ॥

| | | |
|---|---|---|
| ১। | সম্পাদকীয়—ৰাষ্ট্ৰপতিৰ স্মৃতি তৰ্পণ | |
| ২। | ফকৰুদ্দিন আলি আহমদ (জীৱনী) | অমিয়কুমাৰ ৰাভা |
| ৩। | ভয় (গল্প) | কৰুণাকান্ত ৰায় |
| ৪। | এটুপি চকুলো (কবিতা) | যতীন খাখলাৰী |
| ৫। | এমুঠি জোনাক (কবিতা) | অধ্যাপক হেৰম্বকুমাৰ ৰাভা |
| ৬। | ব্যস্ততা (কবিতা) | সৌৰভকুমাৰ পাঠক |
| ৭। | অতীত বিচাৰি (কবিতা) | ক্ষীৰজাউদ্দিন আহমেদ |
| ৮। | কাৰ্টুন | ৰঞ্জিতা দাস। |

## ॥ পঞ্চম সংখ্যা ॥

| | | |
|---|---|---|
| ১। | সম্পাদকীয় | |
| ২। | শিক্ষা সংকট প্ৰসঙ্গত (প্ৰবন্ধ) | অধ্যাপক আব্দুল মজিদ মণ্ডল |
| ৩। | কলিকতা দেখিলো (ভ্ৰমণ বৃত্তান্ত) | মতি কলিতা |
| ৪। | বেদনাৰ চকুলো (গল্প) | জগদীশ হাজৰিকা |
| ৫। | উপায় (গল্প) | দীপামণি কলিতা |
| ৬। | প্ৰেম আৰু মৃত্যু (কবিতা) | দীপককুমাৰ দাস |
| ৭। | অপ্ৰকাশিত (কবিতা) | অমিয়কুমাৰ ৰাভা |
| ৮। | মাতৃসেৱা (কবিতা) | গোধীৰ চন্দ্ৰ বাথৌ |
| ৯। | চেতনা (কবিতা) | শেৱালি কলিতা |
| ১০। | অভিমত | অমিয়কুমাৰ ৰাভা |

## ॥ ষষ্ঠ সংখ্যা ॥

| | | |
|---|---|---|
| ১। | সম্পাদকীয় | |

২। গোহাঞি বৰুৱাৰ 'ভানুমতী'ৰ নায়িকা
ভানুমতী (প্ৰবন্ধ) — অধ্যাপক বসন্তকুমাৰ শৰ্মা
৩। অসমীয়া নাট্য সাহিত্য (প্ৰবন্ধ) — দীপককুমাৰ দাস
৪। সম্পাদকলৈ চিঠি — অমিয়কুমাৰ ৰাভা
৫। প্ৰশ্ন — অনন্তকুমাৰ ৰায়, দীপককুমাৰ দাস
উত্তৰ দিওঁতা — অধ্যাপক হেৰম্বকুমাৰ ৰাভা
৬। প্ৰতীক্ষা (কবিতা) — দীপামণি কলিতা
৭। অনামিকা (কবিতা) — সৌৰভকুমাৰ পাঠক
৮। প্ৰতিদান (কবিতা) — শেৱালি কলিতা
৯। কন্ধ (কবিতা) — যশোৱন্ত ৰাভা
১০। শেষ অনুৰোধ (কবিতা) — জগদীশ হাজৰিকা
১১। দুঃস্বপ্নৰ দিন ৰাতি (কবিতা) — অমিয়কুমাৰ ৰাভা
১২। জৱাহৰলাল নেহৰুৰ আগ্য শ্ৰাদ্ধ (কবিতা) — ৰঞ্জিতা দাস
১৩। তিনিখন প্ৰেমৰ ছবি (কবিতা) — দীপককুমাৰ দাস
১৪। কাৰ্টুন — ৰতন বসুমতাৰী, যশোবন্ত ৰাভা

দ্বিতীয় বছৰ : প্ৰথম সংখ্যা ॥ হেম বৰুৱা সোৱঁৰণী সংখ্যা ॥

১। সম্পাদকীয়—হেম বৰুৱাৰ স্মৃতি তৰ্পণ
২। একাজলি শ্ৰদ্ধা খনিকৰ আৰ. জি. লৈ — দীপামণি কলিতা
৩। নিয়তিৰ উপহাস (গল্প) — শেৱালি কলিতা
৪। অফিচলৈ (ব্যঙ্গৰচনা) — কৰুণাকান্ত ৰায়
৫। ফাগুনৰ পছোৱা (কবিতা) — দীপক দাস
৬। স্বপ্ন (কবিতা) — নীলিমা ৰাভা
৭। নিৰক্ষৰ ভেদ (কবিতা) — কুমাৰী ফুল ৰয়
৮। মৰমি তৰালিলৈ বুলি (কবিতা) — জগদীশ হাজৰিকা
৯। কাৰ্টুন — ৰতন বসুমতাৰী
১০। ছবি — যশোবন্ত ৰাভা

॥ দ্বিতীয় সংখ্যা ॥

১। সম্পাদকীয়
২। অসমীয়া গল্প সাহিত্যৰ জন্ম আৰু
ক্ৰমবিকাশ (প্ৰবন্ধ) — অধ্যাপক বসন্তকুমাৰ শৰ্মা
৩। প্ৰতীক্ষাৰ শেষত (গল্প) — শেৱালি কলিতা

৪। ঈর্ষা (গল্প) অনিলেশ্বৰ মজুমদাৰ
৫। অস্তিত্বৰ সংকেত (কবিতা) অমিয়কুমাৰ ৰাভা
৬। পৰশ (কবিতা) দীপামণি কলিতা
৭। প্ৰবঞ্চনা (কবিতা) কৈলাস দাস
৮। কাৰ্টুন ৰতন বসুমতাৰী
৯। ছবি যশোবন্ত ৰাভা

॥ তৃতীয় সংখ্যা ॥ নৱাগত আদৰণি সভা সংখ্যা ॥

১। সম্পাদকীয়—আমি আটায়ে নতুন
২। অৱলম্বন (গল্প) শেৱালি কলিতা
৩। কনিষ্ক (ব্যঙ্গৰচনা) ধীৰেন ৰায়
৪। এখন উপন্যাস লিখাৰ প্ৰচেষ্টাৰে (গল্প) দীপক দাস
৫। অভিশাপ (গল্প) দীপামণি কলিতা
৬। আদৰণি (কবিতা) যতীন থাখলাৰী
৭। ক্ৰমে পোহৰলৈ (কবিতা) অমিয়কুমাৰ ৰাভা
৮। প্ৰতিদান (কবিতা) ৰঞ্জিতা দাস
৯। তুমি (কবিতা) কুমাৰী ফুল ৰয়
১০। It's Time Dudhnoi
Eve. Love. (কবিতা) Sahadev Das.
১১। কাৰ্টুন ৰতন বসুমতাৰী

॥ চতুৰ্থ সংখ্যা ॥

১। সম্পাদকীয় সহায়েই সাৰ্থক
২। সাঁচিপাত (গল্প) কৰুণাকান্ত ৰয়
৩। মোৰ শেষ চিত্ৰ প্ৰদৰ্শন (গল্প) যশোবন্ত ৰাভা
৪। আত্মহত্যাকাৰীৰ চিঠি (গল্প) দীনেশচন্দ্ৰ চক্ৰৱৰ্ত্তী
৫। দুটি কবিতা (কবিতা) অমিয়কুমাৰ ৰাভা
৬। দুটি কবিতা (কবিতা) শেৱালি কলিতা
৭। দুধনৈ মহাবিদ্যালয় ধন্য তোমাক (কবিতা) মুকুল ৰাভা
৮। ফুলনিৰ বেদনাৰে (কবিতা) প্ৰাণকৃষ্ণ নাথ
৯। আন্দোলন (কবিতা) অঘোৰ সৰোজ থাখলাৰী
১০। জেউতি (কবিতা) সমেশ্বৰ ৰাভা
১১। কাৰ্টুন ৰতন বসুমতাৰী

# সম্পাদকীয়

## ॥ অসমীয়া আলোচনী সাহিত্য ॥

অসমীয়া আলোচনী সাহিত্য ঊনবিংশ শতিকাৰ অৱদান। ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত অসমীয়া সাহিত্যত আধুনিক যুগৰ সূচনা হোৱাৰ লগে লগে অসমীয়া গদ্য সাহিত্যই সুষ্ঠ, সবল গঢ় লয় আৰু নতুন ভাবধাৰা, নতুন ৰচনা প্ৰণালীৰে সমৃদ্ধিশালী হৈ উঠে। অসমীয়া আলোচনী সাহিত্যৰ পৰম্পৰা অতি দীঘলীয়া নহয় যদিও অসমীয়া গদ্য সাহিত্য তথা আধুনিক অসমীয়া সাহিত্যৰ উন্নতি আৰু বিকাশত যথেষ্ট পৰিমাণে সহায় কৰাটো স্বীকাৰ্য্য। ইংৰাজৰ ৰাজত্ব কালত, আমেৰিকান বেপ্‌টিষ্ট মিছন সমাজে ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ পৰা 'অৰুণোদই সম্বাদ পত্ৰ' (The Orunodoi, A monthly paper, devoted to Religion, Science and General Intelligence is ·ted and published at the Sibsagar n Press, by O. T. Cutter, for the n Baptist Mission in Assam. ১। rupee per annum, in advance, ২।d a half at the end of the year.) য়া আলোচনী এখন প্ৰকাশিত হয়। ৩।ৰ্ৰ সম্পাদিত 'অৰুণোদই' আলোচনীয়ে অসমীয়া আলোচনী সাহিত্যৰ পথ মুকলি কৰাৰ উপৰিও অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'অৰুণোদয় যুগ' (১৮৪৬-১৮৮২) সৃষ্টি কৰিলে।

অৰুণোদয়'ৰ অনুকৰণ আৰু অনুপ্ৰেৰণাতে কেবাখনো বাতৰি কাকত আৰু আলোচনী প্ৰকাশিত হোৱাতো মন কৰিবলগীয়া। সেইবোৰৰ ভিতৰত আসাম বিলাসিনী (১৮৭১), আসাম মিহিৰ (১০৭২), আসাম দৰ্পণ (১৮৭৭), গোৱালপাৰা হিতসাধিনী (১৮৭৬), চন্দোদয় (১৮৭৬), আসাম দীপক (১৮৭৬), আসাম নিউজ (১৮৮২), আসাম বন্ধু (১৮৮৫), মৌ (১৮৮৬), আসাম তৰা (১৮৮৮), ল'ৰা বন্ধু (১৮৮০) আদি উল্লেখযোগ্য। বিভিন্ন কাৰণ বশতঃ ওপৰোক্ত কাকত-আলোচনীয়ে অসমীয়া সাহিত্যত বিশেষ নতুন অৰিহণা আগবঢ়াব নোৱাৰিলে যদিও আলোচনী সাহিত্যক নতুন ৰূপ দিয়াৰ লগে লগে মুষ্টিমেয় লেখক কেইগৰাকীক উৎসাহিত কৰাটো স্বীকাৰ্য্য। কিন্তু ১৮৮৯ চনৰ ৯ ফেব্ৰুৱাৰীত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ মুখপত্ৰ স্বৰূপে চন্দ্ৰকুমাৰ আগৰৱালা-দেৱৰ সম্পাদনাত কলিকতাৰ পৰা প্ৰকাশিত হোৱা 'জোনাকী' আলোচনীয়ে বৃহৎ লেখকগোষ্ঠী এটা সৃষ্টি কৰাৰ লগতে আধুনিক অসমীয়া সাহিত্যত ইতিপূৰ্বে সংচালনিকৈ প্ৰবাহিত হৈ থকা নৱন্যাস ভাবধাৰা সদৰি